# স্মৃতিগ্ৰন্থ ১৯৭৬

# SOUVENIR 1976



## মঙ্গলদৈ মহাবিদ্যালয়

## MANGALDAI COLLEGE

# স্মৃতি-গ্ৰন্থ

## ৰূপালী জয়ন্তী

# মঙ্গলদৈ মহাবিদ্যালয়

খৃষ্টাব্দ ১৯৭৬ ॥ শক ১৮৯৮

সম্পাদক—
শ্ৰীজীৱন চন্দ্ৰ শৰ্মা

স্মৃতি-গ্ৰন্থ
প্ৰকাশক :
অধ্যক্ষ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী, এম-এ, বি-টি
সম্পাদক, মঙ্গলদৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি ;
মঙ্গলদৈ ।
ডিচেম্বৰ, ১৯৭৬ ।

স্মৃতি-গ্ৰন্থ সম্পাদনা সমিতি :
শ্ৰীভৱানন্দ ৰাজখোৱা, এম-এ
শ্ৰীশৰৎ চন্দ্ৰ শৰ্মা, এম-এ, বি-টি
শ্ৰীমিনহাজ আলি মণ্ডল, এম-এ, এল-এল-বি
শ্ৰীভূপেন্দ্ৰ কাকতি, এম-এছ-চি
শ্ৰীভৱ হাজৰিকা
শ্ৰীজীৱন চন্দ্ৰ শৰ্মা, এম-এ (আহ্বায়ক আৰু সম্পাদক)

মূল্য :
দহ টকা ।

বেটুপাতৰ ছবি :
বিচিত্ৰ, হাচান, মুকুট

ফটো :
সেৱা ষ্টুডিঅ' ।

মুদ্ৰক :
শ্ৰীমদন চন্দ্ৰ মহন্ত,
জনতা প্ৰেছ, তেজপুৰ ।

राष्ट्रपति का प्रेस सचिव,
राष्ट्रपति भवन
नई दिल्ली-110004
भारत

*Press Secretary to the President*
*Rashtrapati Bhavan*
*New Delhi*-110004
*India*

No. F.2-M/76. August 20, 1976.



Dear Shri Sarma,

The President is glad to know from your letter of the 12th August, 1976 that the Mangaldai College, Mangaldai, will celebrate its Silver Jubilee in December, 1976. He sends his best wishes for the success of the Silver Jubilee Celebrations and for the continued progress of the College in the years to come.

Yours sincerely,
A.M. Abdul Hamid

Shri J.C. Sarma,
Convenor, Souvenir Sub-Committee,
Mangaldai College,
P.O. Mangaldai,
Dist. Darrang,
Assam.

GOVERNOR

RAJ BHAVAN, PUNJAB,
CHANDIGARH.
August 30, 1976.



## MESSAGE

It gives me much pleasure to know that Mangaldai College, Assam, is holding its Silver Jubilee Celebrations in December next and that a Souvenir is being brought out on the occasion.

Education plays a pivotal role in making a nation enlightened, strong and prosperous. In an under-developed country like ours, education has its own importance. Unless the people are educated and vigilant, democracy cannot flourish. Private institutions of standard have a great role to play in this task. Mangaldai College is one such institution.

I send my best wishes for the success of the celebrations and for the progress of the institution.

M.M. Chaudhury
Governor of Punjab.

उप मन्त्री
विदेश मन्त्रालय, नई दिल्ली-११००११
DEPUTY MINISTER
MINISTRY OF EXTERNAL AFFAIRS
NEW DELHI-110011

No. 12/DM/76 August 21, 1976



Dear Principal Goswami,

I am very glad to learn that your College has completed 25 years of its existence and has decided to celebrate the silver jubilee. I hope that the celebrations will be a great success and will give a fresh dose of inspiration for further progress and development of the College. I am sure that under your leadership this college is bound to emerge as a very important educational institution in the north bank of Assam. I need hardly tell you that you and your college can always count on my best of wishes.

With kind regards,

Yours sincerely,
Bipinpal Das.

Shri P.C. Goswami, M.A.B.T.,
Principal,
Mangaldai College,
P.O. Mangaldai
(Assam).

# The Silver Jubilee Of The Mangaldai College

**Sri Prabodh Ch. Goswami,** M.A.B.T.
Principal & Secretary of the
Silver Jubilee Celebration Committee.

The Silver Jubilee is a great event in the history of an institution and it is a matter of great joy that the Mangaldai College is celebrating this event from the 28th of December, 1976 to the 2nd of January, 1977.

**Early Doubts :**

In 1951 when the college was established there were doubts about the feasibility of a college in a sub-division considered to be educationally backward. The sub-division is inhabited by a large number of Tribal and Tea-garden labour people and also people of other Backward Community and immigrant muslims. There are not many rich people either. So doubts were natural particularly when the Governmental encouragement was also not spontaneous.

**Establishment of the College in 1951 with Sri Krishna Kanta Handique's Blessings :**

Even then the college was established on 20.9.51 (Classes started). This was possible because of the immense good will, so to be speak, the blessings of that great Scholar of international repute, Sri Krishna Kanta Handique, the first Vice-Chancellor of Gauhati University, Sri Amiya Bhusan Dasgupts, the then S.D.O. of Mangaldai and self-less batch of

workers and the public enthusism. There was no big donation as we find in respect of other colleges of Assam. But the poor people of the sub-division contributed according to their capacity and the college became a fact and Sri Purandar Sarma M.A., B.L. became the first Principal and Sri Rameswar Sarma, B.L. its first Secretary. Their services are to be remembered with gratitude because the Principal worked for years without any pay and the Secretary moved continuously from house to house in search of money to pay the college employees.

**Recent development with help from Government :**

Although in 1951 there were doubts about the feasibility of the College, it is now one of the best colleges of North East India. Its present student population is more than 1700 in comparison to 60 in 1951. It has also developed certain special feature such as the scheme of earning while learning with its agricultural farm. The examination result of the college is also fairly satisfactory and one of its students secured the first class first position in Geography Honours in 1975. There has been no discipline problem among the students and there is perfact cooperation from the staff.

This new turn in its development became possible because of spread of education among the masses in the sub-division and the Government sympathy towards institutions of backward areas. During the period of Chief ministership of Late Bimala Prasad Chaliha, the college could secure grant under deficit system of grant in aid for the Arts section and during the Chiefministership of Sri Sarat Ch. Singha with Sri Haren Talukdar as Education Minister for the Science Section (1973). It is also to be noted that our present President of India Sri Fakhruddin Ali Ahmed was also very sympethetic to our College. He personally visited the college as Finance Minister of Assam during the time of late Chaliha's ministry.

As a result, the college became free of the problem of paying its teachers. In this year of Silver Jubilee, I should recall with gratitude the Late Chaliha's, Sri Ali's, Sri Singha's and Sri Talukdar's sympathy for the college and also the services of those teachers who worked with meagure pay till the college got grant under the deficit system of grant-in-aid.

Another major factor of development was the opening of the Science faculty of the college in 1966. This was also a bold decision but the College Governing Body was encouraged to take it because the then Education Minister of Assam, Sri Deva Kanta Barua, who is now holding the most honoured Office of Presidentship of the Indian National Congress, had been thinking aloud that there should be a fulfledged a Science college in each Sub-division.

In this connection with the recent development of the college I must also express my gratitude to the members of the Governing Body with Sri Dandi Ram Dutta and Sri Lakshmi Kanta Saikia, M.L.A. as Presidents and the Education Ministers and the D.P.I.s of the period for their help in developing the college. The University Authority particularly the then Registrar, Sri Chidananda Das, was also helpful in permitting me to open new subjects and Honours Courses. I am also grateful to Sri Bipin Pal Das, now in the Union Ministry, then the Principal of the Darrang College and later Inspector of Colleges, by giving valuable suggestions in regard to the construction of Science Laboratories and opening of Science Courses.

**The Silver Jubilee as an occasion and an opportunity :**

The Silver Jubilee of an insitution is not only an occasion to recall the services of those associated with its development but it is also an occasion to renew the contact with the public and its ex-students and to remind them of the fact that the

institution was theirs, is theirs and will be theirs. It craves still for their association and love. From the poin, of view the public and those associated with its development, the Jubilee is also an opportunity to enliven the old association and an opportunity to care for and give.

The Governing Body of the College in one of its meetings held on 17.7.76 took the decision of celebrating the Jubilee and a Celebration Committee was formed with members representing all areas of the Sub-division and all interests. A Public meeting of the Committee was held on 28.8.76 to elect an executive and to frame a budget.

The Celebration Committee is trying its best to contact the public of the sub-division and to remind them of the opportunity of bestowing again their love and help on the institution which is by all means, theirs.

In this connection I am overwhelmed with gratitude to my staff members moving day and night from village to village with a view to involve intimately the people of the sub-division in celebrating the Jubilee. The public response is really encouraging and I am really grateful to them for their involvement.

**Unfulfilled Dream of Sri Deva Kanta Barua :**

But they are to remember on this occasion that the college has still many wants and dreams to fulfil Sri Deba Kanta Barua's dream of establishing a fulfledged Science College in each sub-division is still unfulfilled so far as the Mangaldai College is concerned. This is the only Science College in the sub-division and will remain so on accout of the University Affiliation Rule of not permitting a college to open more than two faculties. But the college is still unable to offer Honours Courses in Science subjects except in Geography. Even in Pass courses in Science, the college has not been permitted to open such important subjects as Zoology and Geology. The college has even now no spacious

library building, no auditorium, no Science teaching rooms fitted with gallaries, no quarters for Hostel Superintendents and not even a N.C.C. cote room. The college requires immediately a Second Girls' Hostel and also a Boys' Hostel atleast for 100 boarders (the Plan and Estimate for the Boys' Hostel involving Rs. 7.8 lakh is already submitted to the U.G.C. for approval). For want of accommodation, the college has not been able to organise proper class-room teaching with small group of students under personal supervision of teachers.

However, it will not be proper to prolong the list of wants. But let the Silver Jubilee be an occasion of new resolve to remove the wants and to develop the college in new directions and dimensions.

**Gratitude :**

Lastly let me express my gratitude to the members of the Celebration Committee particularly to Sri Lakshmi Kanta Saikia, M.L.A. its President, Sri Ramesh Sahariah, M.L.A., Sri Durga Prasad Khargharia of Tangla, Sri Bahadur Basumatari, M.L.A., Sri Hasimuddin Ahmed, M.L.A., Sri Upen Das, Minister of Fisheries, Smti. Anowara Taimur, State Minister of Education, Sri Chandra Sarma, S.D.O. (Civil), Sri Golak Dutta, Assistant Registrar Cooperative and other Government officers of the sub-division, Sri Giasuddin Ahmed, Chief Executive Councillor, generous doners, my staff members and other College employees and my students for helping me in organising the celebration.

I am also grateful to Sri L.P. Singh, Governor of Assam, Sri Sarat Ch. Singha, Chief Minister of Assam and Dr. Hitendra Barua, the Vice-Chancellor of Gauhati University, Dr. Mathura Nath Goswami, Ex-Vice-Chancellor of Gauhati University, Sri Hiteswar Saikia, the Home Minister and others including the ex-students for their kind consent to participate in the celebration in various capacities.

I ask also for apology for our omisions and commissions.

# স্মৃতি তৰ্পণ

মঙ্গলদৈ মহাবিদ্যালয়ৰ লগত ঘনিষ্ঠভাৱে জড়িত থকা কেইবা গৰাকী ব্যক্তি আজি ইহ জগতত নাই ; কিন্তু, মহাবিদ্যালয়ৰ ঘটনা প্ৰবাহৰ লগত তেওঁ-লোক আজিও অমৰ হৈ আছে। সেই অমৰ ব্যক্তিসকলৰ কেইগৰাকী মান হ'ল---৺কুসুম কুমাৰ ফুকন (পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি), ৺বিপিন চন্দ্ৰ মেধি (সদস্য), ৺বদৰুদ্দিন আহমেদ (সদস্য), ৺বাসৱ চন্দ্ৰ বৰুৱা (সদস্য), ৺মুক্তি-নাথ গোস্বামী (সদস্য), ৺গঙ্গাধৰ ডেকা (সদস্য), ৺ভোগৰাম পাটোৱাৰী (সদস্য), ৺দীননাথ চহৰীয়া (সদস্য), ৺ৰকবুল আলি (অংশ কালীন অধ্যাপক), ৺ধৰ্মনাথ শাস্ত্ৰী (অবৈতনিক অধ্যাপক), ৺কে. এম. পাণিকৰ (অধ্যাপক), ৺পদ্মনাথ গোস্বামী (চাৰ্টেৰাৰ---কলেজৰ প্ৰথম অৱস্থাত গৃহ নিৰ্মাণ আদিৰ আঁচনি কৰোঁতা), ৺ৰজনীকান্ত শৰ্মা (প্ৰথম দান আগবঢ়াওঁতা), ৺কৰিম বক্স (বিশিষ্ট দাতা), ৺ফণী ভূষণ বসু (বিশিষ্ট দাতা), ৺জনাৰাম কলিতা (কলেজ কৃষি পামৰ প্ৰথম উদ্যোক্তা খেতিয়ক)।

এই বছৰ হঠাতে আমাৰ মাজৰ পৰা নাইকিয়া হ'ল প্ৰাক্তন অধ্যাপক হৰকান্ত মহন্ত দেৱ আৰু আমাৰ প্ৰাক্ বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ মৰমৰ তাৰানাথ বৰা বোপা। ৺তাৰানাথ বৰা কলাইগাঁওৰ শ্ৰীসজুৰা বৰাৰ পুত্ৰ। তেওঁ ১৯৭৪ চনত আমাৰ কলেজত ভৰ্তি হয়।



শিক্ষাবিদ ৺মহন্তৰ ঘৰ আছিল সেৰগাঁৱত। তেওঁ আমাৰ কলেজ প্ৰতিষ্ঠিত হোৱাৰ পিচৰ বছৰ-টিতে তৰ্কশাস্ত্ৰৰ অধ্যাপক হিচাপে যোগদান কৰেহি আৰু ইয়াত প্ৰায় চাৰি বছৰ কাল সুখ্যাতিৰে অধ্যাপনা কৰাৰ পাছত সেৰগাঁৱলৈ যায়। তেওঁ তাত 'কমল দুৱৰা কলেজ' প্ৰতিষ্ঠা কৰি মৃত্যুৰ সময়লৈকে তাৰ প্ৰতিষ্ঠাতা অধ্যক্ষ হিচাপে কাম কৰি থাকে। এই ডেকা শিক্ষাবিদ গৰাকীৰ মৃত্যু একল আমাৰ কাৰণেই নহয়, দেশৰ কাৰণেও এক ডাঙৰ ক্ষতি।


৺হৰকান্ত মহন্ত এম.এ.বি.এল.

আজি আমি মহাবিদ্যালয়খনৰ এই পবিত্ৰ দিনটোত বিদ্যালয়খনিৰ কুশল কামনা কৰা এই ব্যক্তিসকলৰ উপৰিও, আন যিসকল ব্যক্তি আৰু ছাত্ৰ ইহ জগতত নাই, সেইসকলো স্বৰ্গগত ব্যক্তিৰ আত্মাৰ সদগতিৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

# সূচী-পত্ৰ



| | |
|---|---|
| যুগে যুগে তুমি বিজয়িনী<br>শ্ৰীভবানন্দ ৰাজখোৱা এম-এ | ১ |
| দৰঙীয়া লোকসঙ্গীতত চেপাত্‌লীয়া<br>আচাৰ্য্য শ্ৰীমনোৰঞ্জন শাস্ত্ৰী | ৩ |
| মঙ্গলদৈৰ ওজাপালি গীত আৰু বিবিধ পূজা অনুষ্ঠান<br>শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, এম-এ | ১৬ |
| প্ৰফেচাৰ পি, টি, ৰায় : এটি আদৰ্শ<br>শ্ৰীতপেশ্বৰ শৰ্ম্মা, বি-এল | ২৬ |
| শিশু-কবি ধনাই বৰা<br>শ্ৰীগজেন্দ্ৰ নাথ চহৰীয়া | ৩০ |
| চিত্ৰকলা : ইয়াৰ উৎপত্তি আৰু ক্ৰম বিকাশ<br>শ্ৰীৰণেন্দু সেন, এম-এ | ৩৪ |
| মঙ্গলদৈৰ খটৱা সত্ৰ<br>শ্ৰীজীৱন চন্দ্ৰ শৰ্ম্মা, এম-এ | ৪২ |
| মঙ্গলদৈ কলেজৰ আৰম্ভণি : স্মৃতি ৰোমন্থন<br>শ্ৰীজীৱন চন্দ্ৰ শৰ্ম্মা | ৪৮ |
| মঙ্গলদৈ কলেজৰ স্মৃতি<br>শ্ৰীকৰুণা কান্ত শৰ্ম্মা, এম-এ | ৫১ |
| মঙ্গলদৈ কলেজত মোৰ উনৈশটা বছৰ<br>শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা, এম-এ | ৫৩ |
| মঙ্গলদৈ মহাবিদ্যালয় : ক্ৰম বিকাশৰ এটি সোঁৱৰণ<br>শ্ৰীদণ্ডীৰাম দত্ত | ৫৯ |
| মঙ্গলদৈৰ বিবাহ উৎসৱ আৰু তাৰ আনুষঙ্গিক গীত-মাতবোৰ<br>শ্ৰীপ্ৰদীপ ৰায় বৰুৱা | ৬১ |
| মঙ্গলদৈ কলেজৰ সাহিত্য চ'ৰা : এটি জিলিকনি<br>শ্ৰীমতী নাহাৰুণ নেছা, এম-এ | ৬৬ |
| খেলা-ধূলাত মঙ্গলদৈ কলেজ<br>শ্ৰীমুকুট আলি, এম-এ | ৬৯ |
| নতুন দিনত পুৰণিৰ সোঁৱৰণ<br>কানন বৰদলৈ, এম-এ, বি-টি | ৭২ |
| মঙ্গলদৈ কলেজ গঢ়োঁতা ব্যক্তিসকলৰ কেইজনমানৰ চমু পৰিচয় | ৭৭ |
| মহাবিদ্যালয়ৰ প্ৰতীকৰ তাৎপৰ্য্য | ৮০ |
| সম্পাদকীয় | ৮১ |
| মঙ্গলদৈ মহাবিদ্যালয় সঙ্গীত | ৮৩ |

# ১৯৫৫-৫৬ চনৰ গভাৰ্ণিং বডীৰ একাংশ



(বাওঁফালৰ পৰা চকীত বহি) শ্ৰীৰামেশ্বৰ শৰ্মা (সম্পাদক), শ্ৰীপুৰন্দৰ শৰ্মা (অধ্যক্ষ), ৺কুসুম কুমাৰ ফুকন (সভাপতি), শ্ৰীতপেশ্বৰ শৰ্মা, শ্ৰীগুৰুলাল ঘোষ। থিয় হৈ (বাওঁফালৰ পৰা) সৰ্বশ্ৰীযোগেশ্বৰ বৰুৱা (চকীদাৰ), সন্তোষ দাস গুপ্ত, ৺বদৰুদ্দিন আহমেদ, ৺বাসৱ চন্দ্ৰ বৰুৱা, মহচিন আলি (কাৰ্য্যালয় সহায়ক), যোগেশ্বৰ কলিতা (পিয়ন)।

# ১৯৫১ চনৰ ছাত্ৰ আৰু অধ্যাপক



অধ্যাপক সকল (চকীত বহি বাওঁফালৰ পৰা) শ্ৰীসতোশ দাস গুপ্ত, শ্ৰীভৱানন্দ বাজখোৱা, শ্ৰীসদাশিৱ চক্ৰৱৰ্ত্তী, ৺বকলুন আলি, ৺ভৱকান্ত মহন্ত, শ্ৰীকমলা কান্ত শৰ্মা, শ্ৰীজীৱন চন্দ্ৰ শৰ্মা (কাৰ্যালয় সহায়ক)।

# যুগে যুগে তুমি বিজয়িনী

শ্ৰীভদ্ৰানন্দ ৰাজখোৱা, এম. এ,
প্ৰাক্তন অধ্যাপক ।

(১)

অৰুণ পুৱাৰ সেন্দুৰ নামিল,
পখীৰ কোমল কাকলি ফুটিল,
ফুলৰ সৌৰভ উপচি পৰিল
আকাশে-বতাহে ছানি ;
প্ৰকৃতি-বুকুৰ কুঁৱলী গুচাই
চকুৰ কাজল কোনে আঁতৰাই
পৰাণ পমাই আনিলে নমাই
সৰগৰ মন্দাকিনী ।
পুজাৰ লখিমী চিনিছোঁ তোমাক
আঁউসী-ৰাতিৰ শাৰদী জোনাক
সপোন-সুৰীয়া অসমীয়া ভাষা
যুগে যুগে তুমি বিজয়িনী !

(২)

এদিন আমাৰ কিচোনো নাছিল,
পথাৰ ভৰাই সোণ্ নামিছিল,
আছিল চহাৰ নদন্-বদন্
সুখৰ সংসাৰধ্বনি ;
মাছৰ চমক্ লুইতৰ পানীত,
বালিচন্দাবোৰ ফাগুন-বালিত,
কামধেনু যেন গাইৰ গাখীৰে
আছিল অমৃত জিনি ।
দেহৰ, মনৰ ভোগ আঁতৰিল,
মাতমাৰি হ'লে আজিও থাকিল,
সপোন-সুৰীয়া অসমীয়া ভাষা
যুগে যুগে তুমি বিজয়িনী !

(৩)

পকা কেতেকীৰ গোন্ধ নাইকিয়া,
জেতুকাৰ সেই বোল নাইকিয়া
ঘৰে ঘৰে আজি বিহু উছৱৰ
উকা উকা আগমনি ;
বিহুৱান নাই, নাই বিহু-নাম,
টকা, পেঁপা, ঢোল ক'ত আৰু পাম,
কুহুম নোহোৱা চাটিকপলীয়া
আজি হায় হাঁহ-কণী !
যুগল গুৰুৰ আদৰ কমিল,
অসমীয়া মাত তথাপি থাকিল,
সপোন-সুৰীয়া অসমীয়া ভাষা
যুগে যুগে তুমি বিজয়িনী !

(৪)

শোণিতপুৰৰ, প্ৰাগ্‌জ্যোতিষৰ
বাণ, ভগদত্ত, নৰকাসুৰৰ
জুইকুৰা যেন জিভাৰ আগত
প্ৰলয়-মেঘৰ ধ্বনি ;
বাণ-তনয়াৰ সুন্দৰ সপোন,
কুণ্ডিল-কন্যাৰ প্ৰেমৰ কান্দোন,
ভাস্কৰবৰ্ম্মাৰ প্ৰাণৰ আপোন
পৰম ধৰ্ম্মৰ বাণী
সন্ধ্যাতে তোমাৰ জেউতি চৰিল,
তোমাৰে মোহিনী মমতা নামিল,
সপোন-সুৰীয়া অসমীয়া ভাষা
যুগে যুগে তুমি বিজয়িনী !

(৫)

ডাকৰ বচন, তন্ত্ৰ-মন্ত্ৰত,
মহাপুৰুষৰ মোহনভোগত
ভোগজৰা ঢালি দিলা তুমি আই
চেনেহৰ সোণ্-পানী ;
পৰ্বত-ভৈয়াম তুমিয়ে জিনিলা,
অসমীয়া জাতি তুমিয়ে গঢ়িলা,
কীৰ্তন, জিকিৰ তুমিয়ে মিলালা
জীৱনৰ শান্তিয়নী।
তোমাৰেই মউ-বিচনী আঁৰত
জুৰ্ লওঁ আই ব'হাগী-জহত,
সপোন-সুৰীয়া অসমীয়া ভাষা
যুগে যুগে তুমি বিজয়িনী !

(৬)

হেৰাব বুলিয়ে অসমীয়া মাত
মোমাই-তেজেৰে ৰঙা কৰি হাত
জাচিতে সিদিনা নতুন যুগৰ
শুনালে অভয়-বাণী ;
মণি, পিয়লিৰ, জয়াৰ, মূলাৰ
তপত তেজৰ ফুলিল মদাৰ
তোমাৰ পূজাৰ সফল লগন
বিফল যে হ'ল জানি।
হেম, আনন্দৰ, গুণাভি, চন্দ্ৰৰ,
লখিমী, পদুম, কমলাকান্তৰ
সপোন-সুৰীয়া অসমীয়া ভাষা
যুগে যুগে তুমি বিজয়িনী !

(৭)

কত হাহাকাৰ-হুৰুকা আছিল,
অসমীয়া মাত তেওঁতো থাকিল,
মউ-মিঠা মোৰ ভাষাই জিনিলে
মন্দাকিনীৰ বাণী ;
জঁই পৰি গ'ল ৰাজ্-দৰবাৰ
চিৰচেনেহৰ ভাষাতে আমাৰ
মহাপুৰুষৰ মুকলীধাৰীৰ
মধুৰ মহিমা গুনি।
চিৰ সুন্দৰৰ শুভ আশীষতে
মহাপুৰুষৰ সেই ধৰমতে
সপোন-সুৰীয়া অসমীয়া ভাষা
যুগে যুগে তুমি বিজয়িনী !

(৮)

তুমি আছা আই সুদিন ঘূৰিব
মানিকীমধুৰী জহা উপচিব,
লখিমী-হাতেৰে জাতিটোৰ গাত
দিয়া মৃত-সঞ্জীৱনী ;
অতীতৰ সেই অসম জগোঁৱা,
তোমাকেই আই বৰ ভাল পোৱা
কলিজা চিৰিও তোমাকে সজোৱা
মৰণ-কালিমা জিনি।
ধৰ্ম, অৰ্থ, কাম, মোক্ষ তুমি হোৱা,
জনমে জনমে আই তুমি হোৱাঁ,
আমাৰ মাজেৰে হোৱাঁ যেন আই
যুগে যুগে তুমি বিজয়িনী !

+++

# দৰঙ্গীয়া লোকসঙ্গীতত ঢেপাচুলীয়া

আচাৰ্য্য শ্ৰীমনোৰঞ্জন শাস্ত্ৰী

**কৃষ্টি আৰু সংস্কৃতি**

একেটা ক্ৰিয়াৰ বাৰম্বাৰ আচৰণ বা আবৃত্তিক কৰ্ষণ বা কৃষ্টি বোলা হয়। সেই কৃষ্টিৰ (কৰ্ষণৰ) ফলস্বৰূপে সেই ক্ৰিয়াত কাৰকস্বৰূপে, বিশেষকৈ কৰ্ম আৰু কৰণ কাৰকৰূপে নিযুক্ত (ব্যাপৃত) পদাৰ্থছিত যি সংস্কাৰ, ক্ষমতা বা সামৰ্থ্যৰূপ অদৃষ্ট যোগ্যতা আহিত (উৎপন্ন) হয়, তাকেই বোলে সংস্কৃতি। কৃষি কৰ্মৰ (খেতিৰ) ক্ষেত্ৰত হালবোৱা বা কোৰ-মৰা ক্ৰিয়াৰ আবৃত্তিটোৱে কৃষ্টি আৰু তাৰ ফলত মাটিৰবাত উৎপন্ন হোৱা বীজ প্ৰৰোহৰ (শস্য উৎপন্ন হোৱাৰ) উপযোগী যি সংস্কাৰ, ক্ষমতা বা যোগ্যতা সেয়ে সংস্কৃতি। সেইদৰে লিখা-পঢ়া শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ্থীজনে যি লিখা-পঢ়া ক্ৰিয়াৰ বাৰম্বাৰ আচৰণ কৰে তাৰ নাম কৃষ্টি বা কৰ্ষণ আৰু লিখা-পঢ়া ক্ৰিয়াৰ বাৰম্বাৰ আবৃত্তিৰ ফলত তাৰ অন্তঃকৰণ (মন) আৰু হাত-মুখ আদি কাৰকবিলাকত লিখা-পঢ়াৰ উপযোগী যি ক্ষমতা বা পটুতাৰূপ অদৃষ্ট সংস্কাৰ (যোগ্যতা) ওপজে সেই-টোৱে সংস্কৃতি।

কোনো এখন দেশৰ বা কোনো এটা অঞ্চলৰ অধিবাসী প্ৰায়বিলাক লোকে অথবা কোনো এটা জাতিৰ বেছিভাগ লোকে পুৰুষ পৰম্পৰাভাৱে যদি একেটা ক্ৰিয়াৰ একে প্ৰকাৰে আচৰণ কৰি থাকে তেনে আচৰণ ৰূপ কৃষ্টিৰ ফলস্বৰূপে সেই দেশীয়, সেই অঞ্চলগত বা সেই জাতীয় লোকৰ ভিতৰত, সেই ক্ৰিয়া-আচৰণৰ প্ৰবৃত্তি প্ৰবাহ হয়,—সেই কৰ্মাচৰণত ৰুচি আৰু তেনেকুৱাভাৱে সেই কৰ্মানুষ্ঠানৰ ক্ষমতা বা দক্ষতাৰূপ সংস্কৃতি সুদৃঢ় হয়। দেশগত, অঞ্চলগত আৰু জাতিগত হোৱা হেতুকে সেই কৃষ্টি আৰু সংস্কৃতি দেশীয় কৃষ্টি-সংস্কৃতি, আঞ্চলিক কৃষ্টি-সংস্কৃতি অথবা জাতীয় কৃষ্টি-সংস্কৃতিৰূপে পৰিগণিত হয়।

গছৰপৰা গুটি আৰু গুটিৰ পৰা গছ হোৱাৰ দৰে কৃষ্টিৰ পৰা সংস্কৃতি আৰু সংস্কৃতিৰ পৰা কৃষ্টি হয়। যোনে যি কৰ্ম কৰে তাৰ ফলস্বৰূপে তাৰ অন্তঃকৰণ (মন) আৰু দেহত সেই কৰ্ম সংস্কাৰ (সংস্কৃতি) আহিত (সঞ্চিত) হয়। সেই কৰ্ম্ম সংস্কাৰৰ ফলস্বৰূপে আকৌ তাৰ সেই কৰ্মাচৰণত ৰুচি আৰু প্ৰবৃত্তি (কৃষ্টি) ওপজে। তাৰ নিজৰ সেই সংস্কৃতি (কৰ্ম সংস্কাৰ) নাথাকিলেও যি যাৰ পৰা, যি সমাজত ওপজে সেই পিতা-মাতাৰ আৰু সেই সমাজৰ সংস্কৃতিয়ে (কৰ্ম-সংস্কাৰে) তাক সেই কৰ্মাচৰণত (সেই কৃষ্টি ৰসানুসৰণত) প্ৰেৰণা যোগায়।

বস্তু (কাৰ্য) নিৰ্মাণ কৰাৰ যি ব্যক্তিগত ক্ষমতা (শক্তি) বা কৰ্তৃত্ব (স্বাতন্ত্ৰ) তাৰেই নাম 'কলা'। ইয়াকে 'হুনাৰ' প্ৰতিভা আৰু সৃজনী শক্তিও বোলা হয়।

**কলা**

কৃষ্টি-সংস্কৃতিৰ ফলস্বৰূপে কলাৰ বিকাশ (উন্মেষ) ঘটে; অৰ্থাৎ মানৱৰ স্বতন্ত্ৰ কৰ্তৃত্ব শক্তিৰ (সৃষ্টি শক্তিৰ) উন্মেষ বা জাগৰণ হয়। তেতিয়া সি সেই জাগ্ৰত শক্তিৰ যোগেদি নতুন নতুন বস্তু (কাৰ্য) নিৰ্মাণ কৰে, পুৰণিক নতুন ৰূপে ৰূপায়িত কৰি (গঢ়ি) তোলে।

জগতত যিমান বিলাক আনন্দ উপভোগৰ প্ৰক্ৰিয়া বা ভোগবিলাসৰ সামগ্ৰী সৃষ্ট বা উদ্ভাৱিত হৈছিল, হৈছে আৰু হ'ব–সেই সকলোৰে মূলাধাৰ শক্তি বা মূল উৎস 'কলা'। সেয়ে বিভিন্ন কৃষ্টি-সংস্কৃতিৰূপ সুৰিৰে বহুমুখে বিকশিত হৈ আহি ত্ৰিতাপসন্তপ্ত, সুখ-তৃষ্ণাতুৰ মানৱসমাজক ৰসসিক্ত আৰু পৰিতৃপ্ত কৰি ৰাখিছে।

**কলাৰ অধিষ্ঠাত্ৰী দেৱী 'সৰস্বতী'**

সেই কাৰণে ৰসৰ আধাৰ বা আনন্দসমুদ্ৰ স্বৰূপ কলাৰ অধিষ্ঠাত্ৰী দেৱীজনাক 'সৰস্বতী' (ৰসসৰোবৰৰ অধিকাৰিনী) বোলা হয়।

প্ৰাচীন কামৰূপ দেশৰ অন্তৰ্গত, পূবে ধনশিৰি নৈ মতান্তৰে পাঁচনৈ, পশ্চিমে পুঠিমাৰি নৈ (ভেখেইতৰা), উত্তৰে ভোটৰাজ্য আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ নদৰ দ্বাৰা

**দৰঙীয়া কৃষ্টি সাংস্কৃতি আৰু কলা**

বেষ্টিত অঞ্চল দৰং নামেৰে পৰিচিত আছিল। সেই দৰং অঞ্চলৰ অধিবাসী লোক সমাজত প্ৰচলিত কৃষ্টি আৰু সংস্কৃতিক 'দৰঙীয়া কৃষ্টি' আৰু 'দৰঙীয়া সংস্কৃতি' বোলা হয়। সেই দৰঙীয়া নামেৰে উল্লেখযোগ্য কৃষ্টি-সংস্কৃতিৰ যোগেদি বিকাশপ্ৰাপ্ত, দৰং অঞ্চলত আবিৰ্ভূত কৃতী শিল্পী সকলৰ সৃজনী শক্তিয়েই (কলাই) দৰঙীয়া কলা নামেৰে পৰিচিত। সেই দৰঙীয়া নামেৰে পৰিচিত, স্বতন্ত্ৰ সৃজনী শক্তিৰ দ্বাৰা সৃষ্ট বা উদ্ভাসিত, বিশেষ বিশেষ আনন্দ উপভোগৰ প্ৰক্ৰিয়া বা বিশেষ ধৰণৰ ভোগ সামগ্ৰী বিলাককো 'দৰঙীয়া' প্ৰক্ৰিয়া (ধৰণ) বা দৰঙীয়া সামগ্ৰী (সা-সজুলি) বোলা হয়।

**সংগীত**

নৃত্য-গীত-বাদ্য এই তিনিটাক তৌৰ্যত্ৰিক বোলা হয়। এই তৌৰ্যত্ৰিকৰ (নৃত্য-গীত-বাদ্যৰ) যথোচিত সমাৱেশক বোলা হয় সঙ্গীত। এই সঙ্গীত যে আনন্দ উপভোগৰ উত্তম প্ৰক্ৰিয়া আৰু ভোগ-বিলাসৰ উৎকৃষ্ট সামগ্ৰী এই কথা সৰ্বজন স্বীকৃত।

সোঁ আঁঠুটোৰ ওপৰত সোঁহাতৰ তলুৱাখন দ্ৰুতভাৱে এপাক ঘূৰোৱাত যিমানখিনি সময় লাগে সিমানখিনি সময়ক একমাত্ৰা বোলা হয়। 'ক' আখৰটোৰ উচ্চাৰণ কৰোঁতে একমাত্ৰা সময় লাগে।

**মাত্ৰা, পদ্য, গীত, বাদ্য আৰু নৃত্য**

(১) যি বাক্যৰ উচ্চাৰণ বা আবৃত্তি মাত্ৰাসংখ্যাৰ অথবা বৰ্ণ সংখ্যাৰ দ্বাৰা নিয়ন্ত্ৰিত হয় তাক বোলে পদ্য। (২) তন্ত্ৰী (তাঁৰ যন্ত্ৰ), সুশীৰ (বাঁহি আদিবাদ্য) যন্ত্ৰ আৰু প্ৰাণী কণ্ঠৰ স্বৰ মাত্ৰা সংখ্যাৰ দ্বাৰা নিয়ন্ত্ৰিত হলে তাক বোলে গীত বা গান। (৩)

যি কোনো ধ্বনি (আৱাজ) মাত্ৰাসংখ্যাৰ দ্বাৰা নিয়ন্ত্ৰিত হলে তাকে বোলে বাদ্য বা বাজনা। (৪) মাত্ৰা সংখ্যাৰ দ্বাৰা নিয়ন্ত্ৰিত অঙ্গ সঞ্চালনৰ নাম নৃত্য বা নাচন। (১) পদাত নিয়ত মাত্ৰাসংখ্যা বা বৰ্ণ সংখ্যা বিশেষ অথবা পদাগত মাত্ৰা-সংখ্যা বা বৰ্ণ সংখ্যাৰ নিয়ম বিশেষৰ নাম ছন্দ,। (২) গীতগত মাত্ৰাসংখ্যা নিয়ম বিশেষৰ নাম 'সুৰ' বা 'স্বৰ'। (৩) বাদ্যগত (বাজনাত প্ৰযুক্ত) মাত্ৰাসংখ্যা নিয়ম বিশেষ বা নিয়ত মাত্ৰাসংখ্যা বিশেষক বোলা হয় 'তাল'। (৪) নৃত্যত (অঙ্গ সঞ্চালনত) প্ৰযুক্ত, নিয়ত মাত্ৰাসংখ্যা বিশেষ বা মাত্ৰাসংখ্যা নিয়ম বিশেষ 'লয়' নামেৰে অভি-হিত হয়। গতিকে সাক্ষাদ্‌ভাৱে (মুখ্যভাৱে) ছন্দ পদাৰ, সুৰ বা স্বৰ গীতৰ, তাল বাদ্যৰ আৰু লয় নৃত্যৰহে ধৰ্ম। তথাপি সঙ্গীতৰ ক্ষেত্ৰত সকলোৱে একত্ৰ সমা-বেশ হয় হেতুকে তাৰফলত নৃত্যগীত বাদ্য এই তিনিওটাতে সুৰ-ছন্দ-লয় আৰু তালৰ সম্পৰ্ক (সম্বন্ধ) ঘটে আৰু ইটোৰ ধৰ্মও আনটোৰ ধৰ্মস্বৰূপে প্ৰতীত তথা গৌণভাৱে অভিহিত হয়।

ছন্দ, সুৰ, তাল আৰু লয়

দৰং অঞ্চলত স্মৰণাতীত কালৰ পৰা প্ৰচলিত, বিবিধ লোকসঙ্গীতৰ ভিত-ৰত ঢেপা ঢুলীয়া বিশেষভাৱে উল্লেখযোগ্য এই কাৰণে যে এইবিধ সঙ্গীতৰ প্ৰচলন আন ঠাইত দেখা নাযায়। দৰঙীয়া লোকৰ বিবাহ উৎসৱ বা অন্যান্য আনুষ্ঠানিক সংস্কাৰ কৰ্মত (চূড়াকৰণ, উপনয়ন, বৃক্ষ প্ৰতিষ্ঠা, পুষ্কৰিণী প্ৰতিষ্ঠা আদিত) ঢেপা-ঢুলীয়া আৰু কালীয়া অপৰি-হাৰ্যৰূপে বিবেচিত। আন ঠাইতো তেনে উৎসৱত ঢুলীয়া কালীয়াৰ প্ৰচলন আছে যদিও সেই ঢুলীয়া আৰু দৰঙীয়া ঢেপা-ঢুলীয়া একে নহয়, বেলেগ। কামৰূপৰ ঢুলীয়াৰ নিচিনা ঢুলীয়াও দৰংত আছে। তাক 'বৰ ঢুলীয়া' বোলা হয়।

দৰঙীয়া ঢেপা-ঢুলীয়া

দৰঙীয়া ঢোল তিনি প্ৰকাৰৰ (১) বৰঢোল (২) দেৱঢোল বা জয়ঢোল (৩) ঢেপাঢোল।

(১) বৰ ঢোল আৰু বৰ ঢুলীয়াৰ স্বৰূপ আৰু কাৰ্য (কৌশল প্ৰদৰ্শন) কাম-ৰূপত প্ৰচলিত ঢোল আৰু ঢুলীয়াৰ লগত একে। ভাওৰ ভাওৰ সবাহ, দৌল, দুৰ্গোৎসৱ আদিত বিশেষ আকৰ্ষণ হিচাবে এইবিধ (বৰঢুলীয়া) লোকসঙ্গীতৰ প্ৰয়োগ কৰা হয়।

বৰঢুলীয়া

(২) দেৱঢোল বা জয়ঢোল বৰঢুলীয়াৰ ব্যৱহাৰত পালি ঢোলতকৈয়ো সৰু আৰু চুটি। আসমৰ দেৱালয় বিলাকত প্ৰচলিত পূজা উৎসৱত, তথা দেৱধা-দেৱধনী আৰু দেৱদাসী নৃত্যত আৰু ৰাজকীয় বা ৰাজহুৱা ঘোষণা প্ৰচাৰত (ঢ়ইলাজাৰি কৰাত) এইবিধ ঢোল আৰু ঢুলীয়াৰ ব্যৱহাৰ কৰা দেখা যায়। দৰংতো ওপৰত উল্লেখিত কাৰ্যত এইবিধ ঢোলৰ প্ৰয়োগ কৰা হয়। বিশেষকৈ ৺দুৰ্গাপূজা, ৺মনসা পূজা আদি শক্তি পূজাৰ বিশেষ বিশেষ মুহূৰ্তত আৰু দেৱধানী নৃত্যত যাৰৈ গোৱা ওজা-পালিৰ দ্বাৰা ভোড়তাল সঙ্গতি সহকাৰে কৰা এই ঢোলৰ প্ৰয়োগ (প্ৰদৰ্শন) অতি আৱশ্যকীয় বুলি বিবেচিত আছিল।

দেৱঢোল বা জয়ঢোল

(ঙ) ওপৰত উল্লিখিত দুয়োবিধ ঢোলতকৈ ঢেপাঢোলৰ আকৃতি প্ৰকৃতি বেলেগ। ই প্ৰায় দুই হাত দীঘল, ইমূৰৰ পৰা সিমূৰলৈ ক্ৰমশঃ সৰু। সোঁহাতৰ মূৰটোৰ বেৰ প্ৰায় দুই হাত আৰু বাওঁহাতৰ মূৰটোৰ বেৰ প্ৰায় চোৰা এক হাত।

**ঢেপাঢোল**

গুৱাহাটীৰ ওচৰে-পাজৰে থকা কোনো কোনো জনজাতীয় লোক-সকলৰ মাজতো এনে আকৃতিৰ ঢোল দেখা যায়। এই ঢোলৰ দুয়ো মূৰ একাধিক তৰপ ছাগলী চালেৰে ছিৰোৱা হয়। সোঁহাতত পিনৰ ওপৰৰ তৰপ ছাৱনিত কেঞ্চা আঙুলিৰ মূৰৰ সমান এটা ছিদ্ৰ (ফুটা) ৰখা হয়। মাজে মাজে সেই ছিদ্ৰেৰে ছাৱনিৰ ভিতৰত পানী সোমাই দিয়ে। তাৰ ফলত ছাৱনিৰ দুয়ো তৰপ চাল সেমেকি উঠে আৰু তাত আঘাত কৰিলে শব্দটো মেঘৰ গৰ্জনৰ দৰে গুৰু-গম্ভীৰ হৈ উঠে। এই ঢোলো বৰ ঢোলৰ দৰে সোঁহাতৰ পিনৰ তালীত এডাল এমূৰ ধেনুভেঁজীয়া মাৰিৰে আৰু বাওঁহাতৰ পিনৰ তালীত হাতেৰে বজোৱা হয়। দেহ ঢোল বজোৱা মাৰি বেঁকা নহয়, পোন।

এযোৰা ঢেপা ঢুলীয়াত অৰ্থাৎ ঢেপা ঢুলীয়াৰ দল এটাত সাধাৰণতে ছজন বা আঠজন লোক থাকে, ঢুলীয়া দুজন আৰু তালুৰৈ চাৰিজন বা ছজন। তাৰে



ঘাই ঢুলীয়া বা গায়ন এজন, পালি ঢুলীয়া বা পাচ ঢুলীয়া এজন। আগ তালুৰৈ ২ জন আৰু পাচ তালুৰৈ ৪ জন বা ৫ জন। ঢুলীয়া দুজনৰ

**ঢেপাঢুলীয়াৰ দল**

প্ৰত্যেকে একোটাকৈ ঢোল বজায়, তালুৰৈবিলাকে তাৰ লগত সঙ্গতভাৱে জোৰ তাল বজায়। ঘাই ঢুলীয়াজনে গান জগাই দিয়া হেতুকে তেওঁক গায়নো বোলা হয়।

আগত উল্লিখিত বিবাহ আদি কৰ্মৰ অধিবাস, পানীতোলা, সুৱাগ তোলা, দৰা-কইনা ধুৱোৱা নোৱোৱা, আগবঢ়োৱা, কৰ্মৰ আৰম্ভ, সামৰণি আদিৰ

ঢেপাঢুলীয়াৰ প্ৰয়োগ

সময়ত, ঢুলীয়াই সেই কৰ্মৰ লগত সঙ্গতি ৰাখি সঙ্গীত প্ৰদৰ্শন কৰে। দৰা ঘৰীয়া ঢুলীয়া বৰযাত্ৰীৰ লগত কন্যা ঘৰলৈ যায়। কইনা ঘৰত দৰা উপস্থিত হোৱাৰ পাচত বিবাহকাৰ্য্য আৰম্ভ হলে বিয়া মণ্ডপৰ অনতিদূৰত কইনাঘৰীয়া ঢুলীয়া আৰু বৰঘৰীয়া (দৰাঘৰীয়া) ঢুলীয়াই পাল পাতি (পাল বদলাকৈ) তেওঁবিলাকৰ কলা-কৌশল প্ৰদৰ্শন কৰে।

প্ৰায়বিলাক বিয়াতে দৰাঘৰীয়া আৰু কইনাঘৰীয়া ঢুলীয়া দুয়ো দলৰ মাজত কলাকৌশল প্ৰদৰ্শনত আৰিয়া-আৰি বা প্ৰতিদ্বন্দ্বিতা হয়। সেই গীত-বাদ্য-নাচনৰ প্ৰতিযোগিতাক ঢুলীয়াৰ 'খুঁজ' (প্ৰতিদ্বন্দ্বিতা) লগা বোলে।

ঢুলীয়াৰ খুঁজ

তেনে খুঁজ বা প্ৰতিদ্বন্দ্বিতা দৰ্শক সমাজেও লগাই দিয়ে। তাত নাচ-গান-বাজনাৰ দ্বাৰা এদলে আন দলক পৰাজিত কৰি জয়ী হোৱাৰ প্ৰচেষ্টাত বাদী-প্ৰতিবাদীৰূপে দুয়ো দলে পাল বদলাকৈ কলাকৌশল (সঙ্গীত) প্ৰদৰ্শন কৰে। দৰ্শক বাইজৰ পক্ষৰ পৰা বিজয়ী পক্ষক দিবলৈ বুলি এটা বঁটা (পুৰস্কাৰ),---তামোলৰ থোক এটা আৰু পাণ এগুছিৰে সৈতে কেইটামান টকা আৰু ফুলাম গামোছা এখন আগবঢ়াই বতাৰ মাজত ওলমাই ৰাখে।

প্ৰথমতে 'খুঁজ'ত অৱতীৰ্ণ হোৱা দলটোৱে এটা গান, এটা বিশেষ বাদী (বাজনা) আৰু এটা নাচন (খুটি নাচন, সৰকি নাচন বা গড়িয়া নাচন) দি সামৰণি মাৰে আৰু বহি জিৰণি লয়। তেওঁবিলাকৰ সামৰণিৰ ঠিক পাচতে প্ৰতিবাদী (প্ৰতিদ্বন্দ্বী) দলটোৱে উঠি ১ম পক্ষৰ গানৰ উত্তৰত এটা গান গায়, ১ম পক্ষই যি বাজনা (বাদী) মাৰিছিল, যি নাচন দিছিল সেই একেধৰণৰ বাজনা আৰু নাচনৰ দ্বাৰা তাৰ (প্ৰতিপক্ষৰ বাদী আৰু নাচনৰ) প্ৰতিবাদ (খণ্ডন) কৰি আন এটা বেলেগ বাজনা (বাদী) মাৰি আৰু বেলেগ নাচন দি প্ৰতিপক্ষক প্ৰত্যাহ্বান জনায় সামৰণি মাৰে আৰু জিৰণি লয়। ই পক্ষৰ জিৰণিৰ সময়ত সিপক্ষই উঠি আন এটা গান গায় আৰু পূৰ্ব্ববৰ্ত্তী পক্ষই সামৰণিৰ সময়ত যি বাদী (বাজনা) মাৰিছিল, যি নাচন দিছিল সেই একে ধৰণৰ বাদী আৰু নাচনেৰে তাৰ প্ৰত্যুত্তৰ দি নতুন বাদী আৰু নতুন এটা খুটি নাচন, সৰকি নাচন বা গড়িয়া নাচনেৰে সি পক্ষক প্ৰত্যাহ্বান জনাই সেই পালা (অধিবেশন) সামৰে। এইদৰে পাল বদলকৈ আৰিয়া-আৰিভাৱে দুয়োদলৰ খুঁজ নিশা শেষ পৰ্য্যন্ত চলি থাকে।

প্ৰতিপক্ষৰ বাদীৰ (বাজনাৰ) বা নাচনৰ সেই একে ধৰণৰ বাদী আৰু নাচনেৰে প্ৰত্যুত্তৰ দিব নোৱাৰিলে অথবা বিপক্ষৰ প্ৰতি নতুন বাদী নাচন আৰু গান আগবঢ়াব নোৱাৰিলে নাইবা, নিজে বা বিপক্ষই উপস্থাপিত কৰা বাদী নাচন বা গানৰ পুনৰাবৃত্তি কৰিলে তাক পৰাজয়ৰ হেতু (নিগ্ৰহস্থান) ৰূপে গণ্য কৰা হয়। নাচন বাদী বা গানত কেনা লাগিলে তাকো পৰাজয়ৰ হেতুস্বৰূপে গণ্য কৰা হয়।

অৱশেষত দৰ্শক ৰাইজৰ ভিতৰত যিসকল ঢেপাঢুলীয়াৰ বাদ্য (বাজনা) আৰু নাচ-গান বিষয়ে জনা বুজা লোক সেইসকলৰ মাজৰ মুখীয়ালসকলে বিবেচনা কৰি জয়-পৰাজয় নিৰ্ণয় আৰু ঘোষণা কৰে আৰু জয়ী পক্ষক বডাত ওলমাই থোৱা বঁটা (পুৰস্কাৰ) প্ৰদান কৰে।

অকল দৰং অঞ্চলতে নহয়, অসমৰ আৰু ভাৰতৰো বহুততে অন্যান্য কলা-কৌশল প্ৰদৰ্শনত বা সঙ্গীত প্ৰদৰ্শনতো কলাকাৰ-শিল্পী দলৰ মাজত প্ৰতিযোগিতা আৰু পৰস্পৰ অৰিয়া-অৰি বা প্ৰতিদ্বন্দ্বিতা (খুঁজ) লগা দেখা যায়। এই প্ৰসঙ্গত বঙ্গদেশৰ কবিগানত হোৱা তীব্ৰ প্ৰতিদ্বন্দ্বিতা (অৰিয়া-অৰি) বিশেষভাৱে উল্লেখযোগ্য। অসমৰ অন্যান্য অঞ্চলতো বিয়াত দৰাঘৰীয়া আৰু কইনাঘৰীয়া নামতী দলৰ মাজত আৰু ঢুলীয়া-কালীয়া আদি বাদ্যকাৰ দলৰ মাজত গীত বাদ্যৰ প্ৰতিদ্বন্দ্বিতা (খুঁজ) চলে। সেই প্ৰতিদ্বন্দ্বিতাত গীত-মাত আৰু বাদ্য-বাজনাৰ যোগেদি পৰস্পৰৰ মাজত নিন্দা ভৰ্ৎসনাও চলে। কিন্তু সেই প্ৰতিদ্বন্দ্বিতা দৰঙ্গীয়া ঢুলীয়া খুঁজৰ লেখিয়া চাঞ্চল্যকৰ আৰু তীব্ৰতৰ হৈ উঠা দেখা নাই।

দৰঙ্গীয়া ঢুলীয়া খুঁজৰ ক্ষেত্ৰত এনেকুৱা হয় যে, বিয়া শেষ হয়, ৰাতিও পুৱায়, দৰা-কইনা আৰু বৰযাত্ৰীসকল যাবলৈ ওলায়; কিন্তু ঢুলীয়াৰ খুঁজ নাভাঙে, কাৰো হাৰ-জিত নহয় হেতুকে, একপক্ষয়ো এৰিবলৈ ৰাজি নহয়। এনে অৱস্থাত ৰাইজে বঁটাটো উভয় পক্ষকে সমানে ভগাই দি খুঁজৰ সামৰণি ঘটায়। সেই ক্ষেত্ৰত বঁটাৰ গামোছাখন যদি কোনো পক্ষয়ে এৰি দিব নোখোজে; তেতিয়া বিয়াৰ গিৰিহঁতে আৰু এখন তেনেকুৱা গামোছা দি বিবাদৰ ওৰ পেলোৱাত সহায় কৰে। যদি গিৰিহঁতে তেনেকৈ আন এখন গামোছা নিদিয়ে তেতিয়া হলে ৰাইজে সেই এখন গামোছাকে সমমাজতে কাটি দুইআধ খন দুয়োদলক ভগাই দিয়ে। বঁটাৰ বাকি তামোল-পাণ আৰু টকাও তেনেকৈ সমানে ভগাই দিয়ে।

কেতিয়াবা এনেও হয় যে, ঢুলীয়াৰ খুঁজ নাভাঙিলে আৰু দৰ্শক ৰাইজে শেষ পৰিণতি চাবলৈ আগ্ৰহান্বিত হলে আভাৰত দৰাঘৰে কইনাঘৰীয়া ঢুলীয়াবোৰকো দৰাঘৰলৈ লগত লৈ আহে আৰু দৰাঘৰৰ বিয়াখলাত দীৰ্ঘ সময় ধৰি, কেতিয়াবা দুই-তিনি দিনলৈকে ঢুলীয়াৰ খুঁজ চলে। ৰাইজেও কাম-বন আনকি ভাত-পানীও এৰি একান্ত মনে তাক চাই পৰম আমোদ উপভোগ কৰে।

য'ত হাৰজিতৰ প্ৰশ্ন জৰিত থাকে, তেনেকুৱা অৰিয়া-অৰি বা প্ৰতিস্পৰ্দ্ধা সহকাৰে অনুষ্ঠিত যিকোনো প্ৰকাৰৰ খেল-ধেমালি বা কলা-কৌশল প্ৰদৰ্শন মানুহৰ বেচি আমোদজনক, অতি প্ৰিয়। সেই কাৰণে ফুটবল খেল, ক্ৰিকেট খেল আদিৰ প্ৰতি দৰ্শক সমাজ বেচি আকৃষ্ট হয়। ঢুলীয়াৰ খুঁজ চাবলৈয়ো সেই কাৰণেই সৰ্বসাধাৰণ লোক আকৃষ্ট হয়।

ঢুলীয়াৰ প্ৰদৰ্শিত কলা-কৌশল দেখি সামাজিক লোকৰ অন্তৰত ৰতি শোক আদি স্থায়ীভাবৰ উদ্ৰেক নহয়। বিস্ময় নামৰ স্থায়ীভাবৰ কিছু আবেশ ঘটে যদিও, সেই ভাব ৰস ৰূপে পৰিগণিত হ'বলৈ হলে যিমানখিনি

ঢুলীয়া সঙ্গীতৰ ৰস

পৰিপুষ্টি লাভ কৰিব লাগে সিমানখিনি পৰিপুষ্টি লাভ নকৰে। সেই কাৰণে ফুটবল খেলা, চাৰ্কাচৰ কৌশল আদিৰ দৰে ঢুলীয়াৰ সঙ্গীতত সামাজিকে যি আনন্দ বা আমোদ-উপভোগ কৰে তাক শাস্ত্ৰীয় পৰিভাষা অনুসৰি 'ৰস' বুলিব নোৱাৰি। গতিকে সেই ক্ষেত্ৰত সামাজিকৰ 'ৰসাস্বাদ হয়' বুলি নৈকি 'ভাৱাবেশ হয়' বুলি কোৱাটোহে সঙ্গত হয় যেন পাওঁ।

পৰস্পৰস্পৰ্দ্ধা (ভাবিয়া-আদি) সহকাৰে যি কৌশল প্ৰদৰ্শিত হয় তাত উৎকৰ্ষ-অপকৰ্ষ আৰু জয়-পৰাজয় জড়িত থাকে। উৎকৰ্ষ-অপকৰ্ষ বা হাৰ-জিত সম্ভাৱনাৰ ফলস্বৰূপে কৌশল প্ৰদৰ্শনত নিযুক্ত কলাকাৰ লোকৰ অন্তৰত নিৰ্বেদ (বৈৰাগ্য) গ্লানি, শঙ্কা, অসূয়া, দৈন্য, ত্ৰাস, সন্তোষ, গৰ্ব আদি ভাৱৰ উদ্ৰেক হয়। সেই ভাৱানুভূতি কলা-কৌশলৰ প্ৰভাৱত সাধাৰণীকৃত হৈ সহৃদয় (সহানুভূতিসম্পন্ন) দৰ্শক সামাজিকৰ হৃদয়লৈ সঞ্চাৰিত হয় আৰু তেওঁবিলাকে সেই ভাৱাবিষ্ট হৈ তাক উপভোগ কৰে। খেলুৱৈ সকলৰ উৎকৰ্ষ-অপকৰ্ষ বা জয়-পৰাজয় স্বগত হোৱা হেতুকে তাৰ ফলত তেওঁবিলাকৰ যি ধৰণৰ লৌকিক সুখ-দুখ বা হৰ্ষ-বিষাদৰূপ ভাৱোদয় হয়, সামাজিকৰ পক্ষে উৎকৰ্ষ-অপকৰ্ষ বা জয়-পৰাজয় ৰূপ বিষয়টো স্বগতৰূপে প্ৰতীত নহয় হেতুকে তাৰপৰা তেওঁবিলাকৰ অন্তৰত তেনেকুৱা লৌকিক সুখ-দুখ বা হৰ্ষ-বিষাদ ভাৱৰ উদয় নহয়। কলা কৌশলে উৎকৰ্ষ-অপকৰ্ষ জনিত বা জয়-পৰাজয় জনিত গৰ্ব-দৈন্য আদি ভাৱটিক, তাৰ ব্যক্তিগত সীমাবদ্ধ ৰূপটিক বাদ দি (আবৃত কৰি) সামাজিকৰ অন্তৰত উপস্থাপিত কৰে। অথবা জয়-পৰাজয়জনিত সুখাত্মক বা দুখাত্মক ভাৱৰ অনুভূতিখিনিকহে ভাৱটিক নহয়, সামাজিকৰ অন্তৰত অৰ্পন কৰে, জয়-পৰাজয় আদি বিষয় অথবা গৰ্ব-দৈন্য আদি ভাৱ খেলুৱৈগত হৈয়ে থাকে দৰ্শকৰ অন্তৰলৈ সঞ্চাৰিত নহয়। গ্লানি-দৈন্য আদি ভাৱবিলাক স্বগতৰূপে প্ৰতীত হলেহে দুঃখস্বৰূপ হয় স্বগতৰূপে প্ৰতীত নহলে স্বৰূপতঃ দুঃখ স্বৰূপ নহয়। অথবা ভাৱটি দুঃখস্বৰূপ হয় বুলি স্বীকাৰ কৰিলেও ভাৱানুভূতিটো দুঃখস্বৰূপ নহয়। দুখৰ সাক্ষাৎ সম্পৰ্ক বিষয়ৰ লগতহে, জ্ঞানৰ লগত নহয়। যি কোনো জ্ঞান বা অনুভূতিয়ে সুখস্বৰূপ। স্বগতৰূপে প্ৰতীত নহয় হেতুকেই দৰ্শকসকলক বিজয় গৰ্বই হৰ্ষচঞ্চল বা পৰাজয় গ্লানিয়ে বিষাদ ব্যাকুল কৰি নোতোলে। তেওঁবিলাকে হৰ্ষবিষাদৰ অনুভূতিৰূপ আনন্দহে উপলব্ধি (ভোগ) কৰে আৰু সেই আনন্দ উপভোগৰ লোভতে তেনে কলা-কৌশলৰ প্ৰতি আকৃষ্ট হয়। ৰসাস্বাদ যেনেকুৱা ভাৱানুভূতিও তেনেকুৱা অলৌকিক চমৎকাৰাত্মক হ্লাদস্বৰূপ। ৰসাভাস, ভাৱ আৰু ভাৱাভাসো ৰসৰ দৰে অলৌকিক সুখস্বৰূপ বুলি শাস্ত্ৰকাৰসকলে প্ৰতিপন্ন কৰিছে। সেই কাৰণে ঢুলীয়া সঙ্গীতত ৰসৰ নহলেও ভাৱানন্দৰ অস্তিত্ব অৱশ্যে স্বীকাৰ্য।

তাহানি ঢুলীয়া আৰু তালুৱৈ প্ৰায় সকলোৱে চুলি ৰাখিছিল। ঢুলীয়া দুজনৰ, বিশেষকৈ খাই ঢুলীয়াজনৰ দীঘল চুলি কোছাই দৰ্শকৰ দৃষ্টি আকৰ্ষণ

কৰিছিল। আৰু ঢুলীয়াই (প্ৰয়োজনে) হাতত খাৰু আৰু কাণত কেৰু আৰু ডিঙিত সোণৰ কানফুল পিন্ধিছিল। অন্য পোছাক-পৰিচ্ছদ সাধাৰণ, মুখত পগুৰিয়াপাগা (মুৰাপাগা), আঁঠুমূৰীয়া চুৰিয়াখন আৰু গামোছাখন।

ঢুলীয়াৰ পোছাক

সঙ্গীত প্ৰদৰ্শনৰ সময়ত ঢুলীয়া দুজনে গাত বগাৰ বাহিৰে আন ৰঙৰ ঘোলোৱা একাধিক ৰঙীন কাপোৰেৰে অথবা ক'লা কাপোৰেৰে বনোৱা আঁঠুমূৰীয়া জামা, যিটো চুৰুপিতিত খুপিলে চক্ৰাকাৰে বহল হৈ জাপি এটাৰ দৰে হৈ উঠে তাকে পিন্ধে। ঢুলীয়া দুজনে মূৰত টুপি বা আন কোনো কাপোৰ নলয়। তানুবৈবিয়াকৰহে কোনো কোনোৱে গামোছাখন মূৰত মেৰিয়াই পাগুৰি মাৰি লয়।

ঢুলীয়াই ঢোল তালৰ যোগেদি যি বাজনা তোলে (মাৰে) তাক 'বাদী মৰা' বোলে। এই 'বাদী' শব্দটো 'বাদ' শব্দৰ অপভ্ৰংশ বুলি ধৰিব নোৱাৰি। কাৰণ সেয়ে হলে ধুলীয়াৰ খোলত মৰা বাজনা, ওজাপালিৰ তালত মৰা বাজনা আদি অন্যান্য বাজনাতো 'বাদী' শব্দৰ প্ৰয়োগ চলিত হ'লহেঁতেন। কিন্তু তেনে প্ৰয়োগ দেখা নাযায়। খোলৰ বাজনাক বোল, মাত, মেতা বা মাতা বোলা হয়। তালৰ বাজনাবোৰ তালেই বোলা হয়। অকল ঢুলীয়াৰ বাজনাকহে 'বাদী' বোলা হয়। কিন্তু আয় ঢোলৰ বাজনাক হলে 'বাজনা' বুলিহে কোৱা হয়। আজি কালিৰ কোনো কোনো লোকে আনানা বাজনাতো 'বাদী' শব্দৰ প্ৰয়োগ কৰা শুনা যায় যদিও, লোক-পৰম্পৰাবিলাকে অতিজ্ঞ বয়সস্থ লোকৰ মুখত তেনে প্ৰয়োগ শুনা নাযায়। আন বিশেষত যে বাদী, সংবাদী বিবাদী শব্দৰ প্ৰয়োগ হয়, সেই 'বাদী' শব্দৰ লগতো এই 'বাদী' শব্দৰ সম্পৰ্ক বিচাৰি উলিয়াব নোৱাৰি।

ঢুলীয়াৰ বাদী

সেইকাৰণে আমাৰ বোধহয়, বাদত (অভিয়া-আভিত) প্ৰযুক্ত হয় হেতুকে ঢুলীয়াৰ বাজনাক 'বাদী' বোলা হয়। আৰু এই বাজনাত 'বাদ' অৰ্থাৎ বচন বা কথা প্ৰকাশ কৰা (তোলা) হয় হেতুকেও ইয়াক 'বাদী' বোলাটো সঙ্গত হয়। মুখেৰে যি নিন্দাবাদ কৰে, বচন মাতে বা গীত গায় তাক ঢোলৰ বাজনাত তোলা এই বিশেষত্ব অসমৰ অন্যান্য অঞ্চলৰ ঢুলীয়াতো দেখা যায়। অসমৰ জনামধন্য মঘাই ওজাই মুখৰ কথাক কিদৰে ঢোল বাজনাত ফুটাই তোলে তাক বহুতেই দেখিছে। কামৰূপৰ যি ঢুলীয়া (বৰ ঢুলীয়া) তাৰ ভিতৰতো কেঞ্চিয়ালা বিয়াৰ কইনাঘৰীয়া আৰু দৰাঘৰীয়া ঢুলীয়াৰ মাজত অভিয়া-অভি (যুঁজ) লাগে। আৰু ঢোলৰ বাজনাৰ যোগেদি প্ৰতিপক্ষক নিন্দা-ভৰ্ৎসনা কৰে, মুখেৰে কৰবলগীয়া কথা বা বচন বাজনাৰ যোগেদিয়ে কয়। গতিকে সেই ঢুলীয়াৰ বাজনাও বাদত (বিবাদত বা বচনত) প্ৰযুক্ত হয় হেতুকে 'বাদী' শব্দৰ দ্বাৰা অভিহিত হ'ব পাৰে। "ঢুলীয়াৰ 'বাদী' হেৰালে ঢোলৰ বাৰি (মাৰি) শুনায়"—এই যোজনা কামৰূপতো প্ৰচলিত। দুৰঙ্গীয়া নামতো যুঁজ বা অভিয়া-অভি লাগে। পাতিদৰঙৰ পচলা-জুড়ীয়া গোসাঞি আৰু পিপলাখণ্ডীয়া সনৈৰ নিচিনা লোকৰ নেতৃত্বত প্ৰদৰ্শিত

নামতো যুঁজ লগা (প্ৰতিদ্বন্দ্বিতা হোৱা) দেখা গৈছিল। নামযুঁজত প্ৰযুক্ত তাল-মানবোৰ বাজনাকো 'বাদী' বোলা হয়। তাতো বাজনাৰ যোগেদি প্ৰতিপক্ষক নিন্দাবাদ কৰা হয়। অথচ ধৰ্মকৰ্ম হিচাবে অনুষ্ঠিত নাম প্ৰসংগত বা পালনামত প্ৰযুক্ত, তাল-মানবোৰ বাজনাক 'বাদী' বুলি কোৱা শুনা নাযায়।

বাদ শাস্ত্ৰত (ন্যায় শাস্ত্ৰত) বৰ্ণিত বাদৰ (বাদ কথাৰ) লগত ঢেপা ঢুলীয়াৰ যুঁজৰ সাদৃশ্য আছে। তাত যি পূৰ্বপক্ষৰ খণ্ডন পূৰ্বক স্বপক্ষ স্থাপনৰ নিয়ম আছে সেই নিয়ম ঢুলীয়াৰ যুঁজতো পালন কৰা হয়; পূৰ্ববৰ্তী পক্ষৰ উপস্থাপিত 'বাদী' আৰু নাচন খণ্ডন কৰি নতুন বাদী আৰু নাচন উপস্থাপনৰ দ্বাৰা স্বপক্ষ স্থাপন কৰা হয়।

ঢোল প্ৰতাল বাওঁ হাতৰ পিনৰ তালীৰ ধমধমনি, চাৰি-জন যোৱা ভোৰ-তালৰ খন-খননি, শিল্পী বিলাকৰ ভৰিৰ তাৰিৰ লগলগনি, ঢোলৰ সোঁহাতৰ পিনৰ তালীৰ মেঘগৰ্জন সদৃশ গুম্‌গুমনি, শিল্পীসকলে মুখেৰে কৰা বিচিত্ৰ ধ্বনি আৰু চিঞৰ-বাখৰৰ সংযোগত এনে এটা ভয়ঙ্কৰ তুমুল পৰিৱেশৰ সৃষ্টি হয় যে প্ৰবল হৰংকো বতাহ (ধুমুহা) ধুমা ধুন্দা শিল, দলাশিলা বৰষুণ, ভীষণ মেঘগৰ্জন আৰু বেজেৰকণিৰ সমাবেশ হোৱা যেন লাগে; দৰ্শকৰ অন্তৰত চমক লাগি যায়। তাণ্ডৱ-নৃত্যৰ লগে লগে ঢুলীয়াই দেহৰ মাংসপেশীবিলাক এনেভাৱে তৰ্‌তৰ্‌কৈ কঁপাই আৰু চকু পকাই চাই যে, তাকে দেখি ল'ৰা-ছোৱালীবিলাকৰ ভয়ত বুকু কঁপি যায়।

ঢুলীয়া সঙ্গীতৰ মৰ্মজ্ঞ কোনোবা অজ্ঞাত কবিৰ ৰচিত তলত উদ্ধৃত পদাংশৰ যোগেদিও তাল ঢুলীয়াৰ লক্ষণ প্ৰকাশ কৰা হৈছে।

"মুখৰ বচন ঢোলত বজায়, ভৰিৰ তাজিৰে মেদিনী কঁপায়,
নাচনত নাভাঙে তাল।
মাংস কঁপায় চকু পকাই চায়, ঢোলৰ কোবত চমক লগায়,
সেয়েহে ঢুলীয়া ভাল॥"

ঢেপা ঢুলীয়াৰ একোটা একোটা বিশেষ 'বাদী'ক (বাজনাক) দেৱবাদী, গোৰবাদী, পাতালবাদী, দলবাদী, খেদাবাদী, খুন্দাবাদী, গলমুচৰা বাদী, নাককটা বাদী, কাণ কটা বাদী ইত্যাদি বিশেষ বিশেষ নামেৰে কোৱা হয়। সেই বাদী বিলাকৰ বৰ্ণনা দিয়া ইয়াত সম্ভৱপৰ নহয়।

খেদা বাদী, খুন্দা বাদী আদি আক্ৰমণ সূচক নামৰ বাদীবিলাকৰ প্ৰয়োগ যুঁজৰ ক্ষেত্ৰত কৰা হয়। এনে বাদীৰ যোগেদি বিপক্ষক তৰ্জন গৰ্জন আৰু গালি-শপনি কৰা হয়। বাদীৰ চেৱে চেৱে শিল্পীসকলে নিজৰ ভিতৰতে তেনে কাৰ্য্যৰ আঙ্গিক অভিনয় কৰে,—ঢোলৰ মাৰি ভাঙি ইজনে সিজনক খেদে, খুন্দিয়ায়, জড়িয়ায়, চৰিয়ায়, নাক কাটিব খোজে, কাণ মলিব খোজে। এনে আক্ৰমণাত্মক বাজনা (নিন্দাবাদী বা খিতাবাদী) বিলাকে প্ৰতিপক্ষক উত্তেজিত কৰি তোলে।

তাৰদ্বাৰা দৰ্শকৰ মাজতো উত্তেজনাৰ সৃষ্টি হয় আৰু সেই নিন্দাবাদী বা খিজা-বাদীৰ প্ৰতিকাৰৰ অৰ্থাৎ প্ৰত্যুত্তৰ দানৰ অৰ্থে বিবিধ উচটনি বাক্য আৰু ধ্বনিয়ে প্ৰতিপক্ষক উচটাই দিয়ে। প্ৰতিপক্ষয়ো নিজৰ পাল পৰিলে তাৰ যথোচিত প্ৰত্যুত্তৰ দিয়ে আৰু নতুন খিজাবাদীৰে আৰু আঙ্গিক অভিনয়েৰে বিপক্ষক প্ৰত্যাক্ৰমণ কৰে।

**ঢুলীয়াৰ গান**

ঢেপা ঢুলীয়াই নিজৰ পাল পৰাৰ লগে লগে উঠি প্ৰথমতে এটা লোকগীত গায়। গায়নজনে (মাই ঢুলীয়াই) গীত লগাই দিয়ে আন বিলাকে ধৰি গীতৰ দিহাটোৰ আবৃত্তি কৰে। গানৰ লগত মৃদুভাবে ঢোল-তালৰ বাজনা সঙ্গত কৰা হয়। গানৰ অন্তত গানৰ দিহাৰ কথাখিনি বাজনাত তোলে। যুঁজৰ ক্ষেত্ৰত প্ৰতিপক্ষৰ প্ৰতি নিন্দাসূচক (আক্ৰমণাত্মক) গান গায় আৰু প্ৰতিপক্ষৰ পাল পৰিলে সেই পক্ষই উঠি তেনে নিন্দাগানেৰে (খিজা গীতেৰে) তাৰ প্ৰত্যুত্তৰ দিয়ে। যেনে--প্ৰথম পক্ষই "অ' মোৰ বুঢ়া হালোৱা ঐ--গলিত ঢেকেৰি মৰা, হাতত কামেৰি কাবা, গাখিত বাগৰি পৰা,--ঐ' মোৰ বুঢ়া হালোৱা ঐ--"। এই দিহাৰ গীতটো গালে প্ৰতিপক্ষই--"অ' মোৰ ঢেকুৰা ঐ--বিয়াঘৰক আহিছা, চুৱাপাত চেলেকিছা, আকনো কি আশা কৰিছা ঐ--অ' মোৰ ঢেকুৰা ঐ" এনে দিহাৰ গীতেৰে তাৰ প্ৰত্যুত্তৰ দি প্ৰতি-শোধ লয়।

গায়নবিলাকে এনেকুৱা খিজাগীত (নিন্দাগান) নিজেও ৰচনা কৰিছিল। অনেক ক্ষেত্ৰত প্ৰতিপক্ষৰ গায়নে আনপক্ষৰ গীত শুনাৰ পাচত, তাৰ সমুচিত প্ৰত্যুত্তৰ দিবৰ কাৰণে নিজে গীত ৰচনা কৰি গাব লগাত পৰিছিল। তেনে ক্ষেত্ৰত গানৰ দিহাটোহে নতুনকৈ ৰচিত হয়; গানৰ অন্তৰাৰ কোনো নিয়ম নাই য'ৰপৰা যি মুখত আহে বা মনত পৰে স্পষ্টভাৱে হওক বা অস্পষ্টভাৱে হওক তাকেই অন্তৰাৰূপে গায়। গীতত প্ৰতিপক্ষৰ স্পষ্ট উল্লেখ নাথাকে যদিও সেই অৰ্থ ব্যঞ্জনা বা ধ্বনিৰ দ্বাৰা সামাজিকৰ মনত প্ৰতীত হয়। যেনে উপৰত উদ্ধৃত প্ৰথম গীতত 'বুঢ়া হালোৱা' আৰু ২য় গীতত 'ঢেকুৰা' বুলি যে প্ৰতিপক্ষকে উল্লেখ (লক্ষ্য) কৰা হৈছে সেই কথা সমাজিকৰ মনত ব্যঞ্জিত বা ধ্বনিত হয়।

১ম গীতটি তাহানিৰ মাবৈ পঞ্জা ঢুলীয়াৰ গায়ন *কদম ঢুলীয়াই গোৱা আৰু ২য় গীতটি নগঞা (সৰাবাৰি মৌজাৰ) ঢুলীয়াৰ গায়ন *গোখোৰা ঢুলীয়াই গোৱা শুনিছিলোঁ। এনে নিন্দাগীত বিলাকেও প্ৰতিপক্ষৰ আৰু সামাজিকৰ মনত আবেগ উত্তেজনাৰ সৃষ্টি কৰে।

**ঢুলীয়াৰ নাচন**

ঢুলীয়াৰ সকলোবিলাক নাচনেই 'তাণ্ডৱ' শ্ৰেণীৰ; তাৰ ভিতৰত লাস্য নৃত্যৰ কোনো সম্ভাৱনাই নাই। 'মোৰনী নাচন' 'মোহনী নাচন' আদি নাম অনুসৰি সেইবিলাক নাচন লাস্য শ্ৰেণীত পৰিব লাগিছিল যদিও যথাৰ্থতঃ সেইবিলাকে নাচনতো নাৰীৰ লয়-লাসৰ সম্পৰ্ক নাই হেতুকে তাক লাস্য শ্ৰেণীত ধৰিব নোৱাৰি।

ঢেপা ঢুলীয়াৰ নানাবিধ নাচনৰ ভিতৰত (১) খুটি নাচন, (২) গড়িয়া নাচন আৰু (৩) সৰকি নাচন, এই তিনিবিধ বিশেষভাৱে উল্লেখযোগ্য। এই নাচন-বিলাকৰ স্বৰূপ আৰু প্ৰভেদ (বিশেষত্ব) দেখিলেহে বুজা যায়, লিখনীৰে বা ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। তথাপি সামান্য পৰিচয় দিবলৈ প্ৰয়াস কৰা হ'ল।

পাচি-খৰাহি, চৌপা-বিছনি আদি বাঁহ-বেতৰ সঁজুলি অথবা কাপোৰ শিপি-লাক 'মোৰ' লগাই বোৱা (বনোৱা) হয় উল্লিখিত তিনিবিধ নাচনৰ যোগেদি সেই 'মোৰ' প্ৰকাশ কৰা হয়। ঢুলীয়া দুজন আৰু তাল্লুৱৈ কেইজনে তাহঁত বাজনাৰ লগত সঙ্গতি ৰাখি লয় সহকাৰে তেনে কোনো এটা বিশেষ মোৰ লগাই ঘূৰণি পাতি বিলম্বিত আৰু দ্ৰুতগতিত যোৱা অহা কৰে আৰু মুখেৰে নানা প্ৰকাৰ ধ্বনি কৰি থাকে। ঢুলীয়া দুজনে তেতিয়া ঢোল নবজায়,—নিজৰ ঢোলটো বুকুত সাৱটি লৈ নাচনত যোগ দিয়ে, তাল্লুৱৈবিলাকে হলে তাল বজায়ে থাকে আৰু নাচনতো যোগ দিয়ে।

যি মোৰ লগাই পাচি বা ঠিয় খৰাহি বোৱা হয় তাত দীঘৰ দৈ বিলাক খুটিৰ দৰে ঠিয়দি থাকে; বানীৰ দৈ বিলাক তাতে পথালিকৈ মেৰিয়াই বোৱা হয়। সেইদৰে খুটি নাচনত একাধিক লোক দীঘল দৈৰ মেখীয়াকৈ ঠিয় দি থাকে; বাকিবিলাকে তেনে এটা মোৰ লগাই ঠিয় দি থকা লোক কেইজনক বানীৰ দৈৰ দৰে মেৰিয়াই (বেষ্টন কৰি) বৃত্তাকাৰে ঘূৰে। খুটি বা খাই থকা মোৰৰ প্ৰদৰ্শন কৰা হয় হেতুকে এইবিধ নাচনক খুটি নাচন বোলে। পাচি বা ঠিয় খৰাহি বোৱা মোৰ যিমানবোৰ আছে খুটি নাচনো সিমান প্ৰকাৰৰ হ'ব পাৰে। কেইজনমান লোক খুটৰূপে ঠিয় হৈ থাকিলে বাকী কেইজনে কৰীয়া মোৰ লগাই সেই কেইজনক অতিক্ৰম কৰিলে সেয়ে হ'ব খুটি নাচন।

**খুটি নাচন**

চাৰা, বিছনি আদি, বা কাপোৰ যি মোৰ লগাই বোৱা হয় তাত দীঘৰ দৈ বা দীঘৰ সূতাবিলাক শাৰি হৈ থাকে। বানীৰ দৈ বা বানীৰ সূতাবিলাকক তাতে মোৰ লগাই পথালিকৈ ভুই দিয়া হয়। কোনো কোনো কাপোৰৰ দুয়ো মূৰে ফুল তোলাৰ পৰিবৰ্তে মোটা সূতাৰে 'গড়িয়া' পাৰি খোৱা হয়। চাৰা আৰু বিছনি আদিত যাক 'মোখনি' বোলে কাপোৰত সেই মোখনি-স্থানীয় সূতাকোছাক গড়িয়া বোলে। কাপোৰখনত ই গড়ৰ অৰ্থাৎ প্ৰাচীৰৰ লেখীয়া হৈ থাকে হেতুকেই বোধহয়, ইয়াক গড়িয়া বোলা হয়। গড়িয়া নাচনত কেজনমানে শাৰি হৈ থকা দীঘৰ দৈ বা সূতাৰ দৰে শাৰি পাতি ঠিয় হয়। বাকীবিলাকে মোখনিৰ দৈ আৰু কাপোৰৰ জিভাৰ গড়িয়াৰ সূতাৰ নিচিনাকৈ বিশেষ এটা মোৰ লগাই সেই শাৰি পাতি থকা লোক কেইজনক অতিক্ৰম কৰে। গতিকে চাৰা, বিছনি বা কাপোৰ বোৱা মোৰ যিমানবিলাক হ'ব পাৰে গড়িয়া নাচনো সিমান হ'ব পাৰে। কেইজনমান লোক দীঘলকৈ শাৰিপাতি ঠিয় হৈ থাকিলে বাকী কেইজনমানে কৰীয়া মোৰ লগাই সেই কেইজনক অতিক্ৰম কৰিলে সেয়ে হ'ব গড়িয়া নাচন।

**গড়িয়া নাচন**

নানা প্ৰকাৰৰ মোৰ লগাই কাপোৰত বুটা বচা আৰু বিছনিত ফুল তোলা হয়। তাত বুটাৰ সূতাবিলাক পৰস্পৰে মেৰিয়ামেৰিকৈ বা খবকাকৈ সংযুক্তভাৱে থাকে, তাৰ ফলত বৃত্তাকাৰ বা বহুকোণবিশিষ্ট বুটা বা ফুল এটা হৈ উঠে।

**সৰকি নাচন** — সৰকি নাচনৰ যোগেদি তেনে বিবিধ বুটাৰ মোৰ প্ৰদৰ্শন কৰা হয়। এই বিধ নাচনত বৃত্তাকাৰে বা শাৰি পাতি কোনো স্থিৰ হৈ নাথাকে, কোনো এটা বিশেষ মোৰ লগাই প্ৰত্যেকে আনৰ মাজেদি সৰকি (পাৰ হৈ) যাব লাগে। সেই কাৰণে এই নাচনৰ নাম সৰকি নাচন। বুটা তোলা মোৰ যিমানবিলাক সৰকি নাচনো সিমানবিলাক হ'ব পাৰে। বহুত কেইজন লোকে কণীয়া মোৰ লগাই ইজনে সিজনক অতিক্ৰম কৰিলে তাকো সৰকি নাচন বোলা হ'ব।

আজি প্ৰায় ৩৫ বছৰমান চেপা ঢুলীয়া যুঁজ আৰু নাচন দেখাৰ সুযোগ মিলা নাই; তাৰ আগতে দেখিছিলোঁ। তেতিয়াই খুঁটি নাচন আৰু গড়িয়া নাচন এই দুবিধ অতি বিৰল হৈ পৰিছিল। এই দুয়োবিধ নাচনৰো স্থান সৰকি নাচনেই অধিকাৰ কৰি লৈছিল। এতিয়া যি অল্প সংখ্যক চেপা ঢুলীয়া আছে তাৰ ভিতৰত খুঁটি নাচন আৰু গড়িয়া নাচন চলিত আছেনে নাই নাজানো।

**অন্যান্য নাচন** — ইয়াৰ বাহিৰেও 'তমাল মুচৰা'—উঘা ঘূৰণি, ভেকুলি জাঁপ, শিয়াল ভুমুকি, নেউল ভুমুকি বা নেউল বুলনি, বহি নাচন, বোৱনী নাচন, বোৱনী নাচন, চকোৱা পাক, বোন্দাপাক আদি নামৰ বহুবিধ নাচন আছে, য'ত তাল-সঙ্গত, লয়যুক্ত, আঙ্গিক অভিনয়ৰ যোগেদি নামৰ দ্বাৰা সূচিত কাৰ্যৰ প্ৰকাশ কৰা হয় আৰু তাৰদ্বাৰা বিপক্ষৰ প্ৰতি তুচ্ছ তাচ্ছিল্য ভাৱ প্ৰদৰ্শন আৰু নিন্দা-ভৎসনা বা তিৰস্কাৰ কৰা হয়।

পাতলবাদীৰ তালে তালে চুলি ঘূৰাই ঘূৰাই দিয়া তমাল মুচৰা নাচন, চক্ৰাকাৰে ঘূৰি ঘূৰি দিয়া উঘা-ঘূৰনি নাচন আৰু লেপেটা খাই বহি বহি দিয়া বহি নাচন চাই দৰ্শক সমাজে বৰ আমোদ লভিছিল।

বোৱনী নাচনত ঢুলীয়া দুজনে নিজৰ নিজৰ ঢোল আগত লৈ মুখা-মুখিকৈ বহি বাজনাও মাৰি থাকে ঢোলৰ মাৰি আৰু ঢোলৰ সহায়ত সূতা কটা, কাপোৰ বোৱা আদি কাৰ্যৰ আৰু লগৰ জনক বিপক্ষৰূপে লৈ নাক কটা, কাণ মুচৰা, গল মুচৰা, চুলিত ধৰি টনা, গলত গৰা মাৰি ধৰা আদি কাৰ্যৰ অভিনয় কৰে।

বোন্দাপাকত মানুহজনে দুই কৰঙনৰ মাজত মূৰটো সোমাই কোধৰি এটাৰ দৰে হৈ বোন্দামেকুৰি এটা শোৱাৰ দৰে শুই পৰে। কোনো কোনোৱে এই বোন্দা পাক দি খলাৰ (গোৱৰ পেলোৱা খৰাহিৰ) সমান খৰাহি এটাৰ ভিতৰত সোমাই শুই পৰে।

**চেপা ঢুলীয়াও এবিধ লোকসঙ্গীত** — চেপা ঢুলীয়াৰ গানবিলাকতো মাত্ৰা সংখ্যাৰ নিয়ম বাপ ছন্দ আৰু সুৰ আছে গতিকে সিও একপ্ৰকাৰৰ গীত। বাদীত (বাজনাত) মাত্ৰা সংখ্যা নিয়মবাপ তালৰ সঙ্গতি আছে গতিকে তাক বাদ্য নুবুলিব

কিয় ? নাচনত (অঙ্গসঞ্চালনত) মাত্ৰাসংখ্যা নিয়মৰূপ লয় বৰ্তমান গতিকে তাকো নৃত্য বুলি অৱশ্যে স্বীকাৰ কৰিব লাগিব।

শাস্ত্ৰত উল্লিখিত বা শাস্ত্ৰসন্মত বিশেষ বিশেষ সুৰ-ছন্দ-লয়-তাল-মানৰ যোগ নথকা হেতুকে 'শাস্ত্ৰীয় সঙ্গীত' বুলি স্বীকাৰ নকৰিলেও 'ঢুলীয়াৰ কলা-কৌশল সুৰ-ছন্দ-তাল আৰু লয়ৰ সামান্য লক্ষণ সঙ্গত হয় হেতুকে তাকে এবিধ 'লোক সঙ্গীত' বুলি অৱশ্যে স্বীকাৰ কৰিব লাগিব।

দৰঙ্গীয়া কৃষ্টি-সংস্কৃতি আৰু কলাৰ ক্ষেত্ৰত এইবিধ লোক সঙ্গীত যে কছাৰি জনজাতিৰ অৱদান, ই যে মূলতঃ কছাৰি সকলৰ পৰাই আহি দৰঙ্গীয়া লোক সমাজত প্ৰচলিত হৈছে আৰু দৰঙ্গীয়া কলা-কৃষ্টি-সংস্কৃতিৰ অংশৰূপে, আনকি ধৰ্মানুষ্ঠানৰো অপৰিহাৰ্য অঙ্গৰূপে গৃহীত আৰু সমাদৃত হৈ আছে সেই কথা নিঃসন্দেহে প্ৰতিপন্ন কৰাৰ অৰ্থে যথেষ্ট হেতু আছে যদিও প্ৰবন্ধ দীঘল হোৱাৰ ভয়ত সেই বিষয়ে অধিক অগ্ৰসৰ হ'ব নুখুজিলোঁ।

# মঙ্গলদৈয়া ওজাপালি গীত আৰু বিবিধ পূজা অনুষ্ঠান

শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, এম, এ।


বিহুগীত, হুচৰি গীত আদিৰ দৰে জনপ্ৰিয় অথচ বৰগীতৰ দৰে সঙ্গীতৰ শাস্ত্ৰীয় নীতিত চলি অহা ওজাপালি গীত অসমৰ এটি অতি পুৰণি অনুষ্ঠান। পূজা-পাৰ্ব্বন, শ্ৰাদ্ধ-সকাম আদি ধৰ্মানুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত যদিও ধৰ্মৰ লগত বিশেষ সম্বন্ধ নথকা আমোদ-প্ৰমোদৰ উৎসৱ বা অনুষ্ঠানতো ইয়াৰ সমানে আদৰ আৰু চলতি আছে।

ওজাপালি গীতানুষ্ঠানৰ সাধাৰণতে পাঁচোটি অঙ্গ বা অৱয়ৱ পৰিলক্ষিত হয়; যেনে নৃত্য, গীত, (ৰাগ) মুদ্ৰা, তাল আৰু পদ। পোনতে ওজাপালিয়ে সুৰ মিলাবলৈ হা-তা-না-শ্ব-ঋকৈ যি গোজৰণি ধৰে তাক শুনাত নিৰৰ্থক যেন লাগে যদিও ওজাপালিয়ে তাৰ দ্বাৰা সুৰ সাধনা কৰি পঞ্চদেৱতাৰ স্তুতি বন্দনা কৰে। হা-তা-না-শ্বা-ঋ-যুক্ত বীজমন্ত্ৰ সদৃশ এই বীজ-গীতৰ অৰ্থ ওজাসকলে এইদৰে দিয়ে--

হ---বৰ্ণে তু গণাধ্যক্ষঃ
তা---বৰ্ণে তু সদাশিৱঃ
না---বৰ্ণে তু ভৱানী চ
শ্ব---বৰ্ণে তু কংসবৈৰী কৃষ্ণঃ
ঋতা---বৰ্ণে তু গন্ধৰ্ব্বঃ।

অৰ্থাৎ তাৰদ্বাৰা ওজাপালিয়ে জয়জয়তে সিদ্ধদাতা গণপতি, মঙ্গলময় শিৱ, ঐশ্বৰ্য্য-দাত্ৰী ভৱানী, জগদীশ্বৰ কৃষ্ণ আৰু নৃত্য-কলাৰ গুৰু গন্ধৰ্ব্বক স্তুতি কৰি লয়। গুজৰী ৰাগত এই গীত জোৰা হয় বাবে সাধাৰণ লোকেও ইয়াক ওজাপালিৰ গোজৰণি বা হুঙ্কাৰ বোলে। ইয়াকে মাজিত কথাত সুৰ-সাধনা কৰাও বোলা হয়। সমস্বৰৰ সুৰ মিলাবলৈ আৰু কণ্ঠস্বৰৰ আখৰা লবলৈ ই অতি প্ৰশস্ত উপায়। এনেকৈ আৰম্ভ কৰি মুকলি আকাশৰ ৰভাৰ তলত গোৱা মুক্ত কণ্ঠৰ ওজাপালি গীতত তাজমহলৰ সূক্ষ্ম সৌন্দৰ্য্য নাই, আছে হিমালয়ৰ মহান গাম্ভীৰ্য্য।


এইখিনিতে থোৱতে কৈ থোৱা ভাল যে ওজাপালি ঘাইকৈ দুবিধ, ব্যাস-গোৱা বা বিয়াহৰ ওজা আৰু সুকনান্নী বা পদ্মপুৰাণ গোৱা ওজা। ব্যাস-দেৱ



॥ কলেজৰ পুৰণি ভৱনৰ একাংশ ॥



॥ মঙলদৈ কলেজ প্ৰেক্ষা প্ৰকোষ্ঠ ॥
১৯৭২ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ অভ্যৰ্থনা সমিতিৰ দ্বাৰা সংগৃহীত বাহি ধনেৰে নিৰ্মিত।



॥ কলেজৰ নতুন ভৱনৰ একাংশ ॥

বিৰচিত মহাভাৰতৰ যি কোনো এটি পৰ্ব অথবা যি কোনো এখন পুৰাণৰ পদ ব্যাসৰ ওজাপালিয়ে গায়। ৰামায়ণ গোৱা ওজাপালিও এই পৰ্যায়তে পৰে। সুকনান্নী গোৱা ওজাপালিয়ে হলে সুকবি নাৰায়ণদেৱৰ লিখিত পদ্মপুৰাণৰ বেউলা-লখিন্দাৰৰ কাহিনীহে গায়। এই পদ্মপুৰাণ কিন্তু সংস্কৃত পদ্মপুৰাণৰে সৈতে একে বস্তু নহয়। পদ্মপুৰাণত ওজাপালিয়ে যি বেউলা-লখিন্দাৰৰ কাহিনীৰ লগত সংশ্লিষ্ট থকা নেতা-পদ্মা আৰু চন্দ্ৰধৰৰ কাহিনী গায় সংস্কৃত পদ্মপুৰাণত তাৰ নাম মাত্ৰও নাই। সম্ভৱতঃ ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ প্ৰকৃতি খণ্ড বা দেৱী ভাগৱতৰ নৱম স্কন্ধৰপৰা মনসাৰ জন্মকাহিনীৰ ভুমুখিটো লৈ লোকসমাজৰ মুখে মুখে চলি অহা বেউলা-লখিন্দাৰ কাহিনীটোক দুৰ্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱে গীত ছন্দত বাপ দি পাঞ্চালী বা পাঁচালী কৰি তুলিলে। এই পাঞ্চালী শব্দটোৰো উৎপত্তি সম্বন্ধে নানা পণ্ডিতৰ নানা মত। কাৰো কাৰো মতে ইয়াৰ পোনপটীয়া সম্বন্ধ আছে সংস্কৃত 'পাঞ্চালিকা' (পুতলা নাচ) শব্দৰ লগত। কাৰো কাৰো মতে পদ-চালনা বা পা-চালনৰ পৰা পাঁচালী বা পাঞ্চালী হৈছে; অৰ্থাৎ পদ-চালনা কৰি নাচি-বাগি এই গীত গোৱা হয়। অন্য কাৰো মতে পাঞ্চাল দেশত ইয়াৰ উৎপত্তি হৈছিল কাৰণে পাঞ্চালী হৈছে। পাঞ্চালৰ আধুনিক নাম কনৌজ। বহুতে কালিকা পুৰাণত উল্লেখ থকা 'পাঞ্চালিকা বিহাৰ' উৎসৱৰ লগত ইয়াৰ সম্বন্ধ বিচাৰে। পুষ্যা-নক্ষত্ৰযুক্তা তৃতীয়া তিথিত পাঞ্চালিকা বিহাৰ বা পুতলা নাচ আৰু শিশুৰ ৰং-ধেমালি আদিৰে চণ্ডিকাদেৱীক তুষ্ট কৰিবলৈ যত্ন কৰা হৈছিল। শক্তি পূজাৰ লগত পাঞ্চালী গীতৰ সম্পৰ্কলৈ লক্ষ্য ৰাখি এই সম্বন্ধ টানি আনিবলৈ যত্ন কৰা হৈছে। ওজাপালিৰ মতে কিন্তু ইয়াৰ উৎপত্তি অন্য ৰকমেহে হৈছে। তেওঁলোকে কয় যে এই গীতত অন্ততঃ পাঁচজন লোকৰ প্ৰয়োজন, যেনে, ওজা, দাইনা-পালি, বানা-ধৰা দুজন পালি আৰু গোৰ-ধৰা এজন পালি---এই পাঁচজন। জীৱিকা নিৰ্বাহৰ কাৰণে গীত-নাচৰ 'তাচৰ' পাতি গাই ফুৰা এই ব্যৱসায়ী দলবোৰক পাঁচালী গীত গোৱা ওজা বোলা হৈছিল। ব্যাসগোৱা ওজাই ব্যৱসায়ী দলৰ দৰে তাচৰ পাতি নুফুৰিছিল। মন কৰিবলগীয়া কথা এই যে দেওধনীও পাঁচালী গীত গোৱা ওজাপালিৰ দলতহে ফুৰে, সভাগোৱা ওজাৰ লগত নুফুৰে। গতিকে ওজাপালিৰ মুখে মুখে চলি অহা এই ব্যাখ্যাই অধিক আকৰ্ষণীয় আৰু গ্ৰহণীয় যেন লাগে। সি যি হওক, দুৰ্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱেই মনসা কাব্যৰ ৰচয়িতা ওজা। সুকনান্নী শব্দটোও 'সুকবি নাৰায়ণী' শব্দৰে ৰূপান্তৰ। আজিও সেই একে ধৰণেই দৰঙী ৰজা ধৰ্মনাৰায়ণৰ হাউলীক 'ধৰ্মনায়'ৰ হাউলী বোলা হয়।

ব্যাসৰ ওজাৰ তাল, ৰাগ, সুৰ আদি সুকনান্নীৰ ওজাতকৈ কিঞ্চিৎ বেলেগ ধৰণৰ। পোচাক-পৰিচ্ছদতো বিয়াহৰ ওজা পাগুৰি-জামা-চৌগা-চাপকনেৰে সৈতে চুৰিয়া-চোলা পিন্ধা সুকনান্নীৰ ওজাতকৈ দেখাত পৃথক ধৰণৰ।

ব্যাসৰ ওজাক সাধাৰণতে সভাগোৱা ওজা আৰু মনসাৰ পাঁচালী গোৱা

ওজাক সুকনান্নী বোলা ওজা নামে জনা যায়। বিয়াহৰ ওজাক বিষ্ণু পন্থী আৰু সুকনান্নীৰ ওজাক শক্তিপন্থী বুলি ধৰা হয়। কাৰণ, সভা মানে বিষ্ণুপূজা। ইয়াতে বিশেষকৈ মন কৰিবলগীয়া কথা এই যে বিয়াহৰ আৰু সুকনান্নীৰ ওজা পালিৰ ভিতৰত বৈষ্ণৱ-শাক্তৰ বিৰোধ ভাব অকণো দেখা নাযায়। বৰঞ্চ দুয়োবিধ ওজাপালিয়ে অতীজৰেপৰা আজিলৈ চলি থকা হিন্দু ধৰ্মৰ ক্ৰমবিকাশৰ সমন্বয় এটাৰহে প্ৰমাণ দাঙি ধৰে। অসমত শাক্ত-বৈষ্ণৱৰ এনে সংহতিৰ কাৰণ অলপ ভাবিলেই ধৰা পৰে।

ঐতিহাসিক পণ্ডিতসকলৰ মতে পুৰণি কামৰূপত পোনতে শৈৱ ধৰ্ম চলিছিল। তাৰ পিছত প্ৰায় পঞ্চম খৃষ্টাব্দ মানৰপৰা শাক্তধৰ্মই শৈৱ ধৰ্মৰ কামে কামে গা কৰি আহে। শৈৱ আৰু শাক্ত ধৰ্ম চলি থকা সময়তে শঙ্কৰদেৱৰ প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মৰ আবিৰ্ভাৱ হয় আৰু তেতিয়াই অসমৰ পুৰণি কৃষ্টি আৰু সভ্যতাৰ ওপৰত সৰ্বভাৰতীয় সভ্যতাৰ সোঁত প্ৰবলভাৱে পৰে। 'কালিকা পুৰাণ'ৰ এঠাইত কোৱা আছে যে ভাৰতৰ ভিতৰত কামৰূপতে কেৱল ধৰ্মৰ স্বাধীনতা সকলো সম্প্ৰদায়ৰ লোকৰ বাবে সমান; অৰ্থাৎ কামৰূপৰ তীৰ্থত তীৰ্থ-যাত্ৰীয়ে নিজ নিজ দেশৰ আচাৰ-ব্যৱহাৰ মতে পূজা-সেৱা কৰিব পাৰে, অন্য পীঠত হলে স্থানীয় ৰীতি মতেহে পূজা কৰিব লাগে ('কালিকা পুৰাণ'ৰ ৬৮।৩৩-৩৭ শ্লোক চাওক)।

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱধৰ্ম প্ৰবল হৈ অহাৰ পিছতো শিৱ, শক্তি আৰু বিষ্ণুপূজা ওচৰা-ওচৰিকৈ নিৰ্বিবাদে চলি আছিল আৰু আজিও আছে। তাৰ প্ৰমাণ ওজাপালি গীত, তাৰ প্ৰমাণ দোল চৌপৰী, আদ্ চৌপৰী আদি বিষ্ণু পূজা আৰু সমাৰোহপূৰ্ণ দুৰ্গাপূজাৰ ব্যাপকতা। মনসা দেৱী শক্তিৰে এটি বিশিষ্ট ৰূপ। মনসাক পূজিলে মাৰি-মৰক দূৰ হয় আৰু ঐশ্বৰ্য্য-সম্পত্তি বাঢ়ে বুলি উপাসকসকলৰ বিশ্বাস। দৰং, কামৰূপ আৰু গোৱালপাৰাত মনসা পূজাৰ প্ৰাধান্য আছে। শৈৱ বণিক চন্দ্ৰধৰৰ লগত মনসা দেৱীৰ বিবাদ আৰু শেষত মনসাৰে জয় মনসা পাঁচালীত ওজাপালিয়ে গায়। মনসা পূজাৰ পদ্ধতি আৰু মন্ত্ৰ আদিয়ে সাক্ষ্য দিয়ে যে মনসা পূজাতো বিষ্ণু, শিৱ আৰু আন আন দেৱতাক ভিনে ভিনে পূজা দিয়া হয়। অন্যান্য পূজাৰ দৰে মনসা পূজাতো পঞ্চদেৱতাৰ পূজা সৰ্বপ্ৰথমে আৰম্ভ কৰা হয়। পঞ্চদেৱতা বুলিলে পূজাৰ ক্ষেত্ৰত গণেশ, সূৰ্য্য, বাসুদেৱ, শিৱ আৰু দুৰ্গা—এই পাঁচ গৰাকী দেৱ-দেৱীক বুজা যায়—'গণেশশ্চ দিনেশশ্চ বাসুদেৱ শিৱ-শিৱাঃ'। সেইবাবেই মনসা পূজাৰ আৰম্ভনিতে পূজাৰ লগে লগে ওজাপালিয়ে বহি লৈ তাল বজাই সুললিত সুৰত পোনতে শিৱ-বন্দনাৰেই গীত আৰম্ভ কৰে—

ও নমো নমো শূলপাণি
জগতৰ গুৰু,
নমো নমো ভকত—
বৎসল কল্পতৰু। ইত্যাদি

তাৰ পাছত কামাখ্যা-বন্দনা এইদৰে গোৱা হয়--

নমো কামাখ্যা মাও এ
জগৎ জননী ;
কৰ যোৰে প্ৰণামে কৰোঁ
দুৰ্গতি নাশিনী । ইত্যাদি

তাৰ পাছত বিষহৰী মনসা দেৱীৰ উৎপত্তি পদত গাবলৈ আৰম্ভ কৰাৰ লগে লগেহে মনসা পূজাৰ গহীন বাতাবৰণ শ্ৰোতা আৰু ভক্তসকলৰ মনলৈ আহে। তাতো গীত আৰম্ভ হয় এইদৰে--

অ মনাই হৰিএ— মোহন মদুৰায়
অৰে' মোহন মদুৰায়
হালয় পোৰয় বিন্দু— সহন নায়ায়
মোহন মদুৰায় । --ইত্যাদি

আৰু

জয় জয় পদ্মাৱতী, পাতালে উৎপত্তি--পাতালে উৎপত্তি--
অ' নিৰ্মাণীয়ে কৰিলা নিৰ্মাণ,
বীৰ্য্যহন্তে মাংস ভৈলা, মাংস হন্তে অস্থি ভৈলা
শৰীৰ গঢ়িলা স্থানে স্থান ॥ ইত্যাদি

এই সকলোবোৰ লক্ষ্য কৰি এইটো সহজে কোৱা যায় যে মনসা পূজা শৈৱ-শাক্ত-বৈষ্ণৱৰ কৃষ্টিমূলক মিলন ক্ষেত্ৰ।

আচৰিত কথা এই যে মনসা পূজাৰ সুকনাৱী গোৱা অনেক ওজা সৌ সিদিনালৈকে ইছলাম ধৰ্মৰ লোক আছিল। মঙ্গলদৈৰ বিখ্যাত পৰশু ওজাৰ কথা আজিও মানুহৰ মুখে মুখে। এই পৰশু ওজা মাৰৈ গাঁৱৰ মুছলমান ধৰ্মী লোক আৰু তেওঁৰ নাতি-পুতি আজিও তাত আছে। অন্য কালেনি বনোসকলৰ কছাৰী পূজাৰ এটি ক্ষুদ্ৰ তাণ্ডৱণো মনসা পূজাৰ বতাৰ তলতে চলে। দেওধা-দেওধনী উঠা, মেছা-মেছেনীৰ নাচ, কছাৰী পূজা আদি আজিও মনসা পূজাৰ ডব দিক বা বৰদিকৰ দিনাৰ এটা অনুষ্ঠানমূলক কৃত্য কৰ্ম। নানা দেৱতাৰ পূজা, মুছলমান ওজা, দেওধনী নৃত্য, কছাৰী পূজা আদিৰ সংমিশ্ৰণে মনসা পূজাৰ সমস্ত অনুষ্ঠানটোকে এটা মুক্ত ধৰ্মৰ (cosmopolitan) ৰূপ বা বাতাবৰণ দান কৰে। অসমৰ দুৰ্গাপূজা আৰু কামাখ্যাৰ শক্তিপূজাত জাতি-বৰ্ণ আৰু ধৰ্ম নিৰ্বিশেষে সকলোৱে যোগদান দি উপভোগ কৰাৰ উদাহৰণ চকুৰ আগতে সদায় দেখা যায়। আজিও কামাখ্যাৰ নামনিত থকা মালিগাঁৱৰ নিবাসী অনেক মুছলমান লোকে কামাখ্যাৰ ঢুলীয়া আছিল বুলি কামাখ্যা পীঠৰ লাখেৰাজ ভূমিৰ দখল ভোগ কৰি আছে।

মনসা পূজা তিনি প্ৰকাৰ ; যেনে একপৰীয়া বং, গোটা বং আৰু মাৰৈ পূজা। যদিও তিনিও বিধকে সাধাৰণে মাৰৈ পূজা নামেৰে অভিহিত কৰা হয়

তথাপি তিনিদিন বা তাতকৈ উৰ্দ্ধকাল ব্যাপি চলা মনসা পূজাকহে মাৰৈ পূজা বোলা হয়। একপৰীয়া বং পূজা--দুপৰীয়া হোম-পূজা-বলি আৰু আবেলি ওজাপালি গীতানুষ্ঠানেৰে সামৰা হয়। দুপৰীয়া পূজা চলি থাকোঁতেই ওজাপালিয়ে বহি লৈ নানান দেৱ-দেৱীৰ স্তুতি-গীত গাই থাকে। গোটা বওত আগদিনা সন্ধিয়া অধিবাস বা গোন্ধৰ পূজা কৰি গোসানীক জগাই পিছদিনা দুপৰীয়া পূজা-হোম আৰু আবেলি ওজাপালি গীতেৰে পূজাৰ ওৰ পেলোৱা হয়। তিনদিনীয়া বা তদুৰ্দ্ধকালৰ ৫।৭।১১ দিন আদিলৈ চলা মাৰৈ পূজাত তেনেকৈ দিনৰ পিছত দিন ধৰি পূজা-সেৱা আৰু ওজাপালি গীত চলে।

বিষ্ণু পূজাও মাৰৈ পূজাৰ দৰে তিনিপ্ৰকাৰৰ। তিনিও বিধৰে সাধাৰণ নাম সভা, যেনে একপৰীয়া সভা, আদ্ চৌপৰী সভা আৰু গোন্ধ চৌপৰী সভা। মনসা পূজাৰ দৰে বিষ্ণু পূজাতো আনুষ্ঠানিকভাৱে ওজাপালি অনিবাৰ্য্য।

আচৰিত কথা এই যে বিষ্ণু পূজাতো ওজাপালিয়ে চণ্ডিকা ভৱানীৰ স্তুতি, মহাদেৱ বন্দনা আদি মনসা পূজাত গোৱাৰ দৰে গায়। কিন্তু পদ্মাকুমাৰী বা মনসাৰ পাঞ্চালী বিষ্ণুপূজাত কেতিয়াও গোৱা নহয়। বিষ্ণুপূজাৰ লগতে কোনোৱে দুৰ্গা, জগদ্ধাত্ৰী বা কালীৰ নামে পৃথকে নৈবদ্য এভাগ দিয়ে। তাকে কৰিলে ওজাপালিয়ে অধিবাস বা গোন্ধৰ দিনা শিৱ-বন্দনাৰ লগতে 'মালচী গীত'ত দুৰ্গা বন্দনাও গায়। পিছদিনা দুপৰীয়া পূজাৰ সময়তো সেই একেদৰে শিৱ বন্দনাৰ লগে লগে দুৰ্গা বন্দনা গোৱা হয়। ইয়াক 'মালচী' গোৱা বোলে। মালৱশ্ৰীৰ পৰাই 'মালচী' নামৰ উৎপত্তি বুলি বহুতে মত প্ৰকাশ কৰিছে। দৰং ৰজাৰ হাউলীত দুৰ্গাপূজা পাতিলে নিৰ্দিষ্ট বিয়াহৰ ওজাই লঘোণে-উপবাসে থাকি ষষ্ঠীৰ-পৰা দশমীলৈ আঠাই কেই সন্ধ্যা জাগৰণৰ গীত বুলি এক প্ৰকাৰ স্তুতি গোৱাৰ দস্তুৰ আছিল। এই গীতবোৰৰ ভাষা সংস্কৃত শ্লোকাংশমিশ্ৰিত অসমীয়া ভাষা, শুনিবলৈ শুৱলা। এই গীতৰ সুৰ আৰু তাৰ লগত মিলাই নচা নাচ অসমীয়া সঙ্গীতৰ এটি সুকীয়া সম্পদ। ই ক্ৰমে লোপ পাই আহিছে আৰু সম্প্ৰতি মঙ্গলদৈ অঞ্চলৰ বিয়াহপাৰা গাঁৱত থকা বুঢ়া ওজা দুই এজনত বাহিৰে এই গীত আৰু নৃত্য আনে নাজানে।

এই আটাইখিনি কথা কোৱাৰ মূল উদ্দেশ্য হৈছে এই যে পূজা আৰু ওজা-পালি গীতৰ মাজেদি অসমৰ শৈৱ-শাক্ত-বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিকাশ আৰু সমন্বয়ৰ ৰূপ এটি ধৰা পৰে। পূজাবোৰত শিৱ, শক্তি আৰু বিষ্ণুৰ পূজা সমানে চলে।

মাৰৈ পূজাতে হওক বা বিষ্ণুপূজাতে হওক কোন সময়ত ওজাই কি পদ কি সুৰত কি ধৰণে (অৰ্থাৎ বহি নে থিয় হৈ) গাব লাগে তাৰ সুস্পষ্ট নিৰ্দেশ আছে। দুপৰীয়া পূজাৰ সময়ত পূজাৰী বামুণৰ মন্ত্ৰৰ লগে লগে ওজাপালিয়েও বহি গীতত দেৱতাসকলৰ স্তুতি তালৰ লগত সুৰ মিলাই গায়। উদাহৰণ স্বৰূপে বামুণে যেতিয়া 'ধৰ্ম'ৰ পূজা কৰে, ওজাপালিয়ে তেতিয়া গায় 'ধৰম পূজা লৌৰে---নামিয়া লেহ বৰ, শীঘ্ৰ কৰি লৌ পূজা মণ্ডপৰ ভিতৰ' ইত্যাদি। বামুণে যেতিয়া

শীতলা দেৱীৰ পূজা আৰম্ভ কৰে, ওজাপালিয়ে তেতিয়া গায়—

নমো শীতলা মাওহে জগত জননী
কৰ যোৰে প্ৰণাম কৰোঁ দুৰ্গতি নাশিনী
নমো শীতলা মাওহে—ইত্যাদি।

পূজাৰীয়ে অষ্টনাগৰ পূজা আৰম্ভ কৰিলে ওজাপালিয়ে লগে লগে গাবলৈ ধৰে—

অ' নাগ পূজা লৌৰে নাগিনী সঙ্গে লৈয়া,
অষ্টনাগে পূজা লৌ মণ্ডপে বসিয়া—ইত্যাদি।

আৰু

অ' ঋষিৰ হৈলা বল মন
পূজে ঋষি অষ্টনাগগণ। ইত্যাদি।

বিবিধ দিহাৰে দিয়া পদবোৰ পূজাৰ মন্ত্ৰৰ লগত এনেভাৱে খাপ খুৱাই ৰচনা কৰা, যে পূজাৰী বামুণৰ অবিহনে কেতিয়াবা নিদানত ওজাপালিয়েই বন্দনা গীতৰ দ্বাৰা পূজাৰ কাৰ্য্য সমাধা কৰিব পাৰে। হোমৰ কাষতো ওজাই বহি 'কৃষ্ণ এ হৰি বাজৰ বাম-এ'—এই দিহাৰে গণেশ, শিৱ, সূৰ্য্য, দুৰ্গা আৰু বাসুদেৱ—এই পঞ্চদেৱতাৰ স্তুতি আৰাধনা গোৱাৰ উপৰিও চৌকৰ, চন্দ্ৰতাপ, তামোল-পাণ, কটাৰী, ঘিঁউ, হোম-অগ্নি আদিৰ জন্ম কাহিনী গীততে গায়। যেনে—

চন্দ্ৰ হৈলা চন্দ্ৰতাপ বায়ুয়ে চামৰ;
ধূপ-দীপ-কলাপুলি বড়াৰ ভিতৰ।
দিগপাল ব্ৰহ্মাসুতা সাবিত্ৰীয়ে পাঁজি;
ধেনু হৈলা আগপাত কহিলোহো আজি। ইত্যাদি

ঠিক তেনেকৈয়ে বিষ্ণু পূজাৰ অধিবাসত 'আৱত বিধিহে মদন গোপাল—বনিয়ে বে'—বনিয়ে কপে-ৰসে কুসুম গুলাল' আদি আকৰ্ষণীয় দিহাৰে যোজৰ গীতবোৰ ওজাপালিয়ে বহি বহি জাত লগাই গায়। অধিবাসৰ পৰ দুয়োবিধ পূজাতে প্ৰায় একে ধৰণৰ; কেৱল মনসা পূজাৰ অধিবাসত তামোল-পাণ, চাউল-তিল আদিৰো জন্ম আৰু 'জয় জয় পদ্মাৱতী পাতালে উৎপত্তি আদি দিহাৰ পদ্মাৱতী সম্বন্ধীয় গীত দুই চাৰিটা ওপৰঞ্চিভাৱে গোৱা হয়। এইবোৰৰ পৰা ওজাপালি অনুষ্ঠানটো ধৰ্মৰ লগত কিদৰে জড়িত হৈ আছে সেইটো সহজে বুজা যায়।

শাক্ত, শৈৱ আৰু বৈষ্ণৱপন্থীসকলৰ অমিলন মাজতো আচৰিত ধৰণৰ মিল থকাৰ মূল কাৰণ এই যে তিনিওটা পন্থৰ পূজা, প্ৰাৰ্থনা আদিৰ পদ্ধতি পৃথক হলেও তিনিওৰে মূল দৰ্শন একে আৰু মূল লক্ষ্য অভিন্ন। তিনিওৰে মূল দৰ্শন হ'ল বেদান্ত আৰু লক্ষ্য হ'ল মোক্ষ। সৰ্দাৰ পাণিকৰৰ মতে—"One point needs special emphasis. The three systems did not constitute three religions for essential reason that they were different only in outer forms, characteristics and symbols of the deity and not in the philosophy, docrine or formularies of

worship. The philosophy on which all these seets were based was the Vedanta. The object which all the three sects had was the same moksha. (A survey of Indian History by K. M. Panikar)

বিয়াহৰ ওজাই আৰম্ভনিতে যিটো ৰাগ দিয়ে তাক তেওঁলোকে বিষ্ণু ৰাগ বোলে। বিষ্ণুৰাগ শাস্ত্ৰীয় নাম নহয়। বিষ্ণু ৰাগৰ লগে লগে ওজাই দশাৱতাৰৰ স্তুতি গাই নৃত্য কৰে। তাৰ পিছতহে শাস্ত্ৰীয় যি কোনো ৰাগ আৰম্ভ হয়। দশাৱতাৰৰ নৃত্যত ওজাই পদৰ লগে লগে মৎস্য কুৰ্মাদি দশ অৱতাৰৰ মুদ্ৰা দিয়ে। এইবোৰ মুদ্ৰা সূত্ৰধাৰৰ মুদ্ৰাৰ লগত বহুত ক্ষেত্ৰত হুবহু মিলে আৰু কোনো কোনো ক্ষেত্ৰত সূত্ৰধাৰৰ মুদ্ৰাতকৈও অধিক স্পষ্ট।

বৰগীতৰ দৰে ওজাপালিৰ গীততো ৰাগ আছে, ৰাগিনী নাই। অকল শঙ্কৰ-মাধৱ মহাপুৰুষদ্বয়ৰ বৰগীত, অঙ্কীয়া নাটৰ গীত আদিতে নহয়, প্ৰাচীন চৰ্য্যাপদবোৰত অথবা বিদ্যাপতি, উমাপতি, কবীৰ, চণ্ডীদাস, দুৰ্গাবৰ, মনকৰ আদি গায়কসকলৰ গীততো ৰাগহে আছে, ৰাগিনী নাই। ৰাগ আৰু ৰাগিনীৰ সূক্ষ্ম পাৰ্থক্যৰ সৃষ্টি হয় একাদশ শতিকাৰ শেষ ভাগত। কাৰো কাৰো মতে এই পাৰ্থক্যৰ সৃষ্টি ষোড়শ শতিকাৰ শেষ ভাগতহে হয়। ৰাগিনীতকৈ যে ৰাগৰ জন্ম প্ৰাচীনতৰ সেই সম্পৰ্কে কাৰো মতদ্বৈধ নাই। অসমৰ ওজাপালিৰ গীতত থকা বিবিধ ৰাগৰ চলতিয়ে আৰু ৰাগিনীৰ অভাৱে জানো এই অনুষ্ঠানৰ প্ৰাচীনত্ব সূচনা নকৰে?

শাস্ত্ৰীয় ৰাগৰ নামকৰণ আৰু পদ্ধতি ওজাপালি গীতত মনা হয় যদিও, ওজাপালি গীত যে প্ৰাচীন দেশীয় গীতৰ জীপ আৰু ৰস লৈ উজ্জীৱিত হৈছে তাক নুই কৰা টান। শঙ্কৰী যুগত ভাৰতীয় মূল সংস্কৃতিৰ প্ৰবল প্ৰবাহ অসমত প্ৰৱেশ কৰিছিল সঁচা, কিন্তু সেই দেশৰ থলুৱা গীত-পদ ধুই পখালি তেনেই নাইকিয়া কৰা নাছিল; বৰং দেশীয় গীত-পদবোৰকে সংস্কাৰ কৰি তুলিছিল। আই নাম, ধাই নাম, নিচুকনি গীত আদিত প্ৰৱেশ কৰা কীৰ্ত্তন-ঘোষাৰ সুৰ আৰু নাম-কীৰ্ত্তনবোৰেই তাৰ সাক্ষী। উদাহৰণ স্বৰূপে, আই-নামত আছে—

কিনিয়া পূজিম প্ৰভু চৰণ মুৰাৰি;
ইতিনি ভুৱনে পুষ্প নাপালো বিচাৰি।
মন দিয়া পূজিম প্ৰভু মন নহয় থিৰ;
চিত্ত দিয়া পূজিম প্ৰভু মায়াতে অথিৰ।
অন্ন দিয়া পূজিম প্ৰভু আপোনাতে আছে;
পুষ্প দিয়া পূজিম প্ৰভু ভোমোৰাই চুহিছে। ইত্যাদি

তাৰে প্ৰতিৰূপ এটা ওজাপালি গীতত আছে—

গোবিন্দ কিদিয় মই যাদৱ ৰায়,
ব্ৰহ্মাণ্ডৰ ভিতৰে যত বস্তু আছে, সমস্তে তোমাতে পায়।

অ' কিবা মই আসন দিবো নাৰায়ণ, গৰুড় যাৰ বাহন ;
কিবা অলঙ্কাৰে সজিবো তোমাক, কৌস্তুভে যাৰ শোভন।
ঐশ্বৰ্য্য-বিভূতি কিবা দিবো হৰি, আপুনি লক্ষ্মীৰ পতি ;
কিবা স্তুতি-নতি কৰিবো ভকতি, যাৰ ভাৰ্য্যা সৰস্বতী। ইত্যাদি।

দৌ-ৰঙ্গ বা দেৱতাসকলৰ ৰঙ্গভূমি একালত আছিল বুলিয়ে দৰং নাম হোৱা বুলি মানুহে কয়, আৰু এই দৰঙৰে যিখন ভূমি বা দেশ আহোম ৰজা প্ৰতাপ-নাৰায়ণলৈ দৰঙী ৰাজ-কন্যা মঙ্গলাদেৱীক বিয়া দিওঁতে যৌতুক স্বৰূপে দিয়া হৈছিল তাৰে নাম মঙ্গলদৈ। দৰঙী ৰজাসকলৰ আমোলত ওজাপালি গীতে বিশেষ সমাদৰ লাভ কৰিছিল। আজিও দৰঙী ওজাপালি, দৰঙী নাম-কীৰ্ত্তন অসমত বিখ্যাত। মঙ্গলদৈত আমি জনাত এতিয়াও ২৭টা ৰাগ ওজাপালিৰ কণ্ঠত জীয়াই আছে। এই ৰাগবোৰৰ প্ৰত্যেকৰে সাতোটা অৱস্থা বা স্তৰ আছে ; যেনে— (১) হুঙ্কাৰ, গোজৰণি বা সুৰ সাধনা (২) ঘূণি, পাতনি বা গুৰু বন্দনা (৩) মালিতা বা ৰাগৰ জন্ম কথা (৪) বানা বা পালিয়ে ওজাৰ মুখৰপৰা টানি নি গোৱা অংশ (৫) দৌৰা বা মোখনি (৬) সুৰ বা তেক আৰু (৭) থোকা। এই আটাইকেইটা অৱস্থা পূৰ্ণ কৰাকে এখন পদ বা এচাল পদ গোৱা বোলে। এই এখন পদ বা এচাল পদ গোৱাৰ অৰ্থ মঙ্গলদৈৰ অতি সাধাৰণ লোক বা ল'ৰা-তিৰোতায়ো জানে আৰু ওজাপালিয়ে পদ এবিৰ খুজিলে কেতিয়াবা আৰু এখন পদ গাবলৈ কয়।

ব্যাসৰ ওজাপালি আৰু সুকনান্নীৰ ওজাপালিৰ বজোৱা তালৰ কিঞ্চিৎ পাৰ্থক্য আছে। ব্যাসৰ তাল পুষ্পিত পদ্ম-সদৃশ কিঞ্চিৎ মেলাহি আৰু তাৰ অৱয়বো প্ৰায় ভালকৈ ফুলা পদুম ফুল এটাৰ সমান। সুকনান্নী গোৱা ওজাপালিৰ তাল অৰ্দ্ধ-বিকশিত পদুমৰ দৰে কিঞ্চিৎ ঠেক আৰু গোটা। বিয়াহৰ ওজাপালিয়ে দুই হাতেৰে তাল বজায় আৰু সুকনান্নীৰ ওজাপালিয়ে এখন হাতত মাত্ৰ তাল বাজি লয়। বিয়াহৰ ওজাই সচৰাচৰ পাঁচ ৰকমে তাল বজোৱা শুনা যায়। প্ৰত্যেক ৰাগৰ লগত তাল বন্ধা আছে। প্ৰত্যেকবিধ তাল বাদ্যৰ পৃথক পৃথক নামো আছে ; যেনে, (১) চাৰ তাল বা এক তাল (২) লেচাৰি তাল (৩) জি-কাৰি তাল (৪) চৌতাল আৰু (৫) থোকা তাল। ইয়াৰ উপৰিও পূজাৰ সময়ত মালচী গাওঁতে ৰূপহী তাল বুলি আৰু এটা চেওত তাল বজোৱা হয়।

অসমীয়া ওজাপালিৰ হাতৰ মুদ্ৰা আৰু ভৰিৰ নাচ, গীত-পদৰ দৰেই ৰমণীয় বস্তু। বিয়াহৰ ওজাই চৰণত পিন্ধা নেপুৰৰ সহায়তেই তাল ধৰে। সুকনান্নীৰ ওজাই নেপুৰ নিপিন্ধে। মূৰৰ বিশেষ ধৰণৰ পাগুৰি-টুপি, গাৰ চোগা-চাপকন, কঁকালৰ জামা আৰু টঙালি আৰু ভৰিৰ নেপুৰ—বিয়াহৰ ওজাৰ বিশে-ষত্ব ; সুকনান্নী গোৱা ওজাৰ এইবোৰ নাই। নাচ দুয়োৰে প্ৰায় একে ধৰণৰ। নাচ, মুদ্ৰা আদি কেনে হ'ব লাগে সেই বিষয়ে মুখে মুখে চলি অহা বচন একাকি

আছে, বোলে—

হাতে মুদ্ৰা, মুখে পদ, পাৱে ধৰে তাল
ময়ুৰ সদৃশ নাচে সেই ওজা ভাল।

ওজাপালিৰ গীতত এনে কৌশলেৰে সকলো বস্তু সজোৱা আছে যাতে অন্ধ বধিৰ বা ভাষাজ্ঞানহীন অজ্ঞ-মূৰ্খয়ো তাৰ আনন্দৰপৰা বঞ্চিত নহয়। অন্ধই সুৰ, ৰাগ আৰু বাণা শুনিয়ে আৰু পদৰ লগে লগে দাইনাপালিৰ মুখে ভাওনি শুনিয়ে বিষয়বস্তুৰ সম্যক জ্ঞান লাভ কৰে, বধিৰে ওজাৰ হাতৰ মুদ্ৰা দেখি আৰু পদ-বাগ থিথিনি শুনে তাৰ পৰাই সকলো বুজি আনন্দ লভে আৰু গীত-ৰাগ-পদ আদিৰ ভু নোপোৱা মূৰ্খ লোকেও নাচ, মুদ্ৰা আৰু ওজা-দাইনাপালিৰ ভাওনিৰ পৰা বিষয়বস্তু হৃদয়ঙ্গম কৰি তৃপ্তি লভিব পাৰে।

ৰাগৰ মালিতা আৰু ঝুনা বিয়াহৰ ওজাৰ অন্যতম বৈশিষ্ট্য। ৰাগৰ মালিতাবোৰত ৰাগৰ জন্ম-কাহিনী আৰু ঝুনাত স্তুতি অথবা নীতিমূলক গীতি আখ্যা পোৱা যায়। এই ঝুনাবোৰৰ কিছুমানত কেনেকৈ বিদেশী অযুক্ত শব্দও প্ৰৱেশ কৰিলে পৰীক্ষা কৰি চালে আচৰিত হব লাগে। অনেক ঝুনাত আৰবী, ফাৰ্চী আদি ভাষাৰ শব্দ আৰু আনকি আল্লাৰ উল্লেখ পৰ্যন্ত পোৱা যায়। এই-বোৰে কিন্তু কেতিয়াও কোনো প্ৰকাৰে ওজাপালিৰ গীতত মুছলিম সঙ্গীতৰ প্ৰভাৱ সূচনা নকৰে এইবোৰে চুফীবাদৰ ভক্তি-তত্বৰ মাজেদি অহা বৈষ্ণৱী সুৰৰহে ইঙ্গিত দিয়ে। প্ৰাক্-শঙ্কৰী আৰু শঙ্কৰী যুগৰ অসমীয়া সঙ্গীত সম্পূৰ্ণৰূপে মুছলিম সঙ্গীতৰ সংসৰ্গবৰ্জিত। কাৰণ, সেই সময়ৰ অসমীয়া সঙ্গীত আছিল প্ৰধানতঃ ধৰ্ম-সঙ্গীত, অকল আমোদ-প্ৰমোদৰ সঙ্গীত নহয়। শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ দুৰ্ভেদ্য প্ৰাচীৰৰ মাজত এই সঙ্গীতৰ অস্তিত্ব সযতনে সংৰক্ষিত হৈছিল। সদৃশ ভাবৰ যৌতে সঙ্গীতৰ ভাব তৰঙ্গত সৌহাৰ্দ্য স্থাপন কৰিব পাৰিলেও তাৰ প্ৰভাৱে সুৰ-তাল-ৰাগৰ কোনো পৰিবৰ্তন ঘটাব পৰা নাছিল, তাতে ইচলামী সঙ্গীত কোনো দিন অসমত বিজেতাৰ সঙ্গীত নাছিল।

সুকনান্নী, পুৰাণ, ভাৰত আদি মূল পুথিবোৰৰ পদ অক্ষুণ্ণ আৰু অব্যাহত থাকিলেও বিবিধ ৰাগৰ মালিতা, বিবিধ প্ৰকাৰৰ ঝুনা আদি মুখে মুখে চলি অহা গীত-পদবোৰ ক্ৰমে ক্ৰমে কালৰ সোঁতত লুপ্ত হৈ আহিব লাগিছে। যন্ত্ৰ সুৰলিপিৰ ( Tape recording ) সহায়ত এইবোৰৰ অৱশিষ্টখিনি ৰাখিব পাৰিলেও অসমীয়া কৃষ্টিৰ এটি দিশত সি পোহৰ দি থাকিব। আজি প্ৰায় বাৰ বছৰ পূৰ্বে মঙ্গলদৈৰ বিখ্যাত ওজা শ্ৰীধাতুৰাম শৰ্মাৰ কণ্ঠত সাৰঙ্গ ৰাগৰ সুৰ শুনি সঙ্গীতাচাৰ্য্য পণ্ডিত বিনায়ক ৰাও পট্টবৰ্দ্ধনে গুৱাহাটীত বহা সঙ্গীত সন্মিলনত মন্তব্য কৰিছিল যে প্ৰায় পাঁচ শ বছৰ পূৰ্বে সমগ্ৰ ভাৰতবৰ্ষত যি সাৰঙ্গ ৰাগ প্ৰচলিত আছিল তাৰ ই অবিকৃত ৰূপ আৰু এই ৰূপ তেওঁ হেনো ভাৰতৰ আন কোনো ঠাইতে এনে অবিকৃত অৱস্থাত পোৱা নাছিল। অসমীয়া ওজাপালিৰ বাবে ই কম গৌৰৱৰ কথা নহয়। ডেকা ওজাসকলৰ ভিতৰত ললিত ওজা আৰু দুৰ্গেশ্বৰ নাথ বা দুৰ্গা

ওজাৰ নাম আজিৰ সমাজত উল্লেখযোগ্য। দুৰ্গা ওজাৰ পিতাক, ককাক আৰু আজোককাকো ক্ৰমে ৰংধৰ, তৰাক আৰু গঙ্গা ওজা প্ৰত্যেকে স্বনামধন্য বিখ্যাত ওজা আছিল। তেনেকৈ ধাতুৰাম ওজাৰো পূৰ্বপুৰুষসকল ক্ৰমে হৰো, কিনা আৰু বামুণা বিখ্যাত ওজা আছিল। বিশ্বাহৰ বিখ্যাত ওজা চান্দো, জয়দেউ আদিৰ আজি নামহে মাত্ৰ মানুহৰ মুখত শুনা যায়। পেলনু, আঘনু, দখী, হাহাকাৰ আদি ওজাও আজি জীৱিত নাই, কিন্তু তেওঁলোকৰ নাম হলে মানুহৰ মুখে মুখে বৈ আছে।

# প্ৰফেচাৰ পি, চি, ৰায় ঃ এটি আদৰ্শ

শ্ৰীতপেশ্বৰ শৰ্মা বি, এল ।

আমাৰ কলেজীয়া সময় ছোৱাত এই নামেৰে প্ৰখ্যাত আছিল এই গৰাকী অধ্যাপক। প্ৰফুল্ল চন্দ্ৰ ৰায় নামটি ভিতৰুৱাভাৱে জনা গৈছিল। ১৯১২ চনত কলেজত ভৰ্তি হৈছিলোঁ আৰু চাৰিটা বছৰ ইংৰাজী ভাষা সাহিত্যত তেখেতৰ ওচৰত শিক্ষা লৈছিলোঁ। আমাৰ অধ্যাপক সকলৰ প্ৰতিজনেই আছিল গুণী পুৰুষ। কিন্তু, এইগৰাকী অধ্যাপকৰ কেইটিমান বিশেষ গুণ আছিল---যি বিলাক আমি আমাৰ ক্ষুদ্ৰ জীৱনত চিৰকাল সুঁৱৰি আহিছোঁ।

খেলুৱৈ হিচাবে---প্ৰফেচাৰ ৰায় ফুটবলত আছিল উৎকৃষ্ট খেলুৱৈ। সেই সময়ৰ শিল্ড প্ৰতিযোগিতাত কটন কলেজ টীম, কলেজিয়েট হাইস্কুল টীম আৰু গৌহাটী টাউন ক্লাব---এই তিনিটা দলৰ খেল আছিল চাবলগীয়া। কটন কলেজ টীমত দুজন অধ্যাপকে খেলিছিল; পি চি ৰায় আৰু আনন্দবাবু। দুয়োজনে প্ৰথম শ্ৰেণীৰ খেলুৱৈ। ছাত্ৰৰ ভিতৰত ডিব্ৰুগড়ৰ শৈলধৰ ৰাজখোৱা কেপ্তেইন, শিৱসাগৰৰ তাৰা গগৈ, জৱধৰ ঠাকুৰ, কদ্ৰ বৰুৱা, মঙ্গলদৈৰ জনাৰাম চহৰীয়া উচ্চ মানৰ খেলুৱৈ। পি চি ৰায়, আনন্দবাবু আৰু শৈলধৰ ৰাজখোৱা---এই তিনিজনৰ খেল চাই দৰ্শকে উৎসাহ লবলৈ পাহৰিছিল।

টেনিচ খেলত পি, চি ৰায় আৰু আনন্দবাবু পাৰ্টনাৰ। দুয়োজনে খেলি প্ৰতিযোগিতাত জয়ী হৈছিল। হকি খেলত পি চি ৰায় পাকৈত। ক্ৰিকেট আৰু অন্যান্য খেলতো প্ৰফেচাৰ ৰায়ে আগ ভাগ লৈছিল।

সঙ্গীতত পি, চি ৰায় আছিল এজন প্ৰকৃত সাধক। নানাবিধ বাদ্যযন্ত্ৰত পাৰ্গত। কণ্ঠ সঙ্গীত আছিল অনুপম। সেইবাৰ বিশ্বকবি ৰবীন্দ্ৰনাথে নবেল প্ৰাইজ পাইছে। অভিনন্দন জনাবৰ কাৰণে কাৰ্জন হলত সভাৰ আয়োজন হ'ল। সকলো জাতিৰ সকলো শ্ৰেণীৰ মানুহেৰে সভাস্থল ভৰি পৰিল। সেই সভাত প্ৰফেচাৰ ৰায়ে নিজে হাৰমনিয়াম বজাই ৰবীন্দ্ৰনাথে ৰচনা কৰা এটি গীতেৰে অভিনন্দন মুকলি কৰিলে। তেখেতৰ সহ-ধৰ্মিনী মিচেচ ৰায়ে লগতে সুৰ মিলালে---

আজি যত তাৰা তব আকাশে
সবে মোৰ প্ৰাণ ভৰি প্ৰকাশে।
আজি যত তাৰা তব আকাশে॥

নিখিল তোমাৰ, এসেছে ছুটিয়া
মোৰ মাঝে আজ পড়েছে লুটিয়া হে--
তব নিকুঞ্জেৰ মঞ্জৰী যত
সবে মোৰ প্ৰাণ ভৰি বিকাশে।
আজি যত তাৰা তব আকাশে॥

কি চমৎকাৰ অধ্যাপক গৰাকীৰ কণ্ঠস্বৰ। গুণী সাধকজনৰ কণ্ঠৰ সঙ্গীত শুনি শ্ৰোতৃমণ্ডলী মুগ্ধ হৈ পৈছিল।

আন এদিনাখন কাৰ্জন হলতেই আন এখন সভাত প্ৰফেচাৰ ৰায়ে এটি গীত গালে ঃ

আৰতি তব বিশ্বপতি
তোমাৰি বিশ্বমন্দিৰে।
উঠে অযুত কণ্ঠে উদাৰ গীতি
তোমাৰি গানে গম্ভীৰে॥
বাজে শঙ্খ ঘোৰ স্বননে
চন্দ্ৰ তাৰকা কাঁপে গগনে।
জলদ মন্দ্ৰে প্ৰচাৰ পবনে
ভুবনে ভুবনে অধীৰে॥
নিষাদ ঋষভ গান্ধাৰ গান
মূৰ্ত ৰাগিণী লভিল প্ৰাণ।
দিগ্‌দিগন্ত কম্পমান
শিহৰে ধৰণী ৰে--
জয় জয় জয় মহিমাময়
চিৰ সুন্দৰ মঙ্গলময়
জয় হে জয় প্ৰেমময়
জয় হে জয় আনন্দময়
মুৰতি ধৰিয়া উঠোক আৰতি
মন প্ৰাণ শৰীৰে॥

সেই সন্ধিয়া এই গীতটি গায়ক গৰাকীৰ সুৰদি কণ্ঠৰ পৰা মুক্ত হৈ বায়ুমণ্ডলত বিচৰণ কৰা যেন অনুভূতি হৈছিল। ইয়াৰ বাহিৰেও বিভিন্ন অনুষ্ঠানত প্ৰফেচাৰ ৰায়ৰ কণ্ঠৰ গীত শুনি আমি আনন্দ লাভ কৰিছিলোঁ।

এটি শিক্ষিত সম্ভ্ৰান্ত বঙালী ব্ৰাহ্ম পৰিয়ালত পি, চি ৰায়ৰ জন্ম হৈছিল। তেখেতক আমি সততে দেখিছিলোঁ চাহেবী সাজ-পাৰত। পৰিপাটি নিখুঁট চাহেবী সাজ-পাৰ। ইংৰাজৰ শাসন কালত শিক্ষিত ভাৰতীয় লোকে চাহেবী সাজ-পাৰলৈ ঢুকাটো বৰ দোষণীয় নাছিল। কিন্তু, বিশেষ মন কৰিবলগীয়া কথা আছিল এইটো যে, পি, চি ৰায়ৰ চাহেবী সাজ-পাৰৰ আঁৰত স্বদেশৰ প্ৰতি প্ৰেম আছিল অতি গভীৰ। তেখেতৰ স্বাধীনচিন্তীয়া মনোবৃত্তিয়ে ছাত্ৰ সমাজৰ মন আকৰ্ষণ

কৰিছিল সহজতে। তেখেতে ছাত্ৰ সমাজটিক ভাল পাইছিল মনে প্ৰাণে আৰু নানা কথাৰে ছাত্ৰসকলক মানুহ হিচাবে গঢ় দিবলৈ যত্ন কৰিছিল। ইয়াৰ প্ৰতিক্ৰিয়া হৈছিল ছাত্ৰ সমাজত। প্ৰফেচাৰ ৰায় হৈ উঠিছিল সেই সময়ৰ ছাত্ৰ সমাজৰ আদৰ্শ আৰু প্ৰাণকেন্দ্ৰ।

অসাধাৰণ জ্ঞান বিদ্যা আৰু মেধাশক্তিৰ অধিকাৰী প্ৰফেচাৰ ৰায়ৰ মনত আত্ম-গৌৰৱৰ অভাৱ আছিল পূৰ্ণমাত্ৰাত। বাহ্যিক ব্যৱহাৰটি আছিল অতি অমায়িক আৰু সংযত। অভিমান বা সামান্য ভেম এটিকে লৈ থকা আমি তেখেতক কোনো দিন নেদেখিলোঁ। সৰু হওক, ডাঙৰ হওক সকলোৱে ওচৰত সেই অমায়িক ভাবটি স্ফুৰ্তি উঠিছিল। বাক্-সংযম আছিল তেখেতৰ এটি বিশেষ গুণ। লোকক কথাৰে আঘাত কৰাটো আছিল তেখেতৰ স্বভাৱৰ বিপৰীত। আমি তেতিয়া প্ৰথম বাৰ্ষিকত পঢ়িবলৈ আৰম্ভ কৰিছোঁ। প্ৰফেচাৰ ৰায়ে 'The English See-man in the Sixteenth Century' নামৰ কিতাপখন লৈ তেখেতৰ ৰসাল বক্তৃতা আৰম্ভ কৰিছে। তেখেত সদায় ঠিক সময়ত ক্লাচলৈ আহে। কেতিয়াবা কোনোবা ছাত্ৰ পলমকৈ ক্লাচলৈ আহিলে তেখেতে মুখেৰে একো নকৈ ছাত্ৰজনৰ মুখলৈ চাই নিজৰ ঘড়ীটোলৈ চকু দিয়ে। পিচে এদিন তেখেত নিজে ক্লাচলৈ আহোঁতে কেইমিনিটমান পলম হ'ল। ইয়াৰ ভিতৰতে এজন ছাত্ৰই নিজৰ ঘড়ীটো উলিয়াই প্ৰফেচাৰৰ মেজত থৈ দিলে। প্ৰফেচাৰ ৰায় আহি ঘড়ীটো দেখি বহি লৈ অকণমান সময় লৈ লাহেকৈ সুধিলে, "এইটো মোৰ কাৰণেই নে? It is meant for me?" লগে লগে শান্তভাৱে কিতাপখন মেলি লৈ বক্তৃতা আৰম্ভ কৰিলে। এদিনৰ এটি সৰু ঘটনা তেতিয়াই শেষ হ'ল। কিন্তু প্ৰফেচাৰ গৰাকীৰ মানসিক সংযমৰ দৃষ্টান্ত ছাত্ৰসকলৰ মনত ৰৈ গ'ল।

এদিন শুনিলোঁ প্ৰফেচাৰ ৰায়ে কিছুমান ল'ৰা-ছোৱালীক প্ৰতি ৰবিবাৰে দুপৰীয়া কলেজৰ কোঠালী এটাত গোটাই লৈ গান-বাজনা শিকায়। চাবলৈ গলোঁ কেইজনমান বন্ধু লগ লাগি। আমি গৈ পাওঁমানে গানৰ আখৰা আৰম্ভ হৈছে। প্ৰফেচাৰ ৰায়ে সুন্দৰ ধুতী পাঞ্জাবী পিন্ধি ডিঙিত চাদৰ লৈ বিয়াৰ দৰাটি যেন হৈ বেহেলা বজাইছে। বেহেলা শেষ কৰি এটি এস্ৰাজ বজালে। এনেকৈ বিভিন্ন বাদ্য যন্ত্ৰত আঙুলি বুলাই ল'ৰা-ছোৱালীহঁতক শিকাই দি আছে। সঙ্গীতত তেখেতৰ এনে অধিকাৰ থকা বুলি আগতে জনা নাছিলোঁ। সকলোটি বন্ধু ওচৰতে বহি লৈ একান্তমনে চাই থাকিলোঁ।

প্ৰফেচাৰ ৰায়ৰ অধ্যাপনাৰ ৰীতি আছিল অতি মনোৰম। তেখেতে পঢ়োৱা সময়খিনিত ছাত্ৰসকলৰ মন আপোনা আপুনি উজ্জ্বল হৈ উঠিছিল। বক্তৃতা আছিল অতি ৰসাল। ইংৰাজী কিতাপখন পঢ়াই যাওঁতে নানা ৰকম পটন্তৰ, বিভিন্ন কবিৰ কবিতা আৰু গ্ৰন্থকাৰ সকলৰ লিখনীৰ উদ্ধৃতি, লগে লগে দুটি এটি খুহ-টীয়া টিপ্পনী। ৰবীন্দ্ৰনাথ আৰু অন্যান্য ভাৰতীয় কবিসকলৰ কবিতাৰ পৰা সময়োপযোগী উদ্ধৃতি দিয়াত তেখেত আছিল সিদ্ধহস্ত। ভাষা কেনেকৈ লিখিব

লাগে, কি ভাবে শব্দ প্ৰয়োগ কৰিব লাগে এনে বিষয় আলোচনা কৰোঁতে তেখেতে অনেক আমোদজনক উদাহৰণ কৈ ছাত্ৰৰ মনত গভীৰ সাঁচ বহুৱাইছিল।

সভাই সমিতিয়ে বক্তৃতা দি ফুৰাটো প্ৰফেচাৰ গৰাকীৰ নিয়ম নাছিল। কিন্তু এখন সভাত তেখেতৰ বক্তৃতা শুনিলোঁ। অসম ছাত্ৰ সন্মিলনৰ ২য় অধিবেশন তেজপুৰত বহিছিল। আমি আৰ্ল ল কলেজৰ পৰা অধিবেশনত যোগ দিছিলোঁ। সভাপতি দেশবৰেণ্য আচাৰ্য্য চাৰ প্ৰফুল্ল চন্দ্ৰ ৰায়। কটন কলেজৰ অধ্যাপকৰ দল এটি সভাত উপস্থিত হৈছিল। সেই দলটিত প্ৰফেচাৰ পি, চি ৰায় আছিল। অধিবেশনৰ শেষৰ দিনে প্ৰফেচাৰ ৰায়ে সভাত কিবা অলপ কব লগা হ'ল। সভাপতিৰ অনুৰোধ। তেখেতে অতি শান্তভাবে ঘৰুৱা ভাষাত কোৱাৰ দৰে অলপ সময় কলে। কিন্তু সেই অলপীয়া কথাই সেই বিৰাট জনমণ্ডলীক মুগ্ধ কৰিলে।

প্ৰফেচাৰ পি, চি ৰায়ৰ মন আছিল অতি উদাৰ। সেই উদাৰ হৃদয়ত কোনোৰকম সংকীৰ্ণতাই ঠাই পোৱা নাছিল। সেই মহৎ গুণটিৰ কাৰণে পুৰণি কটনিয়ান সকলৰ অন্তৰত পি, চি ৰায় হৈ উঠিছিল নিচেই আপোন। এনে এগৰাকী চিৰস্মৰণীয় চিৰনমস্য অধ্যাপকৰ পুণ্য স্মৃতিত আমাৰ সশ্ৰদ্ধ প্ৰণতি।

# শিশু-কবি ধনাই বৰা

শ্ৰীগজেন্দ্ৰ নাথ চহৰীয়া।

বিংশ শতিকাৰ তৃতীয় দশকত যিসকল খ্যাতিমান কবি-সাহিত্যিকে বিদ্যা-ময়ন ছাত্ৰ-ছাত্ৰীসকলৰ চৰিত্ৰ গঠনৰ উদ্দেশ্যে নীতিমূলক কবিতা লিখি অসমীয়া সাহিত্য মন্দিৰৰ কাব্য-কাননত সুৱদি গন্ধেৰে আলোড়নৰ সৃষ্টি কৰিছিল, স্বৰ্গীয় ধনাই বৰাদেৱ আছিল সিসকলৰ অন্যতম।

মঙ্গলদৈ মহকুমাৰ ছিপাঝাৰৰ অন্তৰ্গত পশ্চিমচুবা গাওঁ। এই গাঁৱতে ইং ১৮৭২ চনৰ ১৮ মাৰ্চৰ দিনা ধনাই বৰাদেৱে জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ পিতাকৰ নাম আছিল 'বংগল বৰা' আৰু মাকৰ নাম আছিল 'আধামৰী বৰানী'। দৰিদ্ৰতাৰ নিৰ্মম নিষ্পেষণত ভুকুৱা হলেও বৰা দম্পতি আছিল ধৰ্মপৰায়ণ, সৰল আৰু চৰিত্ৰৱান। পুত্ৰ ধনাইৰ গাতো এই সদ্গুণে সৰুৰে পৰাই দেখা দিছিল আৰু গোটেই জীৱন-কালত তাৰ বেঙনিয়ে তেখেতক প্ৰতিভাত কৰি ৰাখিছিল।

সৰুকালত ছিপাঝাৰ প্ৰাথমিক বিদ্যালয়ত নাম লগাই ধনাই বৰাই পঢ়িবলৈ ধৰে। তেওঁ এই কালতেই ঘৰুৱা কাম-বনতো বৰকৈ ব্যস্ত থাকিবলগীয়াত পৰে। মাক-বাপেকৰো ইচ্ছা——ল'ৰা ঘৰুৱা কামত জনা-বুজা হলেই হল, পঢ়া-শুনাৰ যিয়েই নহওক লাগে। অৱশ্যে এইটো অনস্বীকাৰ্য্য যে এতিয়াৰ দৰে সেই সময়ত প্ৰায় গাওঁবোৰতেই পঢ়াৰ সুস্থ পৰিবেশ এটি গঢ়ি উঠা নাছিল। কিন্তু 'যি জাই বাঢ়িব, তাৰ দুপতীয়াতে চিন'। ধনাইৰ গাতো তাৰে পৰিলক্ষণ ফুটি উঠিছিল তেতিয়াই। ঘৰুৱা কাম-বনৰ ব্যস্ততাই, সমমান নাটনিৰ অৱস্থাই তেওঁৰ মনত কষ্ট দিব পৰা নাছিল। গৰু চৰাওঁতে বা অন্যান্য কাম কৰি অকণ আহৰি পালেই——চোতে খঁৰ মাৰি তেওঁ পঢ়া-শুনা কৰিছিল। তেওঁ তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। সেয়েহে প্ৰতি পৰীক্ষাতে তেওঁ সুফল দেখুৱাব পাৰিছিল শ্ৰেণীৰ ভিতৰত প্ৰথম বা দ্বিতীয় স্থান অধিকাৰ কৰি।

প্ৰাইমাৰী স্কুলৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ ধনাই বৰাই মাজলীয়া (ছাত্ৰবৃত্তি) স্কুলত পঢ়িছিল। নানা দুখ-কষ্ট, অভাৱ-অনাটনৰ মাজেৰে তেওঁ তিনি বছৰ পঢ়ি মজলীয়া স্কুলৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হ'ল। তাৰ পাচত আৰ্থিক অৱস্থাৰ প্ৰতিকূলতাই তেওঁৰ উচ্চ শিক্ষা লাভৰ পথ ৰুদ্ধ কৰিলে। নিৰাশাই তেওঁৰ মন আবৰিলে যদিও, তেওঁ হতাশ নহ'ল। কি প্ৰকাৰে উচ্চ শিক্ষা লাভ কৰিব পাৰে, দিনে-ৰাতিয়ে তেওঁ ভাবিবলৈ ধৰিলে। তেওঁ কিছু ধন গোটাবলৈ মন কৰে আৰু

সেই অভিপ্ৰায়েৰে পৈত্ৰিক বৃত্তি হাল-কোৰ মাৰি খেতি কৰাটোতে তালৈকে মনোনিৱেশ কৰিলে। চাৰি-পাঁচ বছৰ ভালদৰে খেতি কৰাৰ ফলত ধানৰ জৰিয়তে তেওঁৰ হাতত কিছু ধন সঞ্চিত হ'ল। এই সময়ত নৰ্মাল স্কুলত পঢ়িবৰ কাৰণে তেওঁৰ মনত এটি অনুৰাগ জন্মিল। সেই হেতুকে কিতাপ-পত্ৰ গোটাই লৈ তেওঁ ঘৰতে পঢ়িবলৈ ধৰিলে।

ধনাই বৰাই যথা সময়ত নৰ্মাল স্কুলত ভৰ্তি হোৱাৰ কাৰণে পৰীক্ষা দিলে। এই পৰীক্ষাত তেওঁ বৃত্তি লাভ কৰি 'গুৱাহাটী নৰ্মাল স্কুল'ত পঢ়িবলৈ গ'ল। কেইমাহমান পঢ়াৰ পিছত তেওঁৰ আগৰ সামান্য সঞ্চিত ধনখিনি শেষ হ'ল। ইফালে মাহেকীয়া প্ৰাপ্ত জলপানি খিনিৰে চলাটোও তেওঁৰ পক্ষে কঠিন হৈ পৰিল। তেওঁ উপায়হীন হোৱা দেখি কোনো কোনো লোকে তেওঁক পঢ়াৰ পৰা বিৰত হ'বলৈ পৰামৰ্শ দিলে। কিন্তু কঠোৰ পৰিশ্ৰমী বৰাদেৱে সেই পৰামৰ্শলৈ আওকাণ কৰিলে। বিদ্যোৎসাহী বৰাদেৱে মনতে থিৰ কৰিলে—'মানুহে নাখাই নমৰে, খাইহে মৰে'। এইষাৰ কথাৰ বলেৰে বলীয়ান হৈ পঢ়াত আত্ম-নিয়োগ কৰিলে, প্ৰায়েই লঘোণে থাকিবলগীয়া কথাটো তেওঁ পাহৰিয়েই গৈছিল। লাগতিয়াল আটাইবোৰ কিতাপ নিজাকৈ কিনি লোৱাটোতো তেওঁৰ পক্ষে সম্ভৱেই নহৈছিল। সি যি নহওক, কঠোৰ বিপৰ্য্যয়ৰ মাজত—আৰ্থিক অনাটনৰ প্ৰবল হেঁচাত পৰিও বৰাদেৱ অধৈৰ্য্য নহ'ল। নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে তেওঁ নৰ্মাল স্কুলৰ শিক্ষান্ত পৰীক্ষা দি ঘৰলৈ উভতি আহিল। পৰীক্ষাৰ খবৰ ওলাল। তেওঁৰ সাধনাই সিদ্ধি লাভ কৰিলে,—ভালদৰে পৰীক্ষা তেওঁ পাছ কৰিলে।

ইং ১৮৯৩ চনৰ ২০ নৱেম্বৰ তাৰিখে নগাওঁৰ সদৰ চৰকাৰী মজলীয়া (ছাত্ৰবৃত্তি) স্কুলত ধনাই বৰাদেৱে ৪ৰ্থ সহকাৰী শিক্ষক পদত নিয়োজিত হ'ল। এই স্কুলত তেওঁৰ কেইবাগৰাকীও প্ৰিয় আৰু গুণী ছাত্ৰ আছিল। সিবিলাকৰ ভিতৰত স্বনামধন্য ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱ আছিল অন্যতম। ইয়াত তেওঁ প্ৰায় এঘাৰ বছৰকাল সুখ্যাতিৰে শিক্ষকতা কৰি চৰকাৰ আৰু ৰাইজ উভয়পক্ষৰ পৰাই সমানে মৰম পাইছিল। ১৯০৪ চনত বৰাদেৱক ডিব্ৰুগড় সদৰ মজলীয়া স্কুললৈ বদলি কৰিলে। এই স্কুলত মাত্ৰ পাঁচ মাহ শিক্ষকতা কৰাৰ পিছত তেওঁক প্ৰমোচন দি ডিব্ৰুগড় চৰকাৰী হাইস্কুললৈ বদলি কৰিছিল। এই বিদ্যালয়ত তেওঁৰ কেইবা গৰাকীও চেনেহৰ কৃতী ছাত্ৰ আছিল। জীৱনত সুপ্ৰতিষ্ঠা লাভ কৰা সিবিলাক ছাত্ৰৰ ভিতৰত আছিল এসময়ৰ চাৰ চাদুল্লা (অসম) মন্ত্ৰীসভাৰ অন্যতম সদস্য, ৺চৈয়দুৰ ৰহমান। চৰকাৰী কামত উক্ত ৺ভূঞাদেৱ আৰু ৺ৰহমান দেৱ ছিপাঝাৰলৈ যেতিয়াই আহিছিল, তেতিয়াই কৃতী শিক্ষক ৺বৰাদেৱক দেখা কৰিছিল আৰু সকলোৰে সাক্ষাতে আঁঠুকাঢ়ি তেওঁৰ চৰণত সেৱা জনাই হৃদয়ৰ ভক্তি-অৰ্ঘ্য নিবেদন কৰিছিল। 'গুণীয়েহে গুণীৰ মূল্য বুজে', এনে মহৎ আদৰ্শ আমাৰ শিক্ষাৰ্থী তথা উদীয়মান ভাইটি-ভনিটীহঁতৰ বাবে নিশ্চয় অনুকৰণীয়।

ডিব্ৰুগড় মাধ্যমিক বিদ্যালয়ত আঠ বছৰ কাল শিক্ষকতা কৰাৰ পিচত ৰবাদেৱক চতিয়া চৰকাৰী মজলীয়া স্কুললৈ প্ৰধান শিক্ষক পদত বদলি কৰি অনা হৈছিল। ইয়াতো স্কুলৰ সহকাৰী শিক্ষক আৰু ছাত্ৰৰ পৰা তেওঁ নিজৰ শিক্ষা-দীক্ষাৰ গুণত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। সেই অঞ্চলৰ অন্যান্য লোক-সকলৰ পৰাও তেওঁ যথেষ্ট মৰম-স্নেহ আৰু আদৰ-সন্মান পাইছিল—নিজৰ শিক্ষা-জ্ঞান আৰু শিষ্টাচাৰৰ বলত। এই স্কুলত প্ৰায় সাত বছৰ কাল থকাৰ পিচত ১৯১৪ চনত মঙ্গলদৈ চৰকাৰী হাইস্কুললৈ ৰবাদেৱ (সহকাৰী শিক্ষক হিচাপে) বদলি হৈ আহিছিল আৰু ইয়াতেই ইং ১৯২৭ চনৰ ১৭ মাৰ্চলৈ সুখ্যাতিৰে শিক্ষকতা কৰি (১৮ মাৰ্চৰ দিনা) অৱসৰ গ্ৰহণ কৰিছিল। এই স্কুলত শিক্ষকতা কৰি থাকোঁতেই চৰকাৰে তেওঁক 'চিলেকশ্যন গ্ৰেড' দি 'কৃতী শিক্ষক' বুলি স্বীকৃতি দিছিল।

অৱসৰৰ পাছত ৰবাদেৱে ছিপাঝাৰৰ নিজা ঘৰতে বসতি কৰি আছিল। ১৯৫৬ চনৰ ১৭ জুন তাৰিখে ৮৪ বছৰ ৩ মাহ বয়সত তেওঁ স্বৰ্গী হয়।

শিক্ষকতাত প্ৰবেশ কৰাৰ লগে লগেই ৰবাদেৱে কুমলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ চৰিত্ৰ গঠনত সহায়ক হ'বলৈ বুলি নীতিমূলক কবিতা কিছুমান লিখিবলৈ সক্ষম হৈছিল। ইয়াৰ ফলতেই ১৯২৩ চনত তেওঁৰ সুৰুলি কবিতাৰ পুথি 'কবিতা-চন্দ্ৰিকা'ৰ জন্ম হৈছিল। প্ৰাণৰ প্ৰেৰণাৰে ৰচিত ইয়াত সন্নিবিষ্ট কবিতা কেইটি ক'বলৈ গ'লে দৰাচলতে ৰবাদেৱৰ কাব্যিক যৌৱনৰ জয়োল্লাস—জাগ্ৰত প্ৰাণ-চেতনাৰ মধুৰ স্পন্দন-প্ৰতিভাৰ অনবদ্য নৈবেদ্য। আৰু শিশু তথা জানত কেচুৱা মানৱৰ চৰিত্ৰ গঠনৰ সঞ্জীৱনী মন্ত্ৰ। প্ৰতিটো কবিতাৰ ভাব-ভাষা যেনে ৰজিতা খোৱা, ভাব যেনে উচ্চ, ভাষা তেনে সহজ, সৰল আৰু প্ৰাঞ্জল। ছন্দৰ মাধুৰ্য্যৰে পদৰ লালিত্যৰে ভাবৰ নিবেদিত ভঙ্গিমাই যেনে অপূৰ্ব সৌন্দৰ্যৰ মনোৰম চিত্ৰ দাঙি ধৰিছে, সি সঁচাকৈয়ে অবিস্মৰণীয়। এই কবিতাকেইটি পঢ়ি অকল শিশুৱে নহয়, তৰুণ আৰু বৃদ্ধয়ো পায় আমোদ-আহলাদ আৰু মধুৰ উপদেশ। আকাৰত ক্ষুদ্ৰ পুথি 'কবিতা-চন্দ্ৰিকা'খনি সেই সময়ত ৰাজ্যিক নিম্ন প্ৰাইমাৰী আৰু মজলীয়া স্কুলৰ ৩য়—৫ম মানৰ কাৰণে অসম চৰকাৰে মঞ্জুৰ কৰি ৰবাদেৱৰ কবি-প্ৰতিভাক স্বীকৃতি দিছিল। প্ৰকৃতপক্ষে ক'বলৈ গলে 'কবিতা-চন্দ্ৰিকা' অস-মীয়া সাহিত্য ভঁৰাললৈ তথা অসমীয়া সমাজলৈ আগবঢ়োৱা ৰবাদেৱৰ এক অমূল্য অৱদান।

কবিতা-চন্দ্ৰিকাৰ বাহিৰেও 'নৱবোধ' পৰিমিতি, আদি পুথি (ক, খ মানৰ), সৰল মৌখিক, সাহিত্য-কণিকা (৪ৰ্থ মানৰ) আদি পুথি প্ৰকাশ কৰি ৰবাদেৱে আমাৰ সাহিত্য-বেদীলৈ পুষ্পাঞ্জলী স্বৰূপে আগবঢ়ায়। 'লৱ-কুশ' নাটক, সাহিত্য-গৌৰৱ (প্ৰবন্ধ) পুথি আৰু বহুতো কবিতা এতিয়াও হাতে-লিখা অৱস্থাতে আছে। কোনো সদাশয় প্ৰকাশকে এইবোৰ প্ৰকাশ কৰি উলিয়ালে দেশৰেই উপকাৰ কৰা হ'ব।

সহজ, সৰল আৰু অনাড়ম্বৰভাৱে জীৱন যাপন কৰা বৰাদেৱ আছিল সদায় সত্যবাদী, নিৰহঙ্কাৰী আৰু আত্মবিশ্বাসী। তেওঁ কেতিয়াও মিছা কথা নকৈছিল আৰু মিছলীয়াক প্ৰশ্ৰয়ো নিদিছিল। সেয়েহে তেওঁৰ কবিতাত আত্মদৰ্শনৰ জোৱাৰ এইদৰে উঠিছিল ঃ

"মিছলীয়া মানুহৰ নাই কতো সমাদৰ।
অবিশ্বাসী নিন্দনীয় সিটো জ্ঞানী সমাজৰ॥"

সৰ্বশেষত আৰু এষাৰি কথা কৈ আমাৰ এই ক্ষুদ্ৰ প্ৰবন্ধটিৰ সামৰণি মাৰিব খুজিছোঁ। সেয়া হৈছে--আকাৰত ক্ষুদ্ৰ হলেও গুণত গধুৰ কবিতাপুথি 'কবিতা-চন্দ্ৰিকা'ৰ যোগায়ে "ধনাই বৰাদেৱে অমৰত্ব লাভ কৰি গৈছে। তেওঁ যেনে সাধু, ধৰ্মিষ্ঠ আছিল, ছাত্ৰ-ছাত্ৰী তথা দেশবাসীও তেনে হোৱাটোকে বাঞ্ছা কৰিছিল সেয়েহে তেওঁ 'অমৰ' কবিতাত কৈছে--

অমৰ যিজন কৰে সেইজন
সদায় আনৰ হিত।
সত্য কথা কয় ধৰ্মপথ লয়
পাপত নিদিয়ে চিত॥
অন্তৰত যাৰ নাই অহঙ্কাৰ
নম্ৰভাৱে কথা কয়।
দৰিদ্ৰৰ প্ৰতি দয়াশীল অতি
কাকো হিংসা নকৰয়॥
* * * *
সত্যবাদী ধীৰ ৰজা যুধিষ্ঠিৰ
গুণৰ মন্দিৰ বাস।
ৰজা আকবৰ পৃথিবী ভিতৰ
ধৰিছে অমৰ নাম॥

--জয়তু ধনাই বৰা।

# চিত্ৰকলা ঃ ইয়াৰ উৎপত্তি আৰু ক্ৰমবিকাশ

শ্ৰীৰণেন্দু সেন, এম, এ।

ব্ৰাউনিঙে এবাৰ লণ্ডন চহৰত ক'ৰবাত আৰ্ট সম্পৰ্কত বক্তৃতা দি আছিল। বক্তৃতাৰ বাবে নিৰ্দিষ্ট হলৰ এঠাইত এটা 'ভেনাছ'ৰ মূৰ্তি আছিল। বক্তৃতা চলি আছিল। ইতিমধ্যে সেই হলত সেই সময়ত এজনী মানৱী 'ভেনাছে' প্ৰৱেশ কৰিলে। আটাইকেইজন শ্ৰোতাৰ দৃষ্টি মানৱী 'ভেনাছৰ' ওপৰত পৈ পৰিল। ব্ৰাউনিঙে তৎক্ষণাৎ মন্তব্য কৰিলে—'life needs that' ঃ জীৱনে সেইটোৱেই বিচাৰে। কিন্তু, শিল্পী কেতিয়াও এই জাগতিক সৌন্দৰ্য লৈ তৃপ্ত হ'ব নোৱাৰে। এই জাগতিক সৌন্দৰ্য শিল্পীৰ অন্তৰত আছি ৰং, ৰেখা, আয়তনৰ মাধ্যমেদি কেনভাছত প্ৰকাশ পায়—যিটোৱে দৰাচলতে পৃথকৰূপে দেখা দিয়ে।

ছবিৰ মূল তিনিটা বস্তু,—ৰং, ৰেখা, আয়তন। In Art is the representation of form by colour and line on a two-dimensional surface (Ency. Brita). ছবিত ৰং আৰু ৰেখাৰ মাধ্যমেদি যি ভাবাবেগ আৰু অভিজ্ঞতা ব্যক্ত হয়, সেইটোৱেই দৰ্শকৰ অন্তৰত এক নান্দনিক আনন্দৰ সৃষ্টি কৰে। শিল্প হ'ল শিল্পীৰ মনোময় জগত, গ্ৰহণ আৰু বৰ্জনৰ সৰ্বোত্তম নিৰ্দেশিকা। শিল্পীয়ে শিল্পক চাৰুত্ব দান কৰে বিভিন্ন ভঙ্গিৰ মাধ্যমেদি। শিল্পীয়ে ছবিত প্ৰকাশ হৈহে আনন্দ পায়। যন্ত্ৰণাৰ উপশম ঘটে, মুক্তি হয় শিল্পীৰ। ৰং আৰু ৰেখাৰ অসহ্য সংগ্ৰামত তেওঁ ছবিত এক ব্যঞ্জনাবো সৃষ্টি কৰিব পাৰে। পিকাছোৱে কৈছিল—'What I see see, I paint' কিন্তু, তেওঁবিলাকৰ দৃষ্টি আৰু আমাৰ দৃষ্টিৰ মাজত বহুত পাৰ্থক্য আছে। আকৌ ফৰাচী শিল্পী গগাঁই (Gauguin) কৈছে, 'Art for Art's sake, why not? Art for life's sake, why not? Art for pleasure's sake. Why not? What does it matter, as long as it is Art.'

শিল্পৰ উৎস সন্ধান কৰিবলৈ হ'লে আদিম যুগলৈ দৃষ্টি ঘূৰাব লাগিব। যুগ ঃ প্ৰস্তৰ যুগ। খৃষ্ট জন্মৰ প্ৰায় আঠ হাজাৰ বছৰ আগৰ কথা। তেতিয়া মানুহৰ বাসস্থান আছিল গুহাত। গুহাৰ গাত অতি সহজে, অতি স্বাভাৱিকভাৱে তেতিয়াৰ মানুহে বুৰুজ চালনা কৰিছিল। যি আঁকিছিল, সেইবোৰ আদিম 'কৃত্য' (ritual) হিচাবেই আঁকিছিল। সেইবোৰ ছবি সাধাৰণতে চিকাৰৰ কাৰণে ওলোৱাৰ আগ মুহূৰ্তত আঁকিছিল। এই ছবিত অঁকা আছিল মতা

হৰিণা, হাতী, বাইছন ইত্যাদি। আৰু এনেকুৱাভাৱে অঁকা হৈছিল যেন চিকাৰীৰ ভয়ত জন্তুটোৱে ইফালে-সিফালে দৌৰিছিল। এই প্ৰসঙ্গত, স্পেইনৰ আলটামিৰা গুহাচিত্ৰ, ফ্ৰান্সদেশৰ লাছ্কো (Laccaux) আৰু দক্ষিণ ৰোডেছিয়াৰ মটোকোৰ (Mtoko) গুহাচিত্ৰৰ লগত ভাৰতীয় গুহাচিত্ৰৰ সাদৃশ্য বিশেষভাৱে লক্ষণীয়।

সেই গুহাৰ চিত্ৰবিলাক যাদুবিদ্যাৰ বাবেই অঁকা হৈছিল। চিকাৰত সদায় এটা অনিশ্চয়তা থাকে ; কিন্তু, চিকাৰ কৰিবই লাগিব আৰু প্ৰাপ্তবস্তু পাবই লাগিব,—অন্ততঃ এই প্ৰত্যয়ত চিত্ৰবিলাক অঁকা হৈছিল। এনেকুৱা এখন গুহা-চিত্ৰ আছে, য'ত বাইছন আৰু তাৰ পেটৰ মাজত জোং এটা সুমুৱাই দিয়া হৈছে। পূৰ্ব চিন্তা কৰিহে তেনেকুৱা ধৰণেৰে আঁকিছিল ; যদি ভাগ্য সুপ্ৰসন্ন হয়, তেনে-হলে বাস্তৱক্ষেত্ৰতো তেনেকুৱা ঘটিব। এই চিত্ৰবিলাকৰ সৃষ্টি কোনো সূক্ষ্ম চিন্তাধাৰাৰ মাজেদি হোৱা নাই। নাইবা কোনো কল্পনা প্ৰকাশ পোৱা নাই। আছে মাত্ৰ বাস্তৱৰ 'অনুকৰণ'। বাস্তৱক্ষেত্ৰত যেনেকুৱা জন্তু-জানোৱাৰ, চিত্ৰৰ ক্ষেত্ৰত তেনেকুৱা হৈছে। (আদিম যুগত গুহাৰ গাত মানুহে নিজৰ ছবি অঁকা নাই)। তথাপি, হব পাৰে চিত্ৰ, আনফালে শিল্প হিচাবেও তাৰ মূল্য আছে। এই প্ৰসঙ্গত সমালোচকে কয় ঃ 'প্ৰস্তৰ যুগৰ যি চিত্ৰকৰে গুহাপ্ৰাচীৰত সুনিপুণ হাতেৰে বাইছনৰ মূৰ্তি আঁকিছে, আৰু আধুনিক কালত যি শিল্পীয়ে তুলীৰ আঁচেৰে মোনা-লিছাৰ হাঁহি প্ৰকাশ কৰিছে—এই দুই শিল্পীৰ মাজত ক'ৰবাত যেন নামৰ আশ্চৰ্য মিল আছে, যি বহুত সহস্ৰ বছৰৰ ব্যৱধানৰ ফলতো অম্লান আৰু অপৰিৱৰ্তিত।' (বিজ্ঞানেৰ ইতিহাস—সমৰেন্দ্ৰনাথ সেন)।

যদিও আদিম ছবিত কল্পনা নাই, শিল্পসুলভ মানসিকতা নাই, তথাপি সি চিত্ৰকলা। সেই চিত্ৰকলাত শিল্পচেতনা অলপমান হলেও প্ৰকাশ পাইছে। গতি-শীল বাইছনক—যি হ'ল ত্ৰিমাত্ৰিক, তাক দ্বিমাত্ৰিক কৰি গুহাৰ গাত অঁকা হৈছে। জন্তুৰ অঙ্গি-ভঙ্গি, গতিবেগ, সামগ্ৰিকভাৱে গোটেই শৰীৰটোক সেই চিত্ৰত প্ৰকাশ কৰিব লগা হৈছে আৰু তাৰ কাৰণে দৰকাৰ সংস্থিতি, বিস্তৃতি (space), পৰি-মিতিবোধ আৰু শিল্পনৈপুণ্য। এইবিলাক নাথাকিলে ত্ৰিমাত্ৰিক জন্তুক দ্বিমাত্ৰি-কতাত অনা সম্ভৱপৰ নহয়। পৰৱৰ্তী যুগত চিত্ৰকলাৰ লগত কল্পনা আৰু শিল্প-চেতনা আহিছে। তেতিয়া চিত্ৰকলাও হৈছে বিভিন্ন আৰু বিচিত্ৰ। কিন্তু মন কৰিবলগীয়া কথা যে, আলংকাৰিক অৰ্থত চিত্ৰকলাৰ যি ৰীতি আছে, সেই আদিম যুগৰ চিত্ৰকলাত সেই ৰীতি দুৰ্লভ।

ভাৰতীয় চিত্ৰকলাৰ ক্ষেত্ৰত বাৎস্যায়নে তেওঁৰ 'কামসূত্ৰ'ত চিত্ৰকলাৰ সূত্ৰ আৰু ভাবাদৰ্শ প্ৰসঙ্গত ষড়ঙ্গৰ কথা উল্লেখ কৰিছে। ৰূপ-ভেদাঃ প্ৰমাণানি ভাব লাৱণ্য-যোজনম্ / সাদৃশ্যং বৰ্ণিকা-ভঙ্গ ইতি চিত্ৰং ষড়ঙ্গকম্।" (বাৎস্যায়ন-কাম-সূত্ৰ)। ১। ৰূপভেদ—ৰূপ সম্পৰ্কে জ্ঞান ; ২। প্ৰমাণ পৰিমিতবোধ সম্পৰ্কে স্পষ্ট-ধাৰণা ; ৩। ভাব—মনৰ বিভিন্ন ভাব আৰু আবেগৰ প্ৰকাশ ; ৪। লাৱণ্য-যোজনা ; ৫। সাদৃশ্যম্ ; ৬। বৰ্ণিকা-ভঙ্গ ঃ ৰঙ আৰু ব্ৰাছ চালনা সম্পৰ্কে সম্যক জ্ঞান।"

ইংৰাজ শিল্পসমালোক হাৰ্বাৰ্ট ৰীডে 'ষ্টুডিঅ' আলোচনীখনৰ ১৯৬৪ চনৰ জানুৱাৰী সংখ্যাত প্ৰকাশিত এটা প্ৰবন্ধত উল্লেখ কৰিছে ঃ 'আধুনিক চিত্ৰকলাৰ মূল-নিৰ্দ্ধাৰণ কৰিবলৈ হলে ভাৰতবৰ্ষৰ ষড়ঙ্গ আৰু চীন দেশৰ দাৰ্শনিক চী-হোৰ ছটি চিত্ৰলক্ষণৰ মানদণ্ড প্ৰয়োগ কৰিব লাগিব।' আধুনিক চিত্ৰকলাৰ অসাৰতাৰ কথাও এই প্ৰবন্ধতটোত প্ৰকাশ পাইছে।

বিখ্যাত শিল্পী ও. চি. গাঙ্গুলীয়ে ইউৰোপৰ বিভিন্ন শিল্পীৰ যেনে, ৰেমব্ৰাণ্ট, টিচিয়ান, টিণ্টোৰেটো, টাৰ্ণাৰ, কনষ্টেবল প্ৰভৃতিৰ চিত্ৰ অধ্যয়ন কৰি প্ৰায় এযাবটোমান ইউৰোপীয় কলা সৃষ্টিৰ মূল ভিত্তিগত লক্ষণৰ কথা উল্লেখ কৰিছে। সেইবিলাক হল ঃ (১) ভাৰসাম্য (Balance), (২) ছন্দ (Rhythm) ; (৩) সুসঙ্গতি (Symmetry) ; (৪) অসঙ্গতি (A-symmetry) ; (৫) ঐক্যবিধান (Harmony) ; (৬) অতি আৱশ্যকীয় বস্তুচয়ন আৰু সমাবেশ (Selection and Composition) ; (৭) বৈপৰীত্য (Contrast) ; (৮) অনাৱশ্যক বস্তুৰ বৰ্জন (Elemination) ; (৯) পোহৰ-ছাঁৰ খেলা আৰু দ্বন্দ্ব (Chiaroscuro) ; (১০) কোনো বিশেষ বস্তু বা অংশৰ ওপৰত জোৰ দিয়া ( Emphasis ) ; (১১) গতি (Movement)।

সামগ্ৰিক আবেদন, ঐতিহ্য আৰু প্ৰকৰণৰ (technique) ক্ষেত্ৰত ইউৰোপীয় শিল্পৰ লগত ভাৰতীয় শিল্পৰ সবিশেষ পাৰ্থক্য বৰ্তমান। ভাৰতীয় শিল্প ভাৰতীয় সংস্কৃতিৰ চিনাকি। ইউৰোপীয় শিল্পৰ দৰে আগৰ যুগৰ ভাৰতীয় শিল্পত মানৱতাবাদ আৰু বাস্তৱবাদ প্ৰকাশিত হোৱা নাই। ভাৰতীয় শিল্পকলাত আছে সত্য আৰু প্ৰমূল্যৰ কথা। তাত ইউৰোপীয় শিল্পকলাৰ দৰে নাছিচিজম্ প্ৰকাশ পোৱা নাই। (এটা কথা মন কৰিবলগীয়া—পানীত নিজৰ প্ৰতিবিম্ব চাই নাছিচাছে পৃথিৱীক পাহৰি গৈছিল। এতিয়া সেই শব্দটো আত্মৰতি বা আত্মকেন্দ্ৰিকতা অৰ্থত ব্যৱহৃত হয়)। শিল্পী ও. চি. গাঙ্গুলীয়ে কৈছে ঃ 'ভাৰতীয় শিল্পৰ বিশিষ্টতা হ'ল ইন্দ্ৰিয়গ্ৰাহ্য জগতৰ বাহ্যৰূপৰ গহ্বৰত সোমাই থকা অতীন্দ্ৰিয় সত্তাৰ ৰূপটোক প্ৰত্যক্ষ কৰোৱা আৰু স্বতন্ত্ৰ কৌশলেৰে, সম্পূৰ্ণ ভিন্ন ৰীতিত সেই আন্তৰ সৌন্দৰ্যৰ মূৰ্তিত আৰু পটত প্ৰকাশ কৰা।'

প্ৰাচীন যুগৰ পৰা ওঠৰ শতিকা পৰ্যন্ত ভাৰতীয় চিত্ৰকলাত মোটামুটিভাৱে দুই ৰকমৰ চিত্ৰ দেখিবলৈ পোৱা যায়। প্ৰথম হ'ল, পূজা-প্ৰাৰ্থনাৰ বাবে স্বৰ্গীয় দেৱ-দেৱীৰ চিত্ৰ। দ্বিতীয় হ'ল, ব্যক্তিগত ব্যৱহাৰৰ বাবে—বীৰপুৰুষৰ, তেওঁৰ আত্মীয়-স্বজনৰ নাইবা বন্ধুৰ প্ৰতিকৃতি—তাৰ উপৰিও গছৰ পাতৰ ওপৰত প্ৰাচীন পুথিপত্ৰৰ ওপৰত আঁকা নাইবা বিভিন্ন প্ৰাচীৰ চিত্ৰও পোৱা যায়। এই প্ৰসঙ্গত, ইজিপ্টৰ প্ৰাচীন সমাধি চিত্ৰকলাৰ কথা উল্লেখযোগ্য। এই সমাধি-চিত্ৰকলাবোৰৰ বিষয় আছিল দেৱ-দেৱী, ধৰ্মীয় উৎসৱ আৰু মানুহৰ জীৱনৰ বিভিন্ন পৰ্যায়। এই চিত্ৰকলা এনেকুৱা জীৱন্ত আছিল,—যি সঁচাকৈ আছিল আকৰ্ষণীয়। ইজিপ্টৰ বহুত ঠাইত সূৰ্যক দেৱতা জ্ঞান কৰি পূজা কৰা হৈছিল। এই

সূৰ্যদেৱতা 'ৰা' দেৱতাৰ আকৃতিৰ লগত মিহলি হৈ গৈছিল। তেওঁৰ প্ৰতীক আছিল দেউকা থকা গোলাকৃতি সূৰ্য। ৰাতিৰ বিভিন্ন সময়ৰ ভিতৰেদি সূৰ্যৰ যাত্ৰাৰ কথা বাৰে বাৰে এই সমাধি-চিত্ৰকলাৰ মাজত প্ৰকাশিত হৈছে। কেতিয়াবা জীৱ-জন্তুৰ মূৰ আঁকা হৈছে আৰু তাক দেৱতা বুলি জ্ঞান কৰা হৈছে। পতিকে, বহুত জীৱ-জন্তু দেৱতা হৈ পৰিছে। নাইবা এনেকুৱা দেৱতাৰ ধাৰণা কৰা হৈছে যাৰ মূৰটো কোনো জীৱ-জন্তুৰ দৰে।

ভাৰতবৰ্ষৰ প্ৰাচীন শিল্পীসকলে, মানুহৰ কল্পনাৰ অতীত অদ্ভুত ধৰণৰ মানুহ, জীৱ-জন্তু দেৱতাৰ মূৰ্ত্তিৰ কল্পনা কৰিছিল। যেনে, মতুত, গৰুড়, কাম-ধেনু, কিন্নৰ, গন্ধৰ্ব, ধাত্ৰী, নৰসিংহ, গজসিংহ প্ৰভৃতি। ঠিক এনেকুৱা ধৰণৰ অদ্ভুত আকৃতিৰ মূৰ্ত্তি গঢ়নৰ ৰীতি পৃথিৱীৰ বিভিন্ন ঠাইত আছিল। যেনে, চীনৰ ড্ৰাগন, গ্ৰীচৰ গৰ্গন, ঈজিপ্টৰ চেৰমেট ইত্যাদি।

কোৰিয়াৰ চিত্ৰকলাৰ ওপৰত চীন আৰু জাপানৰ চিত্ৰকলাৰ প্ৰভাৱ দেখা যায়। চীন আৰু জাপানৰ চিত্ৰকলাৰ বিষয়ে বহুত আলোচনা হৈছে আৰু তথ্য-পূৰ্ণ গ্ৰন্থাদিও ৰচিত হৈছে। কিন্তু, কোৰিয়াৰ চিত্ৰকলা দীৰ্ঘদিন ইউৰোপীয় সমা-লোচকৰ চকুত উপেক্ষিত হৈ আছিল। জাপানৰ দ্বাৰা কোৰিয়া অধিকাৰ কৰাৰ পিছতহে কোৰিয়াৰ চিত্ৰকলাৰ বিষয়ে আলোচনা কৰা হৈছে। ১৯২৯ খৃষ্টাব্দত জাৰ্মান পণ্ডিত আঁদ্ৰে এক্কাৰ্‌দে (Andreas Eckradt) সৰ্বপ্ৰথম বিস্তাৰিত-ভাৱে কোৰিয়াৰ চিত্ৰকলাৰ ইতিহাস ৰচনা কৰিবলৈ চেষ্টা কৰিছিল। কোৰিয়াৰ চিত্ৰকলাৰ ওপৰত যেনেদৰে চীন আৰু জাপানৰ চিত্ৰকলাৰ প্ৰভাৱ লক্ষণীয়, তেনেদৰে পাৰস্যদেশৰ শিল্পকলাৰ ওপৰত মঙ্গোলীয় শিল্পকলাৰ প্ৰভাৱ দেখা যায়। আকৌ, ভাৰতবৰ্ষত মুঘল চিত্ৰকলাৰ উৎস সেই পাৰস্য দেশ। হুমায়ুন আৰু আকবৰৰ পৃষ্ঠপোষকতাত ছিৰাজী আবদুছ ছামাদৰ পৰাই ভাৰতবৰ্ষত মুঘল-চিত্ৰকলা আৰম্ভ হয়। পাৰস্যদেশৰ প্ৰভাৱ থাকিলেও মুঘল-চিত্ৰকলাত ভাৰতীয় ঐতিহ্যৰ মাধুৰ্যও আছে।

হাভেল (Havell) চাহাবৰ উদ্যোগত অবনীন্দ্ৰনাথ ঠাকুৰে ভাৰতীয় চিত্ৰকলাৰ পুনৰুজ্জীৱন দান কৰে। ভাৰতবৰ্ষৰ চিত্ৰকলা সম্পৰ্কে হাভেল চাহাবৰ এক উচ্চ ধাৰণা আছিল। ভাৰতীয় শিল্পকলাৰ শ্ৰেষ্ঠত্ব আৰু কলানৈপুণ্য কিমান উচ্চ আছিল, সেই বিষয়ক ভিত্তি কৰি তেওঁ কেইখন গ্ৰন্থও ৰচনা কৰে। ইণ্ডিয়ান স্কাল্‌চাৰ এণ্ড পেন্টিং (১৯০৮), আইডিয়ালছ্ অৱ ইণ্ডিয়ান আৰ্ট (১৯১১), ইণ্ডিয়ান আৰ্কিটেক্‌চাৰ ইটছ্ চাইকোলজি, ষ্ট্ৰাকচাৰ এণ্ড হিষ্ট্ৰি (১৯১৩), এনচিয়েণ্ট এণ্ড মিডিভিয়েল আৰ্কিটেক্‌চাৰ অৱ ইণ্ডিয়া (১৯১৫), হেণ্ডবুক অৱ ইণ্ডিয়ান আৰ্ট (১৯২০), দি হিমালয়াছ ইন্ ইণ্ডিয়ান আৰ্ট (১৯২৪) ইত্যাদি। এইবিলাক গ্ৰন্থ পঢ়ি ইউৰোপীয় শিল্পৰসিক আৰু শিল্প সমালোচকৰ মাজত এক অদ্ভুত চাঞ্চল্যৰ সৃষ্টি হৈছিল।

অবনীন্দ্ৰনাথে বহু পৰিশ্ৰমৰ পিছত অৱলুপ্ত ভাৰতীয় চিত্ৰকলাৰ ৰীতি

বিচাৰি উলিয়াইছিল। এই বিষয়ে তেওঁক প্ৰাচীন বৌদ্ধ ভিত্তিচিত্ৰ, পুৰণি ৰাজস্থানী চিত্ৰাৱলী আৰু বিশেষকৈ মুঘল চিত্ৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। "এখন মুঘল চিত্ৰৰ এলবামত তেওঁ (অৱনীন্দ্ৰনাথে) প্ৰথম ভাৰতীয় ৰীতিৰ সন্ধান পায়।" (ও, চি, গাঙ্গুলী)। চীন আৰু জাপানৰ চিত্ৰকলায়ো অৱনীন্দ্ৰনাথক আকৰ্ষণ কৰিছিল। তেওঁ বাস্তৱবাদী মুঘল-চিত্ৰৰ আদৰ্শৰ লগত নিজৰ কল্পনাশক্তি যুক্ত কৰি এক সুকীয়া প্ৰতিভাৰ পৰিচয় দিছিল। অৱনীন্দ্ৰনাথৰ বিভিন্ন চিত্ৰ (যেনে বুদ্ধ আৰু সুজাতা, গণেশ-জননী) বহুত বিৰূপ সমালোচনাৰ সন্মুখীন হৈছিল। অথচ, হাভেল চাহাবে বুদ্ধ আৰু সুজাতা ছবিখনৰ প্ৰশংসা কৰিছিল। এই প্ৰসঙ্গত ফৰাচী শিল্পী দেলাক্ৰয়াৰ (Delacroix- 1798-1863) কথা মনত পৰে। তেতিয়াৰ কালত দেলাক্ৰয়াৰ বহুত বিৰুদ্ধ সমালোচক আছিল—তাৰ এজন হ'ল এতিয়েন দেলাক্লুজ ( Etienne Delacluze- 1781-1865 )। আনহাতে প্ৰশংসাকাৰী আৰু উৎসাহদাতাও আছিল, যেনে, বোদলেয়াৰ (Baudelaire), গতিয়েৰ (Gautier) প্ৰভৃতি। দেলাক্লুজে প্ৰথাসিদ্ধ পদ্ধতিৰ শিল্প সমালোচক আছিল আৰু দেলাক্ৰয়াৰ স্থায়ী বিৰোধী সমালোচক। এবাৰ দেলাবোৰ্দে (Delaborde), মেক্‌ছিম দু কাম্প (Maxime du camp) প্ৰভৃতি শিল্প সমালোচকৰ তীব্ৰ সমালোচনাৰ পিছত দেলাক্ৰয়াই অত্যন্ত আঘাত পায় আৰু থিৰাং কৰে যে, কেতিয়াও আৰু চিত্ৰ প্ৰদৰ্শন নকৰে। কিন্তু, পিছত বোদলেয়াৰ, গতিয়েৰ, ডুমা (Dumes) আৰু পল্ দ্য ছেন্ট-ভিক্টৰ (Paul de saint-victor) এই চাৰিজনৰ উপদেশত আৰু সহানুভূতিত আশ্বস্ত হয়, আৰু সান্ত্বনা লাভ কৰে।

বহুতে কৈছিল অৱনীন্দ্ৰনাথ প্ৰাচীনপন্থী শিল্পী ; কিন্তু, পুৰণি আৰু নতুন, নাইবা ভাৰতবৰ্ষ আৰু ইউৰোপীয় কোনো চিত্ৰকলাকে তেওঁ অন্ধভাৱে অনুকৰণ কৰা নাছিল। তেওঁ আটাইকেইটা ৰীতি-পদ্ধতিক অন্তৰৰ জাৰক ৰসত জাৰিত কৰি এক নৱ চিত্ৰকলাৰ সৃষ্টি কৰিছিল। তেওঁৰ ছবিত তীব্ৰতা নাই, আছে স্নিগ্ধতা। ৰেখাৰ সুৰ ঝঙ্কাৰৰ নিচিনা এক মাধুৰ্য্যও লক্ষণীয়। অৱনীন্দ্ৰনাথৰ ছবিত বৌদ্ধিক বৃত্তিও দেখা যায়—অৰ্থাৎ বোধি আৰু বুদ্ধি দুয়োটা বস্তুৱে আছে। তেওঁৰ যোগ্য শিষ্য নন্দলাল বসু, এছ, এন, গুপ্ত, এইচ, কে, হালদাৰ আৰু জাপানৰ তাইকান আৰু হি-ছিদা।

পাশ্চাত্য চিত্ৰকলাৰ ইতিহাসত দেখা যায়, উনৈশ শতিকাৰ পৰা শিল্পীসকলে প্ৰথাগত ধ্যান-ধাৰণা আৰু কলাকৌশলৰ ভিতৰত আবদ্ধ থকা নাই। বাৰে বাৰে গতিৰ পৰিবৰ্তন হৈছে। উনৈশ শতিকাৰ চিত্ৰকৰ সকলে ধ্ৰুপদী সংস্থিতি, সতৰ্ক সম্পাদনা, সুসঙ্গতভাৱে ৰঙৰ ব্যৱহাৰ, বীৰৰসাত্মক বিষয়বস্তুৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰিছে। চাৰ্চ আৰু ষ্টেটৰ পৃষ্ঠপোষকতা বহুত কমি আহিছে। লগে লগে চিত্ৰকৰসকলৰ চিন্তাধাৰা আৰু দৃষ্টিভঙ্গী বহুত স্বাধীন আৰু মনোময় হৈছে। উনৈশ শতিকাৰ দ্বিতীয় ভাগ, কোৰবে (Courbet), দেগা (Degas) আদি শিল্পীসকলে সেই বীৰৰসাত্মক বিষয়বস্তু বৰ্জন কৰিছে।

পাশ্চাত্য চিত্ৰকলাত বিভিন্ন শিল্পবাদ (ইজম্) দেখা যায়। যেনে, ইম্‌প্ৰেছনিজম্, এক্সপ্ৰেছনিজম্, ফভিজম, কিউবিজম, ছাৰৰিয়েলিজম ইত্যাদি। আধুনিক ভাৰতীয় চিত্ৰকৰসকলৰ মাজত এই শিল্পবাদৰ অনুকৰণ আৰু অনুসৰণ দেখা যায়। এই আধুনিক চিত্ৰকৰসকলৰ বিজাতীয়তা সম্পৰ্কত বিখ্যাত কছ সমালোচক চেমিয়ান তুমায়েভে কৈছে : 'জনসমাজৰ লগত যোগসূত্ৰ থকা আধুনিক শিল্পীসকলৰ স্বাভাৱিক মনোভাৱত দেখা যায় তেওঁলোকে জাতীয়তাৰ মূলোচ্ছেদ নকৰি কলা সৃষ্টিৰ কথা কল্পনাই কৰিব নোৱাৰে। ঐতিহ্যৰ ধাৰাবাহিকতাক অস্বীকাৰ কৰি, বৰ্জন কৰি কোনো নতুন সৃষ্টি, কোনো নতুন ঐশ্বৰ্য মহিমাৰ আভাস দিয়া আৰ্টত সম্ভৱপৰ নহয়।' (পেট্ৰিয়ট ১৩।১১।৬৩)।

ইমপ্ৰেছনিজম (Impressionism) ঊনৈশ শতিকাত ফৰাচীদেশৰ এটা শিল্প আন্দোলন। চিত্ৰকলাৰ সংস্থিতি (Composition) আৰু ৰঙৰ ব্যৱহাৰৰ পদ্ধতি আঁতৰাই বাস্তৱজগতত প্ৰকৃতিৰ নি আলোকৰ খেলা আছে, এই শিল্পবাদী শিল্পীসকলে তাক চিত্ৰকলাৰ মাজেদি প্ৰকাশ কৰিবলৈ ধৰিলে। তীব্ৰ ৰং, তুলিৰ দীঘল আঁচ, তীব্ৰ আঁকটান ইত্যাদি ছবিৰ মাজত দেখা গ'ল। ৰঙৰ মাধ্যমেৰেই ছবিৰ গঠনপদ্ধতি হ'ল। গগাঁ (Ganguin), ভান গগ (Van Gogh), চিজান (Cezanne) এই জাতীয় শিল্পী। সময় ১৮৯৮ চন নাইবা তাৰ ওচৰাওচৰি।

ইম্‌প্ৰেছনিজমৰ বিৰুদ্ধে বিদ্ৰোহ কৰি এক্সপ্ৰেছনিজমৰ (Expressionism) যাত্ৰা। ইয়াত বহিৰ্জগততকৈ মনোজগতক বেছি প্ৰাধান্য দিয়া হল। সাহিত্য ৰচনাৰ ক্ষেত্ৰতে এই এক্সপ্ৰেছনিজম্ দেখা গ'ল। তাত বাস্তৱতাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি এক্সপ্ৰেছনিজমৰ আৰম্ভ। বাস্তৱ ঘটনাৰ বিৱৰণ দিয়াতকৈ মনস্তত্বমূলক কথাৰ সাহিত্যত প্ৰকাশিত হ'ল। কাফ্‌কা আৰু জেমছ্ জয়চৰ উপন্যাসবিলাক আৰু ষ্ট্ৰীণ্ডবাৰ্গৰ নাটকবিলাক এই শ্ৰেণীৰ অন্তৰ্গত।

ইম্‌প্ৰেছনিজমৰ বিৰুদ্ধে প্ৰথম উল্লেখযোগ্য আন্দোলন হৈছিল বিংশ শতাব্দীৰ প্ৰথমভাগত। সেই সময়ৰ ভিতৰতে ইমপ্ৰেছনিজম এটা আন্তৰ্জাতিক পদ্ধতি হৈ পৰে। আফ্ৰিকাৰ ভাস্কৰ্য আবিষ্কাৰ আৰু প্ৰত্নতত্ত্ববিষয়ক গৱেষণা আৰম্ভ হোৱাৰ লগে লগে শিল্পীসকলৰ মাজত এটা নতুন ঢৌ আহিল। পাৰস্য আৰু ভাৰতবৰ্ষৰ অতি ক্ষুদ্ৰাকাৰ চিত্ৰবোৰ চাই চিত্ৰকৰসকলে পৰম উৎসাহ-উদ্দীপনা পালে। চিত্ৰকৰসকলে নৃতত্ত্ব আৰু প্ৰত্নতত্ত্ববিষয়ক বস্তু সংগ্ৰহ কৰিলে আৰু সেইবোৰ আঁকিবলৈ ধৰিলে।

ইয়াৰ পিছত চিত্ৰকলাত দেখা গ'ল ফভিজম্ (Fauvism)। ফভিজম্ ফৰাচীদেশৰ ক্ষণস্থায়ী (১৯০৫-১৯০৮) এটা আৰ্ট আন্দোলন। হেনৰি মাতিছে (Henri Matisse) ইয়াৰ সম্ভাৱনাৰ পৰীক্ষা-নিৰীক্ষা চলাইছিল। ফভিজম্ প্ৰকাশিত চিত্ৰকলাত বিশুদ্ধ উত্তেজক ৰঙৰ ব্যৱহাৰ দেখা পৈছিল আৰু আছিল শিথিল কাৰিকৰি ৰঙৰ অত্যাধিক স্ফুৰণ আৰু ৰেখাৰ তীব্ৰতা।

'কিউবিজম্' (Cubism), হ'ল ঘনক্ষেত্ৰ বা আন জ্যামিতিক ৰেখাৰ সহায়ত অঁকা আধুনিক পদ্ধতি।' কিউবিজমৰ মানস-স্ৰষ্টা চিজানে (Cezanne) কিন্তু ১৯০৭ চনত ব্ৰাক (Braque) আৰু পিকাছোৱে (P icasso) তাৰ যথাৰ্থ ৰূপ দিছে। এই দুজন শিল্পীৰ ওপৰত দুটা প্ৰভাৱ লক্ষণীয়ঃ এটা হ'ল নিগ্ৰো ভাস্কৰ্য, আন এটা হ'ল চিজানৰ (Cezanne) শেহকালৰ চিত্ৰকলা। আচলতে the simplification of Ganguin and the analytical method of cezanne prepared the way of Fauvism and Cubism. (Ency. chambers's)। অৱয়ৱ, বিষয়বস্তু আৰু এই বিন্যাকৰ সংস্থাপনা সম্পূৰ্ণ জ্যামিতিক আকাৰৰ মাধ্যমেৰে প্ৰকাশ কৰা হ'ল। কিউবিষ্ট সকলে ধোঁৱাবৰণীয়া, কপিল আৰু কেতিয়াবা সেউজীয়া ৰঙৰ মাধ্যমেৰে চিত্ৰকলা ৰচনা কৰিলে। ১৯২৫ চনৰ পিছত পিকাছোৰ চিত্ৰবিন্যাক উদ্ভট কল্পনাযুক্ত আৰু স্বপ্নময় হ'ল। কেতিয়াবা ছাৰৰিয়ালিছম্ (surrealism)ৰ সুত্ৰ এটা দেখা গ'ল। পিকাছোৰ গুয়েৰনিকা (1973-Guernica) বৰ্তমানে, দি মিউজিয়াম অৱ মডাৰ্ন আৰ্ট, নিউ ইয়ৰ্ক চিটিত সংৰক্ষিত আছে।) নামে এটা ডাঙৰ মুৰাল (mural) সংস্থিতিত দুঃস্বপ্নৰ বিভীষিকাৰ পৰা উদ্ভূত স্পেইনৰ গৃহযুদ্ধৰ ভয়াবহতাৰ বিবৰণ উপস্থাপনা কৰা হৈছে। ১৯২০-১৯২১ চনত গগনেন্দ্ৰনাথ ঠাকুৰৰ চিত্ৰকলাত এক নতুন পদ্ধতিৰ পৰীক্ষা-নিৰীক্ষা আৰম্ভ হ'ল। সেইটো হ'ল, ভাৰতীয় চিত্ৰকলাত চতুষ্কোণবাদৰ এক নতুন ৰূপ আৰু আদৰ্শৰ অনবদ্য অভিব্যক্তি।" (এন, চি, গাঙ্গুলী)। বিখ্যাত শিল্প সমালোচক ষ্টেলা ক্ৰামৰিছে (Stella kramrisch) গগনেন্দ্ৰনাথ ঠাকুৰৰ এই নতুন ধৰণৰ চিত্ৰকলাক "ইণ্ডিয়ান কিউবিষ্টিক" বুলি উল্লেখ কৰিছে।

সপোনৰ সৰ্বশক্তিমত্তাত অস্পষ্ট যি বিস্ময়কৰ, যি সুন্দৰ-- এনেকুৱা মানসিকতাৰ পৰা ছাৰৰিয়ালিজমৰ (surrealism) সৃষ্টি। স্পেইনৰ শিল্পী জোৱান মিৰো (Joan Miro,6,1893) ছালভাদোৰ দালি (Salvador Dali 6,1904) প্ৰভৃতি শিল্পীসকলৰ চিত্ৰকলাত ছাৰৰিয়ালিজম্ প্ৰকাশ পাইছে। এই 'ইজম'ৰ প্ৰকাশ চিত্ৰকলাত প্ৰায় ১৯২০ চনত দেখা গৈছে। বহুত সমালোচকে মিৰোক (Miro) এই গোষ্ঠীত পেলাব নিবিচাৰে। ৰুছ শিল্পী মাৰ্ক ছাগল (Marc chagall,b, 1887) ক এই গোষ্ঠীত আনিব পাৰি। কিন্তু ছাৰৰিয়ালিষ্ট হিচাবে দালিই বেছিকৈ পৰিচিত। দালিৰ ছাৰৰিয়ালিজম্ বোলছবি, বিজ্ঞাপন আৰু নৃত্যাদিৰে মাজেদি প্ৰকাশ পাইছে।

বিমূৰ্ত শিল্পৰ (Abstract art) চাক্ষুষ পদাৰ্থৰ মিল নাথাকে, তথাপি, ইয়াত এক সুসংবদ্ধ ছন্দোময়তা আছে। শিল্পীৰ এক বিশেষ মুহূৰ্তৰ বিশেষ ভাবনাৰ (mood) প্ৰকাশ দেখা যায়। পল ক্লীয়ে (P aul klee-1879-1940) এই বিমূৰ্ত চিত্ৰকলা আৰম্ভ কৰিছে। পল ক্লীয়ে এজন চুইজাৰলেণ্ডৰ শিল্পী আৰু তেওঁ এজন সঙ্গীত শিক্ষকো আছিল। জাৰ্মানীৰ Blane Reiter গ্ৰুপ, জাৰ্মানীৰ ফ্ৰানজ্ মাৰ্ক (Franz Marc-1880-1916), ৰুছিয়ান কানডিনস্কি (Kan-



॥ কলেজৰ নতুন ভৱনৰ একাংশ ॥




।। ছাত্ৰ নিবাসৰ একাংশ ।।

dinsky–1866–1944) প্ৰভৃতি শিল্পীসকলে বিমূৰ্ত্ত চিত্ৰকলা ৰচনা কৰিছে। কিন্তু, এই গোষ্ঠীৰ ভিতৰত কান্‌ডিনস্কিই প্ৰধান।

বিভিন্ন স্তৰৰ মাজেদি লাহে লাহে সকলো শিল্পবাদ (ইজম্) আহিছে আৰু আগ বাঢ়িছে। শিল্পৰ ক্ষেত্ৰত বাস্তৱতাৰ পৰা বিমূৰ্ত্ততালৈ যাত্ৰাৰ এটা আভাস ১৯২১ চনৰ পৰা দেখা গৈছে। যি শিল্প আন্দোলন য'ত নতুনত্বৰ সৃষ্টি হৈছে,––সেইটো ঊনৈশ শতিকাৰ শেষকালৰ পৰা কুৰি শতিকাৰ প্ৰথম পঁচিশ বছৰৰ ভিতৰতেই হৈছে।

গ্ৰন্থপঞ্জী :


1. The Meaning of Art––Herbert Read.
2. Album of Indian Paintings––Mulk Raj Anand.
3. Cosmic Art of India––Radhakamal Mukherjee.
4. Encychopaedia Britannica.
5. Encychopaedia Columbia.
6. Encychopaedia Chambers's
7. Selected Letters––Eugene Delacroix.
8. Egyptian Painting—Heinrich Neumayer.
9. Korean Painting—Alfred Janata.
10. Matisse—Sandra Orienti (Hamlyn).
11. আমাৰ শিল্প ও আমাৰ কথা––ও. চি. গাঙ্গুলী।
12. সাহিত্যৰ কথা––ডাঃ গুৰুদাস ভট্টাচাৰ্য্য।

# মঙ্গলদৈৰ খটৰা সত্ৰ

শ্ৰীজীৱনচন্দ্ৰ শৰ্মা, এম, এ
প্ৰাক্তন ছাত্ৰ।

বৰ্তমান মঙ্গলদৈ মহকুমাৰ দীপিলা মৌজাৰ খটৰা গাঁৱত খটৰা সত্ৰ অৱস্থিত আৰু মহকুমাৰ ভিতৰতে ই এখন আগশাৰীৰ সত্ৰ। সত্ৰখন মহাপুৰুষীয়া যদিও, মঙ্গলদৈ আৰু কামৰূপ অঞ্চলৰ বৈষ্ণৱ- শাক্ত, শৈৱ---সকলো সম্প্ৰদায়ৰ লোকে দৈনিক এই সত্ৰ দৰ্শন কৰিবলৈ আহে। বিশেষকৈ ন-বোৱাৰী আৰু বিবাহযোগ্যা জীয়ৰী সকলৰ সত্ৰ দৰ্শনৰ ধুম বেছি। তেওঁলোকৰ বিশ্বাস মতে এই সত্ৰ দৰ্শন কৰিলে পুত্ৰ লাভ হয়, মনোমত দৰা পোৱা যায় আৰু শিপিনী হ'ব পাৰি।

সত্ৰখনৰ সম্পূৰ্ণ ইতিহাস পাবলৈ নাই। সপ্তদশ শতিকাৰ কবি ভূষণ মিশ্ৰৰ 'গোবিন্দ চৰিত'ত মাধৱদেৱৰ শিষ্য আৰু সপ্তম আচাৰ্য্য লেচাকণীয়া গোবিন্দ আতৈয়ে কেনেকৈ প্ৰতিকূল অৱস্থাৰ মাজত এই সত্ৰ স্থাপন কৰিলে, তাৰ এটি বিৱৰণহে মাত্ৰ পোৱা যায়। সেইমতে, মাধৱদেৱৰ শৰণ লোৱাৰ পাছত, আনুমানিক ষোড়শ শতিকাৰ সপ্তম কি অষ্টম দশকত আতৈয়ে পূব ফালে ধৰ্ম প্ৰচাৰ কৰিবৰ অৰ্থে পূৰ্বে গুৰুজনাই (মাধৱদেৱে) পূজা কৰা দশভূজাৰ মূৰ্তি এখান, কলীয়া মূৰ্তি দুই খান আৰু তিনিজন ভকত লৈ বৰ দৰঙত সোমায়। তেওঁলোকে য'তেই ৰাতি কটায়, ত'তেই মানুহক শৰণ ভজন দিয়ে। আহোঁতে পানীসেলি গাঁৱৰ কোনোবা পাটগিৰিয়ে কলীয়া গোসাই এখান খুজি ৰাখে। তেওঁলোকে প্ৰথমে ফুলুগুত থান পাতে; তাৰ পাছত নগৰাত। নগৰাত থাকোঁতে আতৈয়ে কৃষ্ণৰাম ডেকা নামৰ এজন লোকৰে সৈতে বহু মানুহক শৰণ দিয়ে। পিচত ইয়াত বানপানীৰ উপদ্ৰৱ হোৱাত, তাত নাথাকি বৰ্তমান খটৰা বোলা ঠাই ডোখৰলৈ আহে। সেই ঠাইলৈ আহি আতৈয়ে ভেকুলী এটাই সাপ এটা গিলা দেখে। এই অদ্ভুত দৃশ্যই আতৈৰ মনত কৌতূহলৰ সৃষ্টি কৰে আৰু এইটো শুভ লক্ষণ বুলি ভাবি কৃষ্ণাই ডেকা আদি ভকতসকলৰ হতুৱাই কীৰ্তন ঘৰ, মণিকূট, সচং আদি কৰায় আৰু ইয়াৰ যোগেদি তেওঁ ধৰ্ম প্ৰচাৰৰ কাম আৰম্ভ কৰে। কিন্তু, সেই সময়ত সেই অঞ্চলত বাস কৰা কিছুমান দুষ্ট প্ৰকৃতিৰ লোক বা খটে তেওঁৰ সেই কাৰ্য্যত বাধাৰ সৃষ্টি কৰিলে। সিহঁতক ভজাবলৈ মনস্থ কৰি আতৈয়ে প্ৰধান চাৰিজন খটক মাতি আনিলে; কিন্তু সিহঁতে আতৈত শৰণ লওক চাৰি এই বুলি কদৰ্থনাহে কৰিলে,

ৰৱতেগীয়া সাধু তুমি তাত নপাই ঠাই।
অৱণ্য ভাঙিলা আহি কাৰ আজ্ঞা পাই॥ ৪০
অৱণ্য কাটিয়া উখাৰিলা মৃগ গণ।
কাত সুধি বান্ধিলাহা ইয়াত ভৱন॥ (গোঃ চঃ)

খটৰ এই নিষ্ঠুৰ বাক্য শুনি আতৈয়ে সম্প্ৰতিকলৈ সিহঁতৰ মাজত ধৰ্ম প্ৰচাৰৰ কাম স্থগিত ৰাখি মাধৱদেৱৰ ওচৰ পালেগৈ। গুৰুজনাৰ ওচৰত সকলো বৃত্তান্ত দাঙি ধৰি এইবাৰ তেওঁৰ পৰা ৰাম, সীতা, লক্ষ্মণ আৰু হনুমানৰ মূৰ্তি খুজি আনি সত্ৰৰ মণিকূটত স্থাপন কৰিলে। এইবাৰো আগৰদৰে নাম কীৰ্তন চলিল। শঙ্খ, ঘন্টা, শিঙা, দমা, দোতোৰা, ঢেবেঙা, আদি বাদ্য যন্ত্ৰৰ সুমধুৰ ধ্বনিত গোটেই অঞ্চলটিয়ে আনন্দমুখৰ হ'ল আৰু লগে লগে এইবোৰত বিমুগ্ধ হৈ বহু মানুহে আতৈত শৰণ ললেহি। আনকি এদিনাখন সেই খট চাৰিজনেও আহি আতৈত শৰণ মাগিলে। আতৈয়ে সিহঁতক শৰণ দি সিহঁতৰ দুষ্ট বা খট ভাৱ হৰণ কৰিলে বাবে, তেতিয়াৰ পৰা সেই ঠাইখনৰ নাম আৰু লগতে সত্ৰখনৰ নামো খটহৰা বা খটৰা বাখিলে।

"খটক হৰিলা প্ৰভু গোবিন্দ প্ৰকাশি।
সি কাৰণে খটহৰা নাম ভৈলা আসি॥ ৫৯ (গোঃ চঃ)

খটৰাত নিগাজীকৈ সত্ৰ স্থাপন কৰি ধৰ্ম প্ৰচাৰ কৰাৰ পাচত গোবিন্দ আতৈয়ে মাধৱদেৱৰ পৰা যি দুৰ্গাৰ মূৰ্তি আনিছিল, তাক মন্দিৰৰ বাহিৰ কৰি পেলাই দিয়ে। যি ঠাইত পেলালে সেই ঠাইতে পিচত কেতেকী এজোপা গজি বহুদিনলৈ আছিল বুলি চৰিতত উল্লেখ আছে।

যি ঠাইত সোৱৰ্ণৰ প্ৰতিমা পৰিল।
সি থানত একচোপ কেতেকী গজিল॥
গোসানীৰ প্ৰতিমাক কেৱে নজানয়।
সেহি কেতেকীও অদ্যাপি আছয়॥ ১০৮ (গোঃ চঃ)

সেই অঞ্চলৰ দুই চাৰিজন বিজ্ঞলোকৰ পৰাও জনা যায়, সেই মূৰ্তি হেনো সত্ৰৰ উত্তৰ ফালে কেতেকী এজোপাৰ তলত পোত গৈ বহুদিনলৈ আছিল আৰু কোনো কোনোৱে বিশেষকৈ বড়ো সম্প্ৰদায়ৰ লোকে কিছু বছৰ আগলৈকে সেই দেৱীৰ উদ্দেশ্যে নৈবেদ্যাদি লৈ আহি, তেওঁলোকৰ নিয়মেৰে সেইবোৰ দেৱীলৈ আগবঢ়াইছিল। সত্ৰৰ তেওঁলোকৰ লগত কোনো সম্পৰ্ক নাছিল। তেওঁলোকৰ মতে সেই মূৰ্তি মাধৱদেৱৰ পৰা অনা নহয়। বহুদিন আগৰেপৰা সেই দুৰ্গাৰ মূৰ্তি তাত আছিল। পাচত গোবিন্দ আতৈ আহি সেই মূৰ্তি আঁতৰ কৰি সত্ৰ স্থাপন কৰিছিল। সেই অঞ্চলত প্ৰচলিত আন এটি কিংবদন্তি মতে,—বৰ্ত-

মান সত্ৰৰ যি ঠাইত মণিকূট আছে, তাতেই হেনো খটাসুৰ নামৰ এক অসুৰে যোৰ নামৰ পৰা খটৰা নাম হোৱা বুলি সেই অঞ্চলৰ মানুহে কয়) তেওঁৰ ইষ্ট দেৱী দুৰ্গা বা চণ্ডীৰ মূৰ্তি স্থাপন কৰিছিল আৰু গোবিন্দ আতৈৰ সময়লৈকে তাত আছিল। পিচত আতৈয়ে আহি সেই মূৰ্তি আঁতৰ কৰি, তাত ৰাম, লক্ষ্মণ, সীতা আৰু হনুমানৰ মূৰ্তি স্থাপন কৰিছিল। আমাৰ মতেও, যি একশৰণীয়া ধৰ্মত মূৰ্তিৰ স্থানেই নাই, তেনে একশৰণীয়া ধৰ্মৰ প্ৰধান পৃষ্ঠপোষক মাধৱদেৱে দুৰ্গাৰ মূৰ্তি তেওঁৰ প্ৰিয় শিষ্য গোবিন্দ আতৈৰ হাতত দি ধৰ্ম প্ৰচাৰ কৰিবলৈ পঠোৱা কথা বিশ্বাসযোগ্য হ'ব নোৱাৰে। সম্ভৱ কবিয়ে, শাক্ত প্ৰধান সেই অঞ্চলৰ লোকৰ মুখত চলি থকা কাহিনীৰ ওপৰত ভিত্তি কৰি পুথিত এই কথাৰ উল্লেখ কৰিছিল। বৰ্তমান সেই কেতেকী থকা ঠাই ডোখৰত পুখুৰী খনোৱা হৈছে আৰু আমি জনাত তাত কোনো মূৰ্তি পোৱা হোৱা নাই।

লেচাকণীয়া গোবিন্দ আতৈ আৰু খটৰা সত্ৰৰ উল্লেখ থকা আন এখন গ্ৰন্থ হ'ল 'কথা-গুৰু চৰিত'। তাতো গোবিন্দ আতৈয়ে মাধৱদেৱৰ পৰা মূৰ্তি আনি খটৰা সত্ৰত প্ৰতিষ্ঠা কৰাৰ কথা কোৱা নাই। তাত উল্লেখ থকা মতে,—"লেচাকনীয়া গোবিন্দ আতৈ চাই আবলৈ গৈছিল। ধন মেখিয়া মুখতে বৈ ভাত খাইছিল। কাঁহী কলহ লোটাটো দেখি তিনি কুৰি খাটে বেলি ধৰি হানি মাৰিব খোজে। বোলে নেমাৰিবি সকলো পাবি। ভাত কেটা খাওঁ পা। খাই সুবুদ্ধি দিলে। দি অনেক শাস্ত্ৰৰ সাখাঁবে কব ধৰিলে—তহতে গো ব্ৰাহ্মণ ভক্ত বৈষ্ণৱক মাৰি যি আন, সব জীয়ে কেনেকৈ? আৰ দোষ লব কোনে? নৰ্ক স্বৰ্গ সুখ দুখ কলে। সেইতে মন সোমাল। জীৱৰ নিকাৰ হৰি বিমুখৰ শুনি তেওঁকে গুৰু মানি শৰণ ললে তিনিও কুৰি খাটে। সেইতে দৰঙ্গাত সত্ৰকৈ ব'ল খটৰা গোবিন্দ।" (ক, গু, চ, ১ম সংস্কৰণ ৩৪৫ পৃঃ)

বৰ্তমান ৰাম, লক্ষ্মণ, সীতা হনুমান, আৰু লৱ-কুশৰ (লৱ-কুশৰ মূৰ্তি দুটাক কোনো কোনোৱে ভৰত-শত্ৰুঘ্নৰ মূৰ্তি বুলিও কয়। দুয়োটা মূৰ্তিয়েও পিচত স্থাপন কৰা।) মূৰ্তি স্থাপনৰ বাহিৰে এই সত্ৰত একশৰণীয়া ধৰ্মৰ সকলো আচাৰ-নীতি শ্ৰদ্ধাৰে পালন কৰা হয়। এক শৰণীয়া ধৰ্মৰ অনুগামী যি সকল লোক মূৰ্তি দৰ্শন কৰিবলৈ অনিচ্ছুক, তেওঁলোকে কীৰ্তন ঘৰত স্থাপন কৰা ভাগৱতৰ ওচৰত নৈবেদ্যাদি দি নাম কীৰ্তন কৰি গুচি আহে।

এই সত্ৰৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে, ইয়াত কোনো সত্ৰাধিকাৰ নাই। আতৈৰ অন্তিম সময়ত ভকতসকলে তেওঁক সত্ৰাধিকাৰ কাক পাতি থৈ যাব খোজে বুলি সোধাত আতৈয়ে এই বুলিহে কলে,—

গোবিন্দেও বুলিলন্ত সমূহক চাই।
মোহোৰ অন্তৰ জানা কেৱে মুৰি নাই॥
কাকাবাৰ মুৰ নাহি নাহি খটবাত।
এহিবাক্য কহিলন্ত গোবিন্দে সাখ্যাত॥১২০ (গোঃ চঃ)

বৰ্তমান এই সত্ৰ ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত সমিতিৰ দ্বাৰা পৰিচালিত হয় আৰু সত্ৰৰ নিত্য নৈমিত্তিক কৰ্মসমূহ দেউৰী আদিৰ দ্বাৰা সম্পাদন কৰোৱা হয়।

গুৰিৰে পৰা এই সত্ৰখনে ৰজাঘৰীয়া পৃষ্ঠপোষকতা পাই অহা গতিকে এই সত্ৰৰ অৱস্থা মঙ্গলদৈ মহকুমাৰ আন আন সত্ৰতকৈ ভাল। প্ৰথমে এই সত্ৰলৈ সাহায্য আগবঢ়ায় দৰঙী ৰজা চন্দ্ৰনাৰায়ণে (সপ্তদশ শতিকাৰ মাজভাগ)। তেওঁ মাটিবাৰী দান দিয়াৰ উপৰিও নতুনকৈ ঘৰ দুৱাৰ নিৰ্মাণ কৰি দিয়ে। কিন্তু, এই জনা ৰজাই মাটিবৃত্তি দান কৰি দিয়া যি ফলি আছিল, সেই ফলি বৰ্তমান সত্ৰত নাই। অনুমান কৰা হয়, মানৰ আক্ৰমণৰ সময়তে সি কেনেবাকৈ হেৰায়। সেয়ে ইংৰাজ চৰকাৰৰ আমোলত ফৰিমোহৰ দেখুৱাব নোৱাৰাৰ গতিকে, এই সত্ৰই দেৱোত্তৰ ভোগধনী আদি কোনো মাটিয়েই নেপালে। বৰ্তমান সত্ৰৰ নামত যি ৪০ বিঘা মাটি আছে, সি খেৰাজী মাটিহে। আন এজন দৰঙী ৰজা ধৈৰ্য্যনাৰায়ণেও (উনবিংশ শতিকাৰ আদিভাগ) সোণ-ৰূপৰ অলঙ্কাৰ, কাঁহ পিতলৰ বাচন আৰু বহু মূল্যবান কাপোৰকানি এই সত্ৰলৈ দান দিয়ে। তেওঁ ১৭৫৭ শকৰ ৩০ আঘোণ সোমবাৰে সম্পাদন কৰি দিয়া ৰকবাকত মতে, সত্ৰলৈ আগবঢ়োৱা দানৰ মূল্য আজি কালিৰ হিচাপত এক লক্ষ টকাৰ কম নহ'ব। কিন্তু অতি দুখৰ বিষয় সম্প্ৰতি অলপ অচৰপ সাজ-বাচন আৰু দুই-এপদ অলঙ্কাৰৰ বাহিৰে অধিকাংশ বস্তুৱেই সত্ৰত নাই। কিছুমান কালৰ সোঁতত এনেয়ে নষ্ট হ'ল, চোৰেও বহু বস্তু নিলে আৰু কিছুমান বস্তু হিচাপ নোহোৱাকৈ ব্যক্তিগত মানুহৰ ঘৰতো থাকি গ'ল। যদিও অন্তিম সময়ত আতৈয়ে---

"সমূহত ধৰ্ম থাপি বুলিলা বচন।
নকৰিবা কেৱে চোৰ ভাণ্ডাৰৰ ধন॥
ৰাম লক্ষ্মণৰ যে বত্ৰিশ অলঙ্কাৰ।
ধৰ্মক চিন্তিয়া কেৱে নকৰিবা নাৰ॥১২১ (গো চঃ)
যদি শ্ৰীৰামৰ একো দ্ৰব্য কৰা নাশ।
নাৰাখিবো সত্যে তাক কৰিবো বিনাশ॥"

বুলি সতৰ্ক কৰি দিয়ে, তথাপি পাপ-পুণ্যলৈ কৰ্ণপাত নকৰা দুই চাৰিজন অসৎ লোকে, এই সম্পত্তিৰ লোভ সামৰিব নোৱাৰিলে। অৱশ্যে এইবোৰ সম্পত্তি নাব হোৱা স্বত্বেও, সত্ৰৰ অৱস্থা অচল নহয়। দৈনিক অহা যাত্ৰী আৰু পাচতি আদিত দৰ্শকৰ পৰা উঠা দৰ্শনীৰ পৰা ইয়াৰ ভাল আয় হয়।

সম্প্ৰতি "ছকুৰি নাহৰৰ খুটা লগোৱা ভয় লগা কীৰ্তন ঘৰ" (খটৰা গোসাই ঘৰ, দোখোতে ভয়ঙ্কৰ, ছকুৰি নাহৰৰ খুটা না-থ) নাই যদিও তাৰ ঠাইত পৰিচালনা সমিতিৰ তত্বাৱধানত এটি বিৰাট আকাৰৰ মনোমোহা টিনৰ ঘৰ নিৰ্মাণ কৰা হৈছে। ইয়াৰ মণিকূট আৰু সত্ৰৰ দক্ষিণ ফালে আতৈৰ প্ৰথম সচং পতা

ঠাইত সত্ৰ ঘৰটিও চকুত লগা। সত্ৰৰ ভিতৰতে দেউৰী, ভঁৰালী আদি থকাৰো সুব্যৱস্থা আছে।

এই সত্ৰই আজি প্ৰায় চাৰিশ বছৰে মঙ্গলদৈত বৈষ্ণৱ ধৰ্ম আৰু সংস্কৃতিৰ প্ৰচাৰৰ অৰ্থে যিখিনি কৰি আছে, সি আচলতে প্ৰশংসনীয়। এই সত্ৰৰ যোগেদি প্ৰতি বছৰে ভাদ আৰু আহিনৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত হোৱা পাচতি বা পাচেতি এটা আকৰ্ষণীয় উৎসৱ। সেইদিনা ধন তাত পৰা নাম কীৰ্ত্তনৰে উৎসৱৰ কাম আৰম্ভ কৰাৰ পাচত দিনত ভাওৰ মেলা হয় আৰু সন্ধ্যাৰ আগে আগে উৎসৱৰ ঘাই অঙ্গ 'দধি-মথন' কাৰ্য্য সম্পাদন কৰা হয়। 'দধি-মথন' দৃশ্য ৰাইজৰ আগত দেখুৱাৰ আগতে লৱ বা কুশৰ মূৰ্তি মণিকূটৰ পৰা বাহিৰৰ থলাৰ নিৰ্দিষ্ট স্থানলৈ হৰি ধ্বনি কৰি অনা হয় আৰু সেই মূৰ্তিক শিশু কৃষ্ণ জ্ঞান কৰি তাত স্থাপন কৰা হয়। তাৰ পাচত কৃষ্ণৰ সম্মুখত আগেয়ে পাতি ৰখা 'দধি-মথন' শালত দধি-মথা কাৰ্য্য আৰম্ভ হয়। সত্ৰৰ ফালৰ পৰা নিৰ্দিষ্ট কৰি থোৱা কেইজনমান লোকে শালত লগাই থোৱা জৰি টানি, শ্ৰীকৃষ্ণৰ মাতৃ যশোদাই অন্যান্য গোপীসকলৰ সৈতে দধি মথা কাৰ্য্য অভিনয় কৰি দেখুৱায় আৰু ওচৰত থকা গায়ন-বায়ন সকলে নানা ৰকম কৃষ্ণগীত গায়। দধি-মথন কাৰ্য্য সমাপ্ত হোৱাৰ পাচত ৰাতি স্থানীয় খুলীয়া ভাওনাৰ দ্বাৰা 'দধি-মথন যাত্ৰা' অভিনয় কৰা হয়। পাচতিৰ আনুষঙ্গিক আন এটা উৎসৱ পিচদিনা পুৱা অনুষ্ঠিত হয়; সি হ'ল নন্দোৎসৱ। এই উৎসৱ দশম স্কন্ধ ভাগৱতত উল্লেখ থকা নন্দোৎসৱৰ আহিত পালন কৰা হয়। পাচতি আৰু নন্দোৎসৱ দুয়োটাই প্ৰাচীন অসমৰ ধৰ্মীয় অনুষ্ঠান আৰু ইয়াৰ সম্পৰ্ক শ্ৰীকৃষ্ণৰ জন্মৰ লগত। শ্ৰীকৃষ্ণৰ নামাকৰণৰ পাচতে নন্দৰ ঘৰত গোপীসকলে গাত নানা প্ৰকাৰ বং বিৰং সানি নন্দোৎসৱ পালন কৰে। মহাপুৰুষ শঙ্কৰদেৱৰ জন্মৰ চাৰিদিনৰ দিনা কুসুমৰ ভুঞাৰ ঘৰত পাচতি উৎসৱ হয়। খটবাতো এই উৎসৱ জন্মাষ্টমীৰ পিচত, ৰাইজৰ সুবিধাৰ্থে এক নিৰ্দিষ্ট দিনত (ভাদৰ সংক্ৰান্তিত) পালন কৰা হয়। পাচতি উৎসৱ খটবাৰ বাহিৰে মঙ্গলদৈৰ ওতোলা গাঁৱত পালন কৰা হয়, কিন্তু ই খটবাৰ দৰে জনপ্ৰিয় নহয়। খটবা সত্ৰত হোৱা আন এটা জনপ্ৰিয় উৎসৱ হৈছে 'খটবাৰ দেউল'। খটবা সত্ৰৰ দ্বাৰা অনুষ্ঠিত হোৱা এই দুই উৎসৱত মহকুমাৰ সকলো সম্প্ৰদায়ৰ লোকৰ এক বিপুল সমাবেশ হয় আৰু এই দৰে মহকুমাৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত সংহতি স্থাপন কৰাত ই এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। পাচতি আৰু দৌলত বাহিৰেও জন্মাষ্টমী, মহাপুৰুষ দুজনৰ জন্ম আৰু তিৰোভাৱ তিথি আদি বৈষ্ণৱ পৰ্ব সমূহ ইয়াত পালন কৰা হয়।

দৰঙীয়া সংস্কৃতিলৈ আগ বঢ়োৱা এই সত্ৰৰ আন এটা উল্লেখযোগ্য বৰঙনি হ'ল খুলীয়া ভাওনা। মঙ্গলদৈত খুলীয়া ভাওনাৰ অনুষ্ঠান গোবিন্দ আতৈৰ আগতে থকাৰ কোনো প্ৰমাণ পোৱা নাযায়। আতৈয়ে সৰ্বসাধাৰণৰ হৃদয়ত

বৈষ্ণৱ ধৰ্মৰ বীজ ৰোপণ কৰিবৰ অৰ্থে, ভকতসকলৰ সহযোগত মহাপুৰুষদ্বয়ৰ নাট অভিনয় কৰি দেখুৱাইছিল। আনকি তেওঁৰ অভিনয় নৈপুণ্যৰ কথা মহাৰাজ নৰনাৰায়ণৰ কাণতো পৰিছিলগৈ। তেওঁ এবাৰ আতৈক মাতি নি 'দধিৰ মথন' যাত্ৰা কৰিবলৈ অনুৰোধ জনালত, আতৈয়ে চেমনীয়া ল'ৰাক নাৰী-ৰূপে সজাই এনে কৃতকাৰ্য্যতাৰে ভাওনা কৰি দেখুৱালে যে, শেষত ৰজাই দাই ধৰি আতৈক সুধিবলৈ বাধ্য হ'ল—"দধিক মথিলা আনি নাৰী কি কাৰণ ?" মহাৰাজ নৰনাৰায়ণে আতৈৰ এই কৃতকাৰ্য্যতাত সন্তুষ্ট হৈ দান-দক্ষিণা দি বিদায় দিছিল। তেতিয়াৰ পৰা বৰ্তমানলৈকে খটৰা সত্ৰত এই সংস্কৃতিক অনুষ্ঠানটি পৰাম্পৰাগতভাবে চলি আছে আৰু এসময়ত মঙ্গলদৈৰ অন্যান্য ঠাইতো খটৰাৰ খুলীয়া ভাওনাৰ আহিতে বহু কেইটা খুলীয়া ভাওনাৰ দল গঠিত হৈছিল। এই সত্ৰই আগলৈকে যাতে এই পিচ পৰা অঞ্চলটিত ধৰ্ম আৰু সাংস্কৃতিক ক্ষেত্ৰত এক উল্লেখযোগ্য বৰঙনি আগবঢ়াই থাকিব পাৰে, আজি আমি তাকে কামনা কৰিছোঁ।

# মঙ্গলদৈ কলেজৰ আৰম্ভণি ঃ স্মৃতি ৰোমন্থন

শ্ৰীজীৱন চন্দ্ৰ শৰ্মা,
প্ৰাক্তন কাৰ্য্যালয় সহায়ক।

১৯৫১ চনত মঙ্গলদৈ মহকুমাৰ মহকুমাধিপতি শ্ৰীঅমিয় ভূষণ দাসগুপ্ত ডাঙৰীয়া আৰু আমাৰ স্থানীয় কেইজনমান বিদ্যুৎসাহী ব্যক্তিয়ে মঙ্গলদৈত কলেজ এখন পতাৰ মনোভাবেৰে সেই চনৰ জুন মাহত এখন ৰাজহুৱা সভা আহ্বান কৰিছিল। দাসগুপ্ত ডাঙৰীয়াৰ সভাপতিত্বত বহা সেই ৰাজহুৱা সভাত মহকুমাৰ বহুতো গণ্যমান্য লোক গোট খাইছিল আৰু বেছিভাগেই কলেজখন পতাৰ সপক্ষে মত দিছিল। তাৰ পাচত ইং ১৪।৭।৫১ তাৰিখে মঙ্গলদৈ চৰকাৰী হাইস্কুলত আৰু এখন সভা বহিছিল। শ্ৰীদাসগুপ্তৰ সভাপতিত্বত বহা সেই সভাই মঙ্গলদৈত কলেজ পতাৰ খাটাং সিদ্ধান্ত গ্ৰহণ কৰি প্ৰস্তাৱ এটা গ্ৰহণ কৰিছিল আৰু শ্ৰীদাসগুপ্তক সভাপতি আৰু শ্ৰীৰামেশ্বৰ শৰ্মাক সম্পাদক হিচাপে লৈ এখন পৰিচালনা সমিতিও গঠন কৰি দিছিল। আমি কলেজ পতাৰ আয়োজনত আগ ভাগ ল'ব পৰা নাছিলোঁ যদিও, মঙ্গলদৈত কলেজ এখন হ'ব বুলি শুনি বৰ ৰং পাইছিলোঁ।

সেই দিনাখন ১৯৫১ চনৰ চেপ্তেম্বৰৰ ১৮ তাৰিখ; সন্ধ্যা এক মান বাজিছিল। হঠাতে মোৰ কাৰ্য্যালয়লৈ (লোকেল বৰ্ড অফিচ) এচ, ডি, অ'ৰ পিয়ন-জন সোমাই আহি মোক এছ, ডি, অ' ই মতা বুলি কলেহি। অলপ সময়ৰ পিচত মই গৈ তেওঁক দেখা কৰিলোঁ। মোক বহিবলৈ দি তেওঁ কলে যে, কলেজখন ২১।৯।৫১ তাৰিখৰ পৰা আৰম্ভ কৰাৰ কথা। গতিকে তাৰবাবে বিনা দৰ্মহাই খাটিব পৰা এজন কাৰ্য্যালয় সহায়ক লাগে। তেওঁ হেনো তেওঁৰ কাৰ্য্যালয়ৰ কেইবাজনকো অনুৰোধ কৰিলে; কিন্তু কোনো বিনা দৰ্মহাই খাটিবলৈ ইচ্ছুক নহ'ল। গতিকে মই যেনে তেনে কলেজৰ প্ৰাৰম্ভিক কামখিনি কৰি দিব লাগে। অকল মহকুমাধিপতি বুলিয়েই নহয়, এজন ভদ্ৰলোক হিচাপেও মই দাসগুপ্ত ডাঙৰীয়াক শ্ৰদ্ধা কৰিছিলোঁ। মই তেওঁৰ কথাত সন্মতি দিলোঁ আৰু সেইমতে উক্ত তাৰিখৰ পৰাই মঙ্গলদৈ পাব্লিক লাইব্ৰেৰীত কাৰ্য্যালয় সহায়ক হিচাপে কলেজৰ কাম আৰম্ভ কৰিলোঁ। অৱশ্যে, একেবাৰে বিনা দৰ্মহাই নহয়। প্ৰথমতে কলেজৰ আৱশ্যকীয় কাগজ-পত্ৰ, চিয়াঁহী, কলম আদি মোৰ কাৰ্য্যালয়

লোকেল বোর্ড অফিচৰ পৰাই কিছু কিছু নিছিলোঁ। চেশ্চেনবৰ ভিতৰত আমাৰ ছাত্ৰৰ সংখ্যা ৫০ জন মান হৈছিল। শেষত সত্তৰ ৬০ জনমান হৈছিলগৈ। সেই সময়ত অৰ্হতা সম্পন্ন অধ্যাপক নোপোৱালৈকে এই কেইজন ব্যক্তিক অবৈতনিক অধ্যক্ষ আৰু অধ্যাপক হিচাপে কাম কৰিবলৈ আমাৰ কলেজ কর্তৃপক্ষই অনুৰোধ জনাইছিল--(১) শ্ৰীপুৰন্দৰ শৰ্মা, এম, এ, বি, এল (অধ্যক্ষ), (২) শ্ৰীৰামেশ্বৰ শৰ্মা, বি, এল, (৩) শ্ৰীসতোন দাসগুপ্ত, বি এল, (৪) শ্ৰীভবানন্দ ৰাজখোৱা এম, এ, (৫) শ্ৰীশশীন্দ্ৰ মোহন বসু, বি, এ, (৬) °ৰকদুল আলি, বি, এ, বি, টি, (৭) °ধৰ্মনাথ শাস্ত্ৰী।

এইসকল ব্যক্তিয়েই মঙ্গলদৈ চৰকাৰী হাইস্কুলত চেশ্চেনবৰ শেষৰ সংতাহত পাঠদানৰ পাতনি মেলি কলেজৰ শুভাৰম্ভ কৰিছিল। কেইমাহমান যোৱাৰ পাচত আমাৰ কলেজলৈ শ্ৰীসদাশিৱ চক্ৰৱৰ্তী, শ্ৰীককণাকান্ত শৰ্মা আৰু °হৰকান্ত মহন্ত অৰ্হতা সম্পন্ন অধ্যাপক হিচাপে আহিছিল। এওঁলোকে যোগদান কৰাৰ লগে লগে অবৈতনিক হিচাপে কাম কৰা অধ্যাপক কেইগৰাকীয়ে কাম ইস্তফা দিছিল। অৱশ্যে ইয়াৰ ভিতৰত শ্ৰীপুৰন্দৰ শৰ্মাদেৱ ১৯৬৬ চনলৈ প্ৰথম অৱস্থাত অবৈতনিক আৰু পিচত পূর্ণ পৰ্য্যায়ৰ অধ্যক্ষ হিচাপে আৰু ভবানন্দ ৰাজখোৱাদেৱ ১৯৫৬ চনলৈকে সাময়িক অংশকালীন অধ্যাপক (part time) হিচাপে কলেজত আছিল। সেই সময়ত অকল আমাৰ কলেজৰে নহয়, অসমৰ সমূহ কলেজৰে এটা ডাঙৰ সমস্যা আছিল কলেজ শিক্ষকৰ নাটনি। আমাৰ ছাত্ৰসকল দ্বিতীয় বাৰ্ষিক শ্ৰেণী পোৱালৈকেও কলেজ কর্তৃপক্ষই অৰ্হতা থকা ইংৰাজী আৰু বুৰঞ্জীৰ অধ্যাপক দিব পৰা নাছিল। আনকি, মই নিজেও ইংৰাজীৰ অধ্যাপক বিচাৰি দুবাৰ তেজপুৰলৈ যাবলগা হৈছিলোঁ। প্ৰথম গৈছিলোঁ শ্ৰীসুৰেন্দ্ৰ কুমাৰ চৌধুৰী নামৰ এজন অধ্যাপকৰ ওচৰলৈ। কিন্তু তেওঁ উপাধ্যক্ষ পদ নেপাই নাহিল। তাৰ পাচত গৈছিলোঁ শ্ৰীহাসয়ৰঞ্জন দাস নামৰ দৰং কলেজৰ এজন ইংৰাজী অধ্যাপকৰ ওচৰলৈ। তেওঁ দুটা চৰ্ত দি এখন দৰ্খাস্ত মোৰ হাতত দিছিল। তেওঁৰ প্ৰথম চৰ্তটো আছিল--পোনপ্ৰথম দৰ্মহা ২৫০ টকা দিব লাগিব। দ্বিতীয়টো আছিল, যেতিয়া উপাধ্যক্ষ লোৱা হ'ব তেতিয়া তেওঁক উপাধ্যক্ষ পাতিব লাগিব। মই তেওঁৰ দৰ্খাস্তখন আনি আমাৰ কলেজ কর্তৃপক্ষক দিছিলোঁ আৰু তেওঁলোকে প্ৰথম চৰ্তটো মানি লৈ তেওঁক নিযুক্তি দিছিল। পিচত দাসক উপাধ্যক্ষ পদো দিয়া হৈছিল। বুৰঞ্জীৰ অধ্যাপক হিচাপে শ্ৰীগজেন্দ্ৰনাথ ঠাকুৰীয়াই যোগদান কৰিলেহি ছাত্ৰসকলৰ বাছনি পৰীক্ষাৰ আগে আগে। মই থকা সময়ৰ অধ্যাপক আছিল এই কেইগৰাকীয়েই। সম্প্ৰতি, কলেজত এই কেইগৰাকীৰ কোনো গৰাকীয়েই নাই; কিন্তু মোৰ সৌভাগ্যৰ কথা হ'লে তেওঁলোক সদায় আছে।

সেই সময়ত আমাৰ ডাঙৰ অভাৱ আছিল টকাৰ। সেই অভাৱ কিছু পৰিমাণে পূৰণ কৰিছিল, সেই সময়ত Liquidation ত যোৱা মঙ্গলদৈ চহৰৰ

বাইজৰ সমবায় দোকানৰ অংশীদাৰসকলে তেওঁলোকৰ share money বোৰ কলেজৰ পুঁজিলৈ দান দি। প্ৰথম অৱস্থাত ৰাইজৰ বৰঙণিও উৎসাহজনক আছিল।

ইয়াৰ ভিতৰতে আহিছিল কলেজ পৰিদৰ্শন কৰিবলৈ শ্ৰীঅশ্বিনীকুমাৰ কাকতিদেৱ। তেওঁ আমাৰ তলৰ বিষয় কেইটা চাব খুজিছিল আৰু এই বিষয় কেইটা কলেজ পৰিদৰ্শন কৰাৰ আগতে আমাক জানিব দিছিল। এই বিষয়কেইটা আছিল—(১) কলেজৰ মাটি (২) নিজা ঘৰ (৩) ৰিজাৰ্ভ ফাণ্ডত পঁচিশ হাজাৰ টকা (৪) লাইব্ৰেৰীত অন্ততঃ পাঁচশ টকাৰ কিতাপ (৫) প্ৰত্যেক বিষয়ৰ অধ্যাপক (৬) ছাত্ৰ-ছাত্ৰীৰ সংখ্যা (৭) ট্ৰাইবেল ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। নিৰ্দ্ধাৰিত সময়ত বৰকাকতিদেৱ কলেজ পৰিদৰ্শন কৰিবলৈ আহিল। তেওঁ কলেজ পৰিদৰ্শন কৰি সন্তুষ্ট হৈ শেষত কলেজৰ স্থান দুটা চাব খুজিলে। প্ৰথম ঠাইডোখৰ আছিল লেঙেৰী পাৰাত, মাটিৰ পৰিমাণ ১১ বিঘা। দ্বিতীয় স্থান আছিল উপহু পাৰাত (বৰ্তমান স্থান), মাটিৰ পৰিমাণ ৫০ বিঘা (V.G.R)। তেওঁ দুয়োখন ঠাই চাই দ্বিতীয় ঠাইখনকেই কলেজৰ কাৰণে উপযুক্ত বুলি বিবেচনা কৰিলে আৰু পৰিদৰ্শন বহীত তেওঁৰ এই সিদ্ধান্ত লিপিবদ্ধ কৰিলে।

ইতিমধ্যে শ্ৰীদাসগুপ্ত বদলি হৈ গৈছিল আৰু তেওঁৰ ঠাইত শ্ৰীজিতেন্দ্ৰ নাথ দাস (বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য) মহকুমাধিপতি হিচাবে আহিছিল। তেওঁ অহাৰ কিছুদিন পিচতে কলেজৰ স্থান সঠিক কৰাৰ উদ্দেশ্যে পৰিচালনা সমিতিৰ এখন সভা বহিল। তেওঁ পৰিচালনা সমিতিৰ সভাপতি (তেতিয়া মহকুমাধিপতি সকলেই পৰিচালনা সমিতিৰ পদেন সভাপতি আছিল)। সেই সভাত এটা দলে লেঙেৰী পাৰাত কলেজৰ স্থান নিৰ্বাচন কৰাত বৰ জোৰ দিছিল। মই তেতিয়া পৰিদৰ্শকৰ টোকা সভাপতি দাস ডাঙৰীয়াৰ আগত দাখিল কৰিলোঁ আৰু লগতে 'উপহু পাৰা কলেজৰ স্থান হ'ব লাগে' বুলি নিজৰ ইচ্ছাও প্ৰকাশ কৰিলোঁ। অৱশেষত, পৰিচালনা সমিতিয়ে উপহু পাৰাৰ স্থান ডোখৰকে মনোনীত কৰি De-reserved কৰিবলৈ চৰকাৰলৈ লিখিলে আৰু এইদৰেই কলেজৰ স্থান উপাহপাৰা হয়গৈ।

মই থকা অৱস্থাত কলেজৰ ফুটবল টীমটো প্ৰথম বাৰৰ বাবে আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাত যোগদান কৰিবলৈ যোৰহাটলৈ গৈছিল। আমাৰ কলেজে ফাইনেল খেল খেলিব নেপালে যদিও সেই সময়ৰ কেইবাটাও ডাঙৰ টীমক হেৰুৱাই কোৱাৰ্টাৰ ফাইনেল পাইছিলগৈ।

১৯৫২ চনৰ শেষৰ ফালে মোৰ নিজৰ কাৰ্য্যালয়ত প্ৰমোচন হোৱাৰ লগে লগে কামৰ দায়িত্ব বহুখিনি বাঢ়ি গৈছিল আৰু মই শেষত কলেজৰ চাকৰি ইস্তফা দিবলৈ বাধ্য হৈছিলোঁ। মোৰ ঠাইত তেতিয়াই বৰ্তমান কাৰ্য্যালয়ৰ মুখ্য সহায়ক শ্ৰীমহচিন আলি আহিছিল।

মঙ্গলদৈ কলেজলৈ মোৰ বৰঙণি যৎসামান্য যদিও, আজিও তাকে লৈয়ে গৌৰৱ অনুভৱ কৰোঁ। মঙ্গলদৈ কলেজৰ উন্নতিক আজিও মই নিজৰ ব্যক্তিগত উন্নতি বুলিয়েই গণ্য কৰোঁ।

# মঙ্গলদৈ কলেজৰ স্মৃতি

শ্ৰীকৰুণাকান্ত শৰ্মা, এম, এ,
প্ৰাক্তন অধ্যাপক।

স্বাধীনতা লাভৰ পিচত সমগ্ৰ দেশতে শিক্ষাৰ প্ৰতি জনসাধাৰণৰ অনুৰাগ বাঢ়ি আহিছিল যদিও, উচ্চ শিক্ষাৰ অনুষ্ঠান আশানুৰূপভাৱে গঢ় লৈ নুঠা বাবে অনেক মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হ'ব লগাত পৰিছিল। এনে এচাম ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে ১৯৫১ চনত, কেইগৰাকীমান শিক্ষাপ্ৰেমী, নিষ্ঠাবান আৰু উৎসাহী ব্যক্তিয়ে এখন আৰ্টচ কলেজ স্থাপনৰ যোগেদি মঙ্গলদৈ চহৰৰ বুকুত এটা নতুন অধ্যায়ৰ সূচনা কৰিছিল। আৰ্থিক অনাটনৰ বাবে কলেজ স্থাপন কৰা সেই সময়ত এটা দুঃসাহসিক কাৰ্য্য আছিল। তথাপি সংগঠন সমিতিৰ সদস্যসকলে অদম্য উৎসাহ উদ্দীপনাৰে ক্ৰমত আগবাঢ়ি আই, এ ক্লাছ আৰম্ভ কৰিছিল।

১৯৫২ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ১৯৫৫ চনৰ চেপ্তেম্বৰ মাহলৈ মঙ্গলদৈ কলেজৰ লগত মোৰ ঘনিষ্ঠ সম্বন্ধ আছিল। কলেজৰ নিজা ঘৰ নথকাত নৈশ ক্লাছ আৰম্ভ কৰিছিল মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ কেইটামান কোঠাত। হাইস্কুলৰ অধ্যক্ষৰ কোঠাৰ পূবৰ কোঠাটো আছিল—অফিচ, লাইব্ৰেৰী, অধ্যক্ষ অধ্যাপকসকলৰ কমনৰুম আৰু ছাত্ৰীসকলৰ জিৰণি কোঠা। স্কুলৰ পূব-দক্ষিণ কোণৰ কোঠাত ক্লাছ বহিছিল। নৈশ ক্লাছ হলেও কলেজত সহশিক্ষাৰ ব্যৱস্থা আছিল। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ৬০ জন। সংখ্যাত কম হলেও তেওঁলোকৰ শিক্ষাৰ প্ৰতি আগ্ৰহ আৰু শিক্ষকৰ প্ৰতি শ্ৰদ্ধা আছিল অসীম। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে আছিল মেধাৱী, সেয়ে প্ৰথম আই, এ পৰীক্ষাত কেইবাজনেও কৃতিত্বেৰে উত্তীৰ্ণ হৈছিল। দুই এগৰাকী অভিভাৱকেও নিজৰ ছোৱালীক অনা নিয়া কৰোঁতে অহা-যোৱা কৰিবলগীয়া হোৱাত আৰু উচ্চ শিক্ষাৰ প্ৰতি থাউতি থকাত নিজেও নাম ভৰ্তি কৰি লৈছিল। শিক্ষকতা জীৱনৰ প্ৰথম ক্লাছটো কৰিবলৈ গৈ যেতিয়া প্ৰথম বেঞ্চত ৺ভোগৰাম পাটোৱাৰীদেৱক ছাত্ৰ হিচাবে বহি থকা দেখিছিলোঁ ভয়াত, লাজত বঙা-ছিঙা পৰিছিলোঁ। তেখেত মোৰ মামা ৺ধৰ্মনাথ শাস্ত্ৰীৰ বন্ধু আৰু সমবয়সৰ আছিল। শিক্ষকসকলৰ সমবয়সৰ আৰু কেইবাজনো মেধাৱী ছাত্ৰ আছিল। তেখেতসকলৰ উপস্থিতিয়ে শিক্ষকসকলক পাঠদানত যথেষ্ট যত্নবান হ'বলৈ বাধ্য কৰিছিল। ক্লাছত প্ৰশ্নৰ অৱতাৰণা কৰি পাঠৰ কঠিন সমস্যাবোৰ সমাধান কৰাই ছাত্ৰ-ছাত্ৰীৰ বোধগম্য কৰাত সহায় কৰিছিল। সেইসকল

ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই ঋণী এইবাবেই যে, শিক্ষকতা জীৱনৰ ভৱিষ্যতৰ মূলধন আহৰণ কৰিছিলোঁ তেওঁলোকৰ পৰাই। সান্ধ্য ভ্ৰমণলৈ অহা কিছু ব্যক্তিয়ে খিৰিকীৰ বাহিৰৰ পৰা আমাৰ বক্তৃতা শুনি আমাক উৎসাহিত কৰিছিল।

তেতিয়া মঙ্গলদৈত বিজুলী চাকি নথকাত বাতি 'হেজাগ লাইট'ৰ পোহৰত ক্লাছ কৰা হৈছিল। আজিকালি কলেজৰ নৈশশাখাত বিজুলী চাকিৰ যান্ত্ৰিক বিভ্ৰাট দৈনন্দিন ঘটনাত পৰিণত হৈছে আৰু বহুসময়ত ক্লাছ ছুটি দিবলগীয়া হয়; কিন্তু মঙ্গলদৈ কলেজত পোহৰৰ অসুবিধাত কেতিয়াও ক্লাছ ছুটি দিবলগীয়া হোৱা নাছিল আৰু সেইবাবে পোহৰ নিয়ন্ত্ৰণৰ দায়িত্বত থকা 'মতি' সকলোৰে ধন্যবাদৰ পাত্ৰ হৈছিল।

কলেজৰ বিষয় সীমিত হোৱা বাবে অধ্যাপকৰ সংখ্যাও আছিল তেনেই সীমিত। প্ৰথম কলেজৰ ক্লাছ আৰম্ভ কৰিছিল স্থানীয় অধিবক্তা কেইগৰাকীমানে। সেই সময়ত অৰ্হতাসম্পন্ন অধ্যাপকৰ যথেষ্ট অভাৱ আৰু দৰমহাও আছিল তেনেই কম। তেতিয়া বে-চৰকাৰী কলেজৰ শিক্ষকৰ দৰমহা আছিল ১৭৫'০০ (একশ পইশতৰ) টকা। কিন্তু মঙ্গলদৈ কলেজৰ পৰিচালনা সমিতিয়ে ২০০'০০ (দুইশ) টকাকৈ দৰমহা দি এটি নতুন অভিলেখ স্থাপন কৰিছিল। অসমত সেই নিৰিখ আছিল উচ্চতম। সেই নিৰিখত দৰমহা দিয়ো অধ্যাপক নিযুক্তিৰ সমস্যা সমাধান কৰাত যথেষ্ট সময় লাগিছিল। ইংৰাজীৰ অধ্যাপকৰ সমস্যাই প্ৰকট ৰূপ ধাৰণ কৰিছিল বহুদিনলৈ। এসময়ত আনকি ময়ো ইংৰাজীৰ ক্লাছ লবলৈ বাধ্য হৈছিলোঁ। শ্ৰীজীৱন শৰ্মাদেৱৰ অশেষ চেষ্টাৰ ফলত ইংৰাজীৰ অধ্যাপকৰ সমস্যা সমাধান হৈছিল। তেখেত তেজপুৰলৈ গৈ দৰং কলেজৰ অধ্যাপক শ্ৰীহৃদয় ৰঞ্জন দাসক আনিছিল।

সেই সময়ৰ অধ্যাপকসকল আছিল——অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মা (অবৈতনিক), শ্ৰীহৃদয় ৰঞ্জন দাস (ইংৰাজী), শ্ৰীসদাশিৱ চক্ৰবৰ্তী (সংস্কৃত), শ্ৰীভবানন্দ ৰাজখোৱা, (অসমীয়া, পাৰ্ট-টাইম), ৺ৰকদুম আলি (পাৰ্চী-পাৰ্ট-টাইম), ৺হৰকান্ত মহন্ত (তৰ্কশাস্ত্ৰ), শ্ৰীকমলাকান্ত শৰ্মা (পৌৰবিজ্ঞান), শ্ৰীগজেন ঠাকুৰীয়া (বুৰঞ্জী)।

পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাতা সভাপতি শ্ৰীঅমিয় ভূষণ দাসগুপ্তৰ (মহকুমাধিপতি) কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণি স্মৰণীয়। তেখেতেই কলেজ প্ৰতিষ্ঠাৰ বাবে অত্যাৱশ্যকীয় ধন সংগ্ৰহ কৰি দি কলেজৰ ভেটি সুদৃঢ় কৰিছিল। প্ৰতিষ্ঠাতা সচিব অধিবক্তা শ্ৰীৰামেশ্বৰ শৰ্মাদেৱে সদায় কলেজৰ চিন্তা লৈয়ে ব্যস্ত আছিল। কলেজৰ উন্নতিৰ হকে সকলো প্ৰকাৰে চেষ্টা কৰিছিল। প্ৰতিষ্ঠাতা অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মাদেৱে তেতিয়া সক্ৰিয় ৰাজনীতিত ব্যস্ত থকা স্বত্বেও কলেজৰ উন্নতিৰ প্ৰতি সদায় যত্নপৰ আছিল। শ্ৰীজীৱন শৰ্মাদেৱ যদিও প্ৰতিষ্ঠাতা মুখ্য অফিচ সহায়ক আছিল তথাপি আমাৰ বাবে তেখেতেই আছিল কলেজৰ অত্যাৱশ্যকীয় ব্যক্তি। হাঁহিভৰা মুখেৰে সদায় সকলো সমস্যা সমাধান কৰিছিল।

বছৰ বাগৰি যোৱাৰ লগে লগে ধন সংগ্ৰহ কৰাৰ আৱশ্যক হৈছিল। স্থানীয় ৰাইজ, অধ্যাপক আনকি ছাত্ৰসকলেও কলেজৰ পুঁজি সংগ্ৰহ কৰাত মনোনিবেশ কৰিব লগা হৈছিল। কলাইগাঁও, খাৰুপেটিয়া আদিৰ সাপ্তাহিক বজাৰৰ দিনবোৰত আমি ছাত্ৰসকলৰ লগত গৈ উৰাচাদৰ পাতি ৰাইজৰ পৰা ভিক্ষা বিচাৰিছিলোঁ আৰু সঁহাৰিও পাইছিলোঁ। অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মাদেৱ, সচিব শ্ৰীৰামেশ্বৰ শৰ্মা, শ্ৰীজীৱন শৰ্মা, শ্ৰীখাৰঘৰীয়া (চাহবাগিচাৰ ক'লা ছোৱালীৰ 'মিতিং' বাবু) আৰু মই বহুদিনেই সেই লোকেল বোৰ্ডৰ 'ল্যাণ্ড ৰোভাৰ' গাড়ীখনত উঠি চাহবাগিছাবোৰত ধন সংগ্ৰহ কৰিছিলোঁ। বাগিছাৰ চাহাবৰ (ভাৰতীয়) 'Have you got kagash with you ?' আদি ইংৰাজী বচন আমাৰ হাঁহিৰ খোৰাক হৈছিল আৰু তেনেধৰণৰ বহুত ঘটনাই ঘটিছিল। এইদৰে বছৰ বাগৰি যোৱাত ৰাইজৰ বহুতেই কলেজ হোৱা বুলি ভাবিবলৈ লৈছিল।

১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে ডঃ অম্বিনী কুমাৰ কাকতিদেৱক কলেজ পৰিদৰ্শন কৰিবলৈ পঠিয়াইছিল। কলেজৰ অধ্যাপকসকল আৰু ছাত্ৰছাত্ৰীৰ বাহিৰে তেখেতক দেখুৱাবলৈ একোৱেই নাছিল। প্ৰথমতে বহুত আসোঁৱাহ আঙুলিয়ালেও শেষত তেখেতে পৰীক্ষা দিবপৰা অনুমতি দিছিল। সেই বছৰেই গুৱাহাটীৰ কটন কলেজৰ পৰীক্ষা কেন্দ্ৰত ছাত্ৰ-ছাত্ৰী সকলে পৰীক্ষা দিছিল আৰু চিনাতুন্বকৰণৰ বাবে মই তেওঁলোকৰ লগত গৈছিলোঁ। পৰীক্ষাৰ ফল খুবেই ভাল হৈছিল। লাহে লাহে চহৰৰ পশ্চিম প্ৰান্তত বনৰগৰীয়ে আৱৰি থকা কলেজৰ মাটিখিনিৰ বননি ভঙোৱা কাম আৰম্ভ হৈছিল আৰু ঘৰ নিৰ্মাণৰ আলাপ আলোচনা চলিছিল।

ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে সুনাগৰিক হৈ সমাজৰ হিত সাধিব লাগিলে মানসিক উৎকৰ্ষ সাধনৰ লগতে শাৰীৰিক উৎকৰ্ষ সাধনবো প্ৰয়োজন। সেই প্ৰয়োজনীয়তা উপলব্ধি কৰি কলেজৰ সীমিত পৰিবেশৰ মাজতো চেষ্টাৰ ত্ৰুটি কৰা হোৱা নাছিল। কলেজত ছাত্ৰ একতা সভা নোহোৱা স্বত্বেও ছাত্ৰ-ছাত্ৰীসকলে সুকুমাৰ কলা আৰু খেল-ধেমালিত নিজৰ প্ৰতিভা বিকাশ কৰাৰ সুযোগ পাইছিল। ১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোৰহাটত অনুষ্ঠিত হোৱা আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাত আমি প্ৰথম বাৰৰ বাবে যোগদান কৰি প্ৰথম ৰাউণ্ডত নগাওঁ কলেজক পৰাজিত কৰি দ্বিতীয় ৰাউণ্ডৰ খেলতো যথেষ্ট যোগ্যতা অৰ্জন কৰিছিলোঁ। আমাৰ খেলুৱৈৰ উচ্চ মানদণ্ডৰ খেলে ৰাইজক মোহিত কৰিছিল আৰু খেলুৱৈসকলক ভূয়সী প্ৰশংসা কৰিছিল। শ্ৰীনগেন চৌধুৰী, শ্ৰীফণি ডেকা, শ্ৰীমহিবুল হক আৰু শ্ৰীশিল্প ৰাজখোৱা আদি খেলুৱৈৰ নাম উল্লেখ নকৰি নোৱাৰিলোঁ। সেই ফুটবল দলৰ ভাৰপ্ৰাপ্ত অধ্যাপক হিচাবে যোৱাৰ সৌভাগ্য মোৰেই হৈছিল। 'কলেজসপ্তাহ' 'একাঙ্কিকা নাট' আদিৰ তেতিয়া প্ৰচলন নোহোৱা স্বত্বেও দীঘলীয়া বন্ধবোৰৰ আগনিশা ছাত্ৰ-ছাত্ৰীসকলে বিচিত্ৰানুষ্ঠান আদি অনুষ্ঠিত কৰিছিল। স্থানীয় নাট্য মন্দিৰত এখন বিচাৰানুষ্ঠানত কলেজৰ ছাত্ৰীসকলে 'শোণিত কুঁৱৰী' নাটকৰ

কেইটিমান দৃশ্য কৃতিত্বৰে প্ৰদৰ্শন কৰিছিল। বাসৱজাৰ ভাওত শ্ৰীমতী হেমন্তী দেৱী, অনিৰুদ্ধৰ ভাওত শ্ৰীমতী অমলা কটকী, চিত্ৰলেখাৰ ভাওত শ্ৰীমতী বেণু বৰুৱা, উষাৰ ভাওত শ্ৰীমতী দেৱী চাংকাকতি আৰু অন্যান্য ভাওত শ্ৰীমতী বিদ্যাৱতী পাটোৱাৰী, শ্ৰীমতী সবিতা হাজৰিকা, শ্ৰীমতী বেণু দেৱী আদিৰ নাম উল্লেখযোগ্য। ৰবীন্দ্ৰ জয়ন্তী, শ্ৰীশঙ্কৰদেৱৰ তিথি আদিত আয়োজন কৰা আলোচনা চক্ৰ আদিত ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। আবৃত্তিত শ্ৰীমতী বাণী ঘোষে কৃতিত্ব দেখুৱাইছিল। অধ্যাপকসকলেও 'সুৰভী' সমাজৰ যোগেদি সাহিত্য চৰ্চা কৰিছিল আৰু 'সুৰভী'ৰ এটি বহুবৰ্ণৰঞ্জিত সংকলনো উলিয়াইছিল।

সেই সময়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহুতেই আজি শিক্ষাবিদ্, চৰকাৰী বিষয়া, সুসাহিত্যিক আৰু ৰাজনীতিবিদ হিচাপে সমাজত প্ৰতিষ্ঠা লাভ কৰিছে। আজি ২৫ বছৰ পিছত বহুতৰে নাম মোৰ মনত নথকা বাবে উল্লেখ কৰিব নোৱাৰিলেও তেওঁলোকৰ প্ৰতি মোৰ আন্তৰিক প্ৰীতি আৰু শুভেচ্ছা থাকিল। মনত পৰা মাত্ৰ কেইজনমান ছাত্ৰ-ছাত্ৰীৰ নামহে উল্লেখ কৰিলোঁ—শ্ৰীবেণু শৰ্মা, শ্ৰীউমেশ দাস, অধিবক্তা শ্ৰীশিৱ বাজখোৱা, শ্ৰীঅশোক ডেকা, শ্ৰীভুবনেশ্বৰ নাথ (প্ৰধান শিক্ষক), শ্ৰীমহচীন আলি, অধ্যাপক শ্ৰীদেবেশ নন্দী, অধ্যাপক শ্ৰীআনন্দ চক্ৰৱৰ্তী, অধ্যাপিকা শ্ৰীমতী অমিয়া দেৱী, শ্ৰীতপন ভৌমিক (এ, চি, এচ) ইত্যাদি।

কলেজৰ ৰূপালী জয়ন্তীৰ সময়ত ২৫ বছৰ আগৰ মঙ্গলদৈ কলেজ আৰু আজিৰ কলেজৰ দুখন ছবি মানস পটত ভাঁহি উঠিছে—বননিয়ে আবৰা ঠাই আজি আৱৰিছে বুদ্ধিজীৱীয়ে; তাতেই জন্মলাভ কৰিছে ৰাজনীতিবিদ্, সাহিত্যিক, প্ৰশাসক, শিক্ষক, খেতিয়ক আৰু বহুতো। মঙ্গলদৈৰ বাহিৰে কি অৱস্থাত কলেজ আৰম্ভ কৰি কিমান ঘাত প্ৰতিঘাত অতিক্ৰম কৰিবলগীয়া হৈছিল তাক আজিৰ ছাত্ৰ-ছাত্ৰীয়ে কল্পনাই কৰিব নোৱাৰিব। যিসকল ব্যক্তিৰ নিস্বাৰ্থ আৰু অক্লান্ত পৰিশ্ৰমৰ ফলত এই শিক্ষানুষ্ঠানটি গা কৰি উঠি অসমৰ উচ্চ শিক্ষাৰ এটি লেখত লবলগীয়া অনুষ্ঠানত পৰিণত হ'ল তেখেতসকললৈ শ্ৰদ্ধাঞ্জলি থাকিল। বৰ্তমানৰ সুযোগ্য অধ্যক্ষ শিক্ষাগুৰু শ্ৰীপ্ৰবোধচন্দ্ৰ গোস্বামীদেৱৰ পৰিচালনাত কলেজ দ্ৰুতগতিত আগবাঢ়িছে আৰু এই অগ্ৰগতিয়ে নৱপ্ৰতিষ্ঠিত কলেজ সমূহৰ প্ৰেৰণাৰ উৎস হ'ব। মঙ্গলদৈ কলেজৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

# মঙ্গলদৈ কলেজত মোৰ উনৈশটা বছৰ

শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা, এম, এ

ইংৰাজী ১৯৭৫ চন। এই চনতে দুই ডিচেম্বৰ তাৰিখে মই মঙ্গলদৈ কলেজত তৰ্ক বিজ্ঞান আৰু দৰ্শন শাস্ত্ৰৰ অধ্যাপক হিচাপে সোমাওঁ। মই সোমোৱা সময়ত কলেজখন নিচেই চাপুৰীয়া অৱস্থাত আছিল। মঙ্গলদৈ চহৰৰ মাজত থকা তেতিয়াৰ মঙ্গলদৈ চৰকাৰী হাইস্কুল আৰু পাব্লিক লাইব্ৰেৰী প্ৰাঙ্গণৰ পৰা বৰ্তমানৰ স্থানলৈ কলেজখন অনাৰ এবছৰমানহে হৈছিল মাথোন। তেতিয়া কলেজখনৰ কোঠাও তিনিটাহে আছিল। এটা কোঠা অফিচ, লাইব্ৰেৰী আৰু অধ্যাপক সকলৰ জিৰণি ঠাই হিচাপে ব্যৱহাৰ কৰা হৈছিল আৰু আন দুটা কোঠাত ছাত্ৰ-ছাত্ৰীক পঢ়োৱা হৈছিল। বি, এ শ্ৰেণী তেতিয়া খোলা হোৱা নাছিল। পিচতহে খুলিছিল। ১৯৫৯ চনত।

মই সোমোৱা সময়ত কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঠিজন মান আছিল। সহকৰ্মী হিচাপে পাইছিলোঁ—সৰ্বশ্ৰী গজেন্দ্ৰনাথ ঠাকুৰীয়া (বৰ্তমান দক্ষিণ কামৰূপ কলেজৰ অধ্যক্ষ), আব্দুল মজিদ (বৰ্তমান এই কলেজৰ উপাধ্যক্ষ), হিৰণ বৈশ্য (বৰ্তমান শোৱালকুছি কলেজৰ অধ্যক্ষ) আৰু ঁকেৰেলম্ মাধৱম্ পানিকৰ দেৱক। শ্ৰীঠাকুৰীয়া বুৰঞ্জীৰ অধ্যাপক আছিল। বি, এ, শ্ৰেণী খোলাৰ পিচত এখেতক এই বিভাগৰ মুৰব্বী আৰু তাৰ পিচত উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছিল। এখেত ১৯৬১ চনত এই কলেজ এৰি দক্ষিণ কামৰূপ কলেজলৈ অধ্যক্ষ হৈ যায় গৈ। শ্ৰীআব্দুল মজিদ পৌৰবিজ্ঞানৰ ( civics ) অধ্যাপক আছিল। পিচত, ৰাজনীতি বিভাগৰ মুৰব্বী আৰু ১৯৬৬-৬৭ চনত উপাধ্যক্ষ হয়। শ্ৰীহিৰণ বৈশ্য অসমীয়া সাহিত্যৰ অধ্যাপক আছিল। শ্ৰীবৈশ্য ১৯৬১ চনত আৰু ঁপানিকৰ এবছৰমান থাকিয়েই এই কলেজৰ পৰা গৈছিল। তেতিয়া কলেজৰ অধ্যক্ষ আছিল শ্ৰদ্ধেয় শ্ৰীপুৰন্দৰ শৰ্মা, এম, এ, বি, এল ডাঙৰীয়া। তেখেত তেতিয়া অবৈতনিক অধ্যক্ষ আছিল। ১৯৬০ চনৰপৰা তেখেতে মাহে মাহে খৰচ সহ ৫০০·০০ (পাঁচ শ) টকা দৰমহা লৈ পূৰ্ণ পৰ্য্যায়ৰ অধ্যক্ষ হিচাপে কলেজৰ দায়িত্ব বহন কৰিছিল। শ্ৰদ্ধেয় শৰ্মা ডাঙৰীয়াই ১৯৬৬ চনৰ চেপ্তেম্বৰত অৱসৰ গ্ৰহণ কৰে।

মঙ্গলদৈ মহকুমাত তেতিয়া এইখনেই একমাত্ৰ কলেজ হোৱা গতিকে, ইয়াৰ পৰিচালনা সমিতিত মহকুমাৰ প্ৰায়বোৰ গণ্যমান্য লোকক সভ্য হিচাবে অন্তৰ্ভুক্ত কৰা হৈছিল। সভাপতি আছিল মহকুমাধিপতিসকল। পৰিচালনা

সমিতিৰ সম্পাদক হিচাপে কাম কৰিছিল শ্ৰদ্ধেয় শ্ৰীৰামেশ্বৰ শৰ্মা বি, এল ডাঙৰীয়াই। এখেতে কলেজখনৰ কাৰণে দেহে কেহে খাটিছিল আৰু প্ৰায়ে কাছাৰী ছুটী হোৱাৰ পাচত কলেজখনত এপাক মাৰি খা-খবৰ লৈ গৈছিলহি। এখেতে কলেজখন গঢ়িবলৈ আপ্ৰাণ চেষ্টা কৰা মোৰ চকুত পৰিছিল। তেতিয়া কলেজখনৰ আৰ্থিক অৱস্থা সুস্থ নাছিল। সেই কাৰণে শ্ৰদ্ধেয় শৰ্মা ডাঙৰীয়াই দুই চাৰিজন তেখেতৰ সহকৰ্মীক লৈ ধন সংগ্ৰহ কৰিবলৈ গৈছিল। আমিও মাজে মাজে ধন সংগ্ৰহ কৰিবলৈ যাব লগা হৈছিলোঁ। এখেত ১৯৬১ চনলৈকে সম্পাদকৰ দায়িত্বত আছিল। এখেতৰ পাচত তেতিয়াৰ অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মাই এই দায়িত্ব লৈছিল। বৰ্তমান অধ্যক্ষ শ্ৰীপ্ৰবোধচন্দ্ৰ গোস্বামী এম, এ, বি, টি দেহে কলেজ পৰিচালনা সমিতিৰ সম্পাদক। কলেজখনৰ সেই সময়ৰ আন এজন চকুত পৰা মানুহ আছিল বৰ্তমান কলেজ-কাৰ্যালয়ৰ মুখ্য সহায়ক শ্ৰীমহচিন আলি। এখেতৰ কৰ্তব্যনিষ্ঠা এতিয়াৰ দৰে তেতিয়াও আছিল।

সেই সময়ত মঙ্গলদৈ কলেজৰ যিটো কথাই মোক বৰকৈ আকৃষ্ট কৰিছিল, সেইটো আছিল ছাত্ৰ-ছাত্ৰী সকলৰ অকৃত্ৰিম গুৰুভক্তি। অৱশ্যে, এই বৈশিষ্ট্য বৰ্তমানো নাইকিয়া হোৱা নাই। মই ছাত্ৰ-ছাত্ৰী সকলৰ মৰম-চেনেহৰ মাজত এনেদৰে বান্ধ খাই পৰিছিলোঁ যে সেইবাৰে মোক আন ঠাইলৈ যোৱাত বাধা দি ৰাখিছিল।

**কলেজ আলোচনী ঃ**

কলেজখন নিচেই চালুকীয়া অৱস্থাত থকা কাৰণেই বোধহয়, মই অহালৈকে কলেজখনৰ পৰা কোনো আলোচনী ওলোৱা নাছিল। মই অধ্যক্ষ আৰু সহকৰ্মী অধ্যাপক সকলৰ লগত আলোচনা কৰি কলেজৰ আলোচনী এখন উলিওৱাৰ ব্যৱস্থা কৰিলোঁ। অধ্যক্ষই আলোচনীৰ বাবে প্ৰতি ছাত্ৰ-ছাত্ৰীৰ পৰা চাৰি টকাকৈ মাচুল নিৰ্ধাৰণ কৰিলে আৰু মোকেই আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক নিযুক্ত কৰিলে। এই প্ৰথম সংখ্যাটোৰ সম্পাদক আছিল শ্ৰীবুধেশ্বৰ ডেকা (এওঁ বৰ্তমান কলাইগাওঁ হাই স্কুলৰ শিক্ষক)। এই আলোচনীখন ছপা কৰা হৈছিল মঙ্গলদৈ চহৰৰ 'বিদ্যাৰতী আৰ্ট প্ৰেছত'। প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীগোবিন্দৰাম ডেকাক ধনৰ অভাৱত আলোচনীৰ বাবদ দিব লগা ধন কেইবাটাও কিস্তিতহে পৰিশোধ কৰিছিলোঁ আৰু শ্ৰীডেকাও এনেধৰণে পৰিশোধ কৰাত মান্তি হৈছিল। এই ক্ষেত্ৰত সহায় কৰাৰ বাবে ডেকাৰ ওচৰত আমি আজিও কৃতজ্ঞ।

**কলেজত বিচিত্ৰানুষ্ঠান ঃ**

মই অহাৰ কেইমাহ মান পিচতেই কলেজত সৰস্বতী পূজা হৈছিল। সেই সৰস্বতী পূজাত তেতিয়াৰ অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মা ডাঙৰীয়াৰ লগত আলোচনা কৰি ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকবৃন্দৰ সহযোগত ৰাতি পেট্ৰোমাক্স লাইট জ্বলাই (তেতিয়া

কলেজত বিজুলী বাতি নাছিল) বিচিত্ৰানুষ্ঠান পাতিছিলোঁ। তেতিয়াৰ পৰা কলেজত বিচিত্ৰানুষ্ঠান নানা উপলক্ষ্যত পতাৰ নিয়ম হৈ আহিছে।

**কলেজত নৈশ শাখা :**

১৯৫৮ চনত আমাৰ অধ্যাপক সকলে কলেজখনত নৈশ শাখা খুলিবৰ কাৰণে অধ্যক্ষক অনুৰোধ কৰিছিল (মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ পৰা নতুন স্থানলৈ কলেজ অহাৰ লগে লগে নৈশ শাখা বন্ধ কৰি দিয়া হৈছিল।)। এই অনুৰোধ অনুযায়ী অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মা ডাঙৰীয়াই ত্ৰিশজনমান ছাত্ৰ-ছাত্ৰী হলে নৈশ শাখা খুলিব পৰা হ'ব বুলি আমাক জনালে। তেতিয়া আমি ত্ৰিশজনমান ছাত্ৰ যেনেতেনে যোগাৰ কৰিলোঁ। আমাৰ এই কাৰ্য্যত প্ৰাক্তন ছাত্ৰ বহুতেই সহায় কৰিছিল। তাৰ ভিতৰত শ্ৰীসখিল ডেকাৰ নাম মোৰ আজিও মনত পৰে। ছাত্ৰ যোগাৰ হোৱাত অধ্যক্ষ ডাঙৰীয়াই নৈশ শাখা খোলাৰ ব্যৱস্থা কৰি দিলে। প্ৰথমতে আমি বানচ নোলোৱাকৈয়ে পঢ়াইছিলোঁ। পিচত কলেজ কৰ্তৃপক্ষই মাহে পঁচিশ টকা, তাৰ পিচত মাহে পঞ্চাশ টকা, তাৰ পিচত পঁইসত্তৰ টকা আৰু চৰকাৰৰ মাটি মঞ্জুৰী পোৱাৰ পিচত চৰকাৰী নিয়ম অনুযায়ী এশটকাকৈ নৈশ-বানচ দিয়াৰ ব্যৱস্থা কৰিছিল আৰু তেতিয়াৰ পৰা আজি পৰ্য্যন্ত নৈশ বানচ এশ টকাকৈ চলি আহিছে।

**বিশ্ববিদ্যালয়ৰ স্বীকৃতি :**

বি, এ, শ্ৰেণী খোলাৰ লগে লগে বিশ্ববিদ্যালয়ৰ স্বীকৃতি পাবলৈ খৰখেদা লগোৱা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষলৈ আবেদন নিবেদন কৰাৰ পিচত কলেজখনে স্বীকৃতি পাবৰ যোগ্য হয় নে নহয় তাক নিৰ্ণয় কৰিবলৈ পূজনীয় ৺ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা দেৱক বিশ্ববিদ্যালয়ে ভাৰ দিছিল। তেতিয়া কলেজ এখনে স্বীকৃতি পাবলৈ হলে এই কেইটা চৰ্ত পূৰণ কৰিব লাগিছিল—(১) কলেজখনত (যদি লবাৰ হয়) অন্ততঃ কমেও তিনিশ ছাত্ৰ (এইটো চৰ্ত অসমৰ দৰে পিচপৰা ৰাজ্যৰ কাৰণেহে) থাকিব লাগিব। (ছোৱালীৰ কলেজ হলে, অসমৰ ক্ষেত্ৰত কমে দুশ ছাত্ৰী থাকিব লাগিব।) (২) কলেজ খনৰ নিজা উপযুক্ত ঘৰমাটি থাকিব লাগিব। (৩) কলেজখনৰ কমেও পোন্ধৰ হেজাৰ টকা 'ৰিজাৰ্ভ ফাণ্ড'ত জমা থাকিব লাগিব।

কিন্তু তেতিয়া আমি ওপৰৰ এটা চৰ্তও পূৰণ কৰিব পৰা নাছিলোঁ। তেতিয়া ছাত্ৰ-ছাত্ৰী তিনিশৰ কম আছিল। কলেজৰ নিজা মাটি থাকিলেও উপযুক্ত ঘৰ নাছিল। ৰিজাৰ্ভ ফাণ্ডতো পোন্ধৰ হেজাৰ টকা নাছিল। গতিকে ৺বৰুৱা-দেৱে মঙ্গলদৈ কলেজ 'বিশ্ববিদ্যালয়ৰ স্বীকৃতি পাবৰ যোগ্য নহয়' বুলি মত প্ৰকাশ কৰিলে। তেতিয়া আমি বৰ বিপাঙত পৰিলো। উপাই বিচাৰি বৰুৱা দেৱক

কলেজ পক্ষৰ পৰা কেইবাবাৰো লগ ধৰা হৈছিল আৰু মইয়ো এই সম্পৰ্কত তেখেতক লগ ধৰিছিলোঁ। বহুতো কোৱা মেলাৰ পিচত, তেখেতে স্বীকৃতিৰ বাবে বিশ্ববিদ্যালয়লৈ লিখিবলৈ সন্মতি প্ৰকাশ কৰিলে। কিন্তু, প্ৰথম চৰ্তটোৰ পৰা তেখেতে আমাক ৰেহাই দিব নোৱাৰিব বুলি জনালে। এনে অৱস্থাত অধ্যক্ষ ডাঙৰীয়াই বাকীকৈ হলেও বহু ছাত্ৰ-ছাত্ৰীক নাম লগাবলৈ অনুমতি দিছিল। এনে কৰাত দিনে-ৰাতিয়ে মিলি ৩০৭ জন ছাত্ৰ-ছাত্ৰী হৈছিলগৈ। এইখিনিতে উল্লেখযোগ্য যে তেতিয়াৰ পৰিচালনা সমিতিৰ সদস্য শ্ৰদ্ধেয় শ্ৰীসত্ৰিৰাম চহৰীয়াৰ অনুগ্ৰহত আমাৰ ৰিজাৰ্ভ ফাণ্ডৰ চৰ্তটোও পূৰণ হৈছিল। তেখেতে কলেজক ৰিজাৰ্ভ ফাণ্ডত থাচি পৰা কিছু টকা ধাৰলৈ দিছিল আৰু এই ধাৰ তেখেতক ১৯৬৬ চনৰ শেষতহে সম্পূৰ্ণকৈ আদায় দিয়া হৈছিল। এইদৰে চৰ্তকেইটা যেনে তেনে পূৰণ কৰি লৈ আমি আকৌ পূজনীয় শ্ৰীৰকৰাদেৱৰ ওচৰ পালোগৈ। তেখেতে চৰ্তকেইটা পূৰণ কৰি দিয়াত আনন্দ প্ৰকাশ কৰিলে আৰু বিশ্ববিদ্যালয়ক 'মঙ্গলদৈ কলেজে স্বীকৃতি পাবৰ যোগ্য' বুলি জনালে। এই অনুমোদন ক্ৰমেই আমাৰ কলেজে বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰিলে। এই স্বীকৃতিৰ পাচতে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰো সাহায্য পাবলৈ কলেজ উপযুক্ত হৈছিল।

তাৰপাচত কলেজত বহুতো নতুন নতুন বিভাগ খোলা হৈছিল আৰু বহু কেইটা বিষয়ত অনাৰ্চ পাঠ্যক্ৰমো প্ৰৱৰ্তন কৰা হৈছিল। ১৯৬৬ চনত কলেজত বিজ্ঞান শাখাও খোলা হ'ল।

১৯৬৬ চনৰ চেপ্তেম্বৰ মাহত শ্ৰদ্ধেয় শ্ৰীপুৰন্দৰ শৰ্মা ডাঙৰীয়াই অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰাত, তেখেতৰ ঠাইত শ্ৰদ্ধেয় শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী ডাঙৰীয়া এই কলেজৰ অধ্যক্ষ হয়।

মই সোমোৱা সময়ৰ মঙ্গলদৈ কলেজৰ লগত আজিৰ মঙ্গলদৈ কলেজৰ অগ্ৰসৰৰ দিশৰ পৰা আকাশ-পাতাল প্ৰভেদ। এই প্ৰভেদৰ গুৰিত কলেজৰ অধ্যক্ষদ্বয়, গভাৰ্ণিং বডিৰ সদস্যসকল, অধ্যাপক-অধ্যাপিকাসকল, স্থানীয় ৰাইজ, বিশ্ববিদ্যালয়ৰ অনুদান আয়োগ আৰু চৰকাৰৰ অনুদান।

১৯৫৭ চনত মঙ্গলদৈ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ষাঠিৰ ওপৰ নাছিল আৰু বৰ্তমান ইয়াৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ওঠৰ শ। তেতিয়া অধ্যাপক আছিল পাঁচজন। আৰু বৰ্তমান পঞ্চাশজন।

কলেজখনৰ বিভিন্ন পৰীক্ষাৰ ফলাফলো বেয়া নহয়। বি, এ, বি, এচ, চি, পৰীক্ষাত ডিষ্টিংচেন আৰু অনাৰ্চো ছাত্ৰ-ছাত্ৰীয়ে পাই আছে। অনাৰ্চৰ প্ৰথম শ্ৰেণীও ভূগোল বিষয়ত এবাৰ লাভ কৰিছে। বৰ্তমানৰ অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীয়ে কলেজখনৰ উন্নতিৰ কাৰণে, দেহে-কেহে খাটি আছে। তেখেতৰ সৎ চেষ্টা ফলৱতীও হৈছে।

আমি কলেজখনৰ এই পবিত্ৰ ৰূপালী জয়ন্তীৰ দিনটোত কলেজখনৰ উত্তৰোত্তৰ সৰ্বাংগীন উন্নতি কামনা কৰিছোঁ।

# মঙ্গলদৈ মহাবিদ্যালয় ঃ
# ক্ৰমবিকাশৰ এটি সোঁৱৰণ

শ্ৰীদণ্ডীৰাম দত্ত,
প্ৰাক্তন ৰাজ্যিক কৃষি মন্ত্ৰী আৰু
কলেজ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি।

মংগলদৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰিব খোজা স্মৃতি গ্ৰন্থৰ আহ্বায়ক অধ্যাপক শ্ৰীজীৱন চন্দ্ৰ শৰ্মাই মোক মহাবিদ্যালয়খনিৰ পৰিচালনা সমিতিৰ সভাপতি হৈ থকা সময়ৰ অভিজ্ঞতাৰ এটি আভাস লিখিতভাৱে দিবলৈ অনুৰোধ কৰাত শ্ৰীশৰ্মাক ধন্যবাদ জনাইছোঁ। মংগলদৈ কলেজৰ জন্ম আৰু ক্ৰমবিকাশ সম্বন্ধে ইতিমধ্যে কেইবাগৰাকীয়েও লিখিছে হেনো, গতিকে সেইবিষয়ৰ চৰ্বিত চৰ্বন নকৰি, মই সভাপতি হৈ থকা কালছোৱাত মহাবিদ্যালয়খনিয়ে লাভ কৰা অগ্ৰগতিৰ এটি সামান্য আভাস মাত্ৰ ইয়াত দাঙি ধৰিলোঁ।

ইং ২৫।৬।৫১ তাৰিখে মংগলদৈ কলেজ সম্পৰ্কে পতা, তেতিয়াৰ মহকুমাধিপতি শ্ৰীঅমিয় ভূষণ দাসগুপ্তৰ সভাপতিত্বত বহা প্ৰথম ৰাজহুৱা সভাখনত ঘৰুৱা অসুবিধাৰ কাৰণে মই উপস্থিত থাকিব পৰা নাছিলোঁ। কিন্তু কলেজৰ দান বৰঙণি বিচৰা যিটো কমিটি গঠন কৰি দিছিল তাত মই আছিলোঁ। মই তেতিয়া লোকেল বৰ্ডৰ উপ সভাপতি আছিলোঁ আৰু সেই হিচাবে টকা তোলাৰ এটি গুৰু দায়িত্ব মোৰ ওপৰত পৰিছিল। সেই সময়ত ৫।৬ হেজাৰ মান টকা বাইজৰ পৰা তুলি দিছিলোঁ। ইয়াৰ পাছত ইং ১৯৫৭ চনৰ পৰা ইং ১৯৭৫ চনলৈকে মই পৰিচালনা সমিতিৰ সদস্য হিচাবে মহাবিদ্যালয়খনিলৈ সেৱা আগবঢ়োৱাৰ সুবিধা পাইছিলোঁ। মই প্ৰথম অৱস্থাত সদস্য আৰু ১৯৬৬ খৃষ্টাব্দৰ পৰা ১৯৭৫ খৃষ্টাব্দলৈ সভাপতি হিচাবে মহাবিদ্যালয়খনিৰ কাম-কাজৰ দায়িত্ব লব লগা হৈছিল। মই দায়িত্ব লোৱাৰ বছৰটিতে কলেজৰ অন্যতম প্ৰতিষ্ঠাতা অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মা এম, এ, বি, এল দেৱে অৱসৰ গ্ৰহণ কৰে আৰু শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী এম, এ, বি, টি, দেৱে শ্ৰীশৰ্মাৰ যোগ্য উত্তৰাধিকাৰী হিচাবে কলেজৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। শ্ৰীগোস্বামী এগৰাকী বিশিষ্ট শিক্ষাবিদ আৰু সংগঠক। মোৰ সৌভাগ্য এইখিনিতে যে—মই সভাপতি হিচাবে তেখেতক কোনো পৰামৰ্শ দিব লগা নহৈছিল, তাৰ উপৰি প্ৰাক্তন অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মা, প্ৰাক্তন সম্পাদক শ্ৰীৰামেশ্বৰ শৰ্মা, শ্ৰীতপেশ্বৰ শৰ্মা, শ্ৰীঅম্বিকা চৰণ বৰুৱা, "মক্তি-

নাথ গোস্বামী আদি যোগ্য লোকসকল পৰিচালনা সমিতিত থকাত, মোৰ কাম-কাজ পৰিচালনা কৰাত কোনো অসুবিধা হোৱা নাছিল। মোৰ সভাপতিত্বৰ কালছোৱাত কলেজৰ নতুন ভৱনটিৰ একাংশ, ছাত্ৰী নিবাস আৰু অধ্যক্ষৰ বাস-ভৱনৰ নিৰ্মাণ কাম সম্পূৰ্ণ কৰা হৈছিল। কলেজৰ গৃহ নিৰ্মাণ কাৰ্যাত আমাক বিশেষভাৱে সহায় কৰিছিল মংগলদৈ গড়কাপ্তানি বিভাগৰ কাৰ্যাকৰী অভিযন্তা সকল আৰু শ্ৰীমিনাৰাম হাজৰিকাই। অভিযন্তা সকলৰ আটাইবোৰৰ সম্প্ৰতি নাম মনত নাই যদিও, সৰ্বশ্ৰী এন্ ৰহমান, এচ, তালুকদাৰ, এইচ, চক্ৰৱৰ্তী, জি, দাস আদিৰ নাম আজিও মনত পৰে।

১৯৬৬ খৃষ্টাব্দত বহুদিনৰ আকাংক্ষিত কলেজৰ বিজ্ঞান শাখা খোলা হয়। তেতিয়া মই অসম মন্ত্ৰী সভাৰ সদস্য হিচাবে থকাত এইবোৰ কামৰ কাৰণে লগা চৰকাৰৰ অনুদান সমূহ অনাত বিশেষ অসুবিধা পোৱা নাছিলোঁ। বিজ্ঞান শাখা খোলাৰ কাৰণে চৰকাৰৰ পৰা বিভিন্ন সময়ত এক লাখ ত্ৰিশ হাজাৰ আৰু ছাত্ৰী নিবাসৰ বাবে এক লাখ ষাঠি হাজাৰ টকা অনুদান পোৱা গৈছিল। কলেজৰ কৃষি পাম খনিও মোৰ সভাপতিত্বৰ কালছোৱাতে ঠন ধৰি উঠিছিল। পামখনিৰ বাবে এবাৰ পাঁচ হাজাৰ টকাৰ এটা অনুদান অনা হৈছিল আৰু বিশেষ যত্ন কৰি, ইয়াৰ চাৰিওফালে বেৰ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। মই পৰিচালনা সমি-তিৰ সভাপতি হিচাবে কাৰ্যাভাৰ লোৱাৰ সময়ত শিক্ষকৰ সংখ্যা ২২ জন, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পাঁচশতকৈয়ো কম, আৰু সভাপতিৰ দায়িত্ব এৰি দিয়াৰ সময়ত শিক্ষকৰ সংখ্যা ৪৮ জন আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ১৩০০ জন আছিল। ইয়াৰ বাহিৰেও লাইব্ৰেৰীৰ কিতাপ, খেলা-ধূলাৰ আহিলা পাতি আদিৰ স্বাভাৱিক গতি যিখিনি বৃদ্ধি পাব লাগে, সেইখিনি বৃদ্ধি পোৱাত অকনো ব্যাঘাত হোৱা নাছিল।

মোৰ সভাপতিৰ কালছোৱাত কলেজৰ যিখিনি উন্নতি হৈছে, মই অকলে সেইখিনিৰ কাৰণে গৌৰৱ কৰিব নোৱাৰোঁ। বৰ্তমান অধ্যক্ষ শ্ৰীগোস্বামী, প্ৰাক্তন অধ্যক্ষ শ্ৰীশৰ্মা, পৰিচালনা সমিতিৰ সদস্যবৃন্দ, অধ্যাপক সকল আৰু আমাৰ ছাত্ৰ-ছাত্ৰী সকলেহে এই গৌৰৱৰ অংশীদাৰ।

এই বছৰ মংগলদৈ কলেজৰ পঁচিশ বছৰ পূৰ্ণ হোৱা উপলক্ষে, যি ৰূপালী জয়ন্তী উৎসৱৰ আয়োজন হৈছে, তাত আমি বৰ আনন্দিত হৈছোঁ আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ মংগলদৈ কলেজে যেন দোপতদোপে উন্নতি কৰি ই অসমৰ ভিতৰত এখন উন্নত ডিগ্ৰী কলেজ হয়।

# মঙ্গলদৈৰ বিবাহ উৎসৱ আৰু তাৰ আনুসঙ্গিক গীত-মাতবোৰ

শ্ৰীপ্ৰদীপ ৰায় বৰুৱা,
প্ৰাক্তন ছাত্ৰ।

প্ৰজা বা সন্তান সৃষ্টি কৰাই বিবাহৰ মুখ্য উদ্দেশ্য। সৃষ্টিৰ আকাংক্ষা থকা বাবে এই বিবাহ কাৰ্য্যক মানুহে যিমান পবিত্ৰ আৰু আনন্দদায়ক বুলি গণ্য কৰে, হিন্দুৰ দশ কৰ্মৰ অন্যান্য কৰ্মক তেনে গণ্য নকৰে। সেই কাৰণে, এই বিবাহ কৰ্মক আমাৰ উৎসৱ বুলি জ্ঞান কৰা হয় আৰু এই উৎসৱ বিয়াৰ কেইবাদিন আগৰ পৰাই চলে। মঙ্গলদৈৰ বিবাহ উৎসৱ আজিকালি অসমৰ অন্যান্য অঞ্চলৰ বিবাহ উৎসৱৰ লগত পাৰ্থক্য বৰ বেছি নাই যদিও, আজি ৩০।৪০ বছৰমান আগলৈকে এই উৎসৱৰ আনুষঙ্গিক গীত-মাত আৰু আনুষ্ঠানিক কাৰ্য্যবোৰত কিছুমান সুকীয়া বৈশিষ্ট্য দেখা পোৱা গৈছিল। এই প্ৰবন্ধটিত আমাৰ সেই খলুৱা বিয়াৰ গীত-মাত আৰু আনুষ্ঠানিক কৰ্মবোৰৰ এটি চমু আভাস দিবলৈ চেষ্টা কৰা হৈছে।

মঙ্গলদৈ অঞ্চলত গান্ধৰ্ব বিবাহ কেতিয়াবা অনুষ্ঠিত হয় যদিও, প্ৰাজাপত্য বিবাহৰ প্ৰচলনেই বেছি। আজি কিছুবছৰৰ আগলৈকে ইয়াৰ উচ্চ হিন্দু সকলৰ মাজত বাল্যবিবাহৰ প্ৰচলন আছিল। তেনেকুৱা ক্ষেত্ৰত ছোৱালী পুষ্পিতা হোৱাৰ পাছত শান্তি বিয়া পাতিব লাগে। মঙ্গলদৈত এই বিয়াক পাছ বিয়া আৰু প্ৰথম-খনক আগ বিয়া বোলে। আগবিয়া কন্যাৰ ঘৰত নিশা আৰু পাছবিয়া দৰাৰ ঘৰত দিনত সম্পন্ন হোৱাৰ নিয়ম। অৱশ্যে আজি কিছুদিন আগলৈকে দৰঙী ৰাজ পৰিয়াল আৰু কোনো কোনো দীক্ষাদাতা ব্ৰাহ্মণৰ ঘৰৰ দৰা কন্যাৰ ঘৰলৈ বিয়া হব নগৈছিল।

এসময়ত দৰাঘৰৰ লোক গৈ, আমাৰ ইয়াত ছোৱালী খোজাৰ (মঙ্গলদৈত সোধা বুলি কয়) নিয়ম আছিল। প্ৰথমে দৰাৰ বাপেক বা অভিভাৱকে গাখীৰ, চুৰা (গুৰ), তৰি-তৰকাৰীৰ ভাৰ বা টোপোলা এটা লৈ কন্যাৰ ঘৰত ছোৱালী সুধিবৰ নিমিত্তে উপস্থিত হয়। যদি ছোৱালীৰ অভিভাৱকৰ ছোৱালী দিয়াৰ ইচ্ছা হয়; তেনেহলে সেই বস্তুবোৰ আগ্ৰহেৰে সামৰিব আৰু সেই ছোৱালীজনীৰ হতুৱাই চাহ জলপান আদি দিওৱাৰ ব্যৱস্থা কৰিব। সেই ছেগতে দৰাৰ পক্ষৰ লোকে ছোৱালীৰ লগ্ন-লক্ষণবোৰ চায়। যদি ছোৱালী মনঃপুত হয়, তেনেহলে

নাথ গোস্বামী আদি যোগ্য লোকসকল পৰিচালনা সমিতিত থকাত, মোৰ কাম-কাজ পৰিচালনা কৰাত কোনো অসুবিধা হোৱা নাছিল। মোৰ সভাপতিত্বৰ কালছোৱাত কলেজৰ নতুন ভৱনটিৰ একাংশ, ছাত্ৰী নিবাস আৰু অধ্যক্ষৰ বাস-ভৱনৰ নিৰ্মাণ কাম সম্পূৰ্ণ কৰা হৈছিল। কলেজৰ গৃহ নিৰ্মাণ কাৰ্য্যত আমাক বিশেষভাৱে সহায় কৰিছিল মংগলদৈ পড়কাপ্তানি বিভাগৰ কাৰ্য্যকৰী অভিযন্তা সকল আৰু শ্ৰীমিনাৰাম হাজৰিকাই। অভিযন্তা সকলৰ আটাইবোৰৰ সম্প্ৰতি নাম মনত নাই যদিও, সৰ্বশ্ৰী এন্ ৰহমান, এচ, তালুকদাৰ, এইচ, চক্ৰৱৰ্তী, জি, দাস আদিৰ নাম আজিও মনত পৰে।

১৯৬৬ খৃষ্টাব্দত বহুদিনৰ আকাঙ্খিত কলেজৰ বিজ্ঞান শাখা খোলা হয়। তেতিয়া মই অসম মন্ত্ৰী সভাৰ সদস্য হিচাবে থকাত এইবোৰ কামৰ কাৰণে লগা চৰকাৰৰ অনুদান সমূহ অনাত বিশেষ অসুবিধা পোৱা নাছিলোঁ। বিজ্ঞান শাখা খোলাৰ কাৰণে চৰকাৰৰ পৰা বিভিন্ন সময়ত এক লাখ ত্ৰিশ হাজাৰ আৰু ছাত্ৰী নিবাসৰ বাবে এক লাখ ষাঠি হাজাৰ টকা অনুদান পোৱা গৈছিল। কলেজৰ কৃষি পাম খনিও মোৰ সভাপতিত্বৰ কালছোৱাতে ঠন ধৰি উঠিছিল। পামখনিৰ বাবে এবাৰ পাঁচ হাজাৰ টকাৰ এটা অনুদান অনা হৈছিল আৰু বিশেষ যত্ন কৰি, ইয়াৰ চাৰিওফালে বেৰ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। মই পৰিচালনা সমিতিৰ সভাপতি হিচাবে কাৰ্য্যভাৰ লোৱাৰ সময়ত শিক্ষকৰ সংখ্যা ২২ জন, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পাঁচশতকৈয়ো কম, আৰু সভাপতিৰ দায়িত্ব এৰি দিয়াৰ সময়ত শিক্ষকৰ সংখ্যা ৪৮ জন আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ১৩০০ জন আছিল। ইয়াৰ বাহিৰেও লাইব্ৰেৰীৰ কিতাপ, খেলা-ধূলাৰ আহিলা পাতি আদিৰ স্বাভাৱিক গতি যিখিনি বৃদ্ধি পাব লাগে, সেইখিনি বৃদ্ধি পোৱাত অকনো ব্যাঘাত হোৱা নাছিল।

মোৰ সভাপতিৰ কালছোৱাত কলেজৰ যিখিনি উন্নতি হৈছে, মই অকলে সেইখিনিৰ কাৰণে গৌৰৱ কৰিব নোৱাৰোঁ। বৰ্তমান অধ্যক্ষ শ্ৰীগোস্বামী, প্ৰাক্তন অধ্যক্ষ শ্ৰীশৰ্মা, পৰিচালনা সমিতিৰ সদস্যবৃন্দ, অধ্যাপক সকল আৰু আমাৰ ছাত্ৰ-ছাত্ৰী সকলহে এই গৌৰৱৰ অংশীদাৰ।

এই বছৰ মংগলদৈ কলেজৰ পঁচিশ বছৰ পূৰ্ণ হোৱা উপলক্ষে, যি ৰূপালী জয়ন্তী উৎসৱৰ আয়োজন হৈছে, তাত আমি নথৈ আনন্দিত হৈছোঁ আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ মংগলদৈ কলেজে যেন দোপতদোপে উন্নতি কৰি গৈ অসমৰ ভিতৰত এখন আৰ্হি জিলিকা কলেজ হয়।

# মঙ্গলদৈৰ বিবাহ উৎসৱ আৰু তাৰ আনুসঙ্গিক গীত-মাতবোৰ

শ্ৰীপ্ৰদীপ ৰায় বৰুৱা,
প্ৰাক্তন ছাত্ৰ।

প্ৰজা বা সন্তান সৃষ্টি কৰাই বিবাহৰ মুখ্য উদ্দেশ্য। সৃষ্টিৰ আকাংক্ষা থকা বাবে এই বিবাহ কাৰ্য্যক মানুহে যিমান পবিত্ৰ আৰু আনন্দদায়ক বুলি গণ্য কৰে, হিন্দুৰে দশ কৰ্মৰ অন্যান্য কৰ্মক তেনে গণ্য নকৰে। সেই কাৰণে, এই বিবাহ কৰ্মক আমাৰ উৎসৱ বুলি জ্ঞান কৰা হয় আৰু এই উৎসৱ বিয়াৰ কেইবাদিন আগৰ পৰাই চলে। মঙ্গলদৈৰ বিবাহ উৎসৱ আজিকালি অসমৰ অন্যান্য অঞ্চলৰ বিবাহ উৎসৱৰ লগত পাৰ্থক্য বৰ বেছি নাই যদিও, আজি ৩০।৪০ বছৰমান আগলৈকে এই উৎসৱৰ আনুষঙ্গিক গীত-মাত আৰু আনুষ্ঠানিক কাৰ্য্যবোৰত কিছুমান সুকীয়া বৈশিষ্ট্য দেখা পোৱা গৈছিল। এই প্ৰবন্ধটিত আমাৰ সেই থলুৱা বিয়াৰ গীত-মাত আৰু আনুষ্ঠানিক কৰ্মবোৰৰ এটি চমু আভাস দিবলৈ চেষ্টা কৰা হৈছে।

মঙ্গলদৈ অঞ্চলত গান্ধৰ্ব বিবাহ কেতিয়াবা অনুষ্ঠিত হয় যদিও, প্ৰাজাপত্য বিবাহৰ প্ৰচলনেই বেছি। আজি কিছুবছৰৰ আগলৈকে ইয়াৰ উচ্চ হিন্দু সকলৰ মাজত বাল্যবিবাহৰ প্ৰচলন আছিল। তেনেকুৱা ক্ষেত্ৰত ছোৱালী পুষ্পিতা হোৱাৰ পাছত শান্তি বিয়া পাতিব লাগে। মঙ্গলদৈত এই বিয়াক পাছ বিয়া আৰু প্ৰথম-খনক আগ বিয়া বোলে। আগবিয়া কন্যাৰ ঘৰত নিশা আৰু পাছবিয়া দৰাৰ ঘৰত দিনত সম্পন্ন হোৱাৰ নিয়ম। অৱশ্যে আজি কিছুদিন আগলৈকে দৰঙী ৰাজ পৰিয়াল আৰু কোনো কোনো দীক্ষাদাতা ব্ৰাহ্মণৰ ঘৰৰ দৰা কন্যাৰ ঘৰলৈ বিয়া হব নগৈছিল।

এসময়ত দৰাঘৰৰ লোক গৈ, আমাৰ ইয়াত ছোৱালী খোজাৰ (মঙ্গলদৈত সোধা বুলি কয়) নিয়ম আছিল। প্ৰথমে দৰাৰ বাপেক বা অভিভাৱকে গাখীৰ, চুৰা (ভৰ), তৰি-তৰকাৰীৰ ভাৰ বা টোপোলা এটা লৈ কন্যাৰ ঘৰত ছোৱালী সুধিবৰ নিমিত্তে উপস্থিত হয়। যদি ছোৱালীৰ অভিভাৱকৰ ছোৱালী দিয়াৰ ইচ্ছা হয়; তেনেহলে সেই বস্তুবোৰ আগ্ৰহেৰে সামৰিব আৰু সেই ছোৱালীজনীৰ হতুৱাই চাহ জলপান আদি দিওৱাৰ ব্যৱস্থা কৰিব। সেই সুযোগতে দৰাৰ পক্ষৰ লোকে ছোৱালীৰ লয়-লক্ষণবোৰ চায়। যদি ছোৱালী মনঃপুত হয়, তেনেহলে

ছোৱালীৰ অভিভাৱকক দৰাপক্ষই নিমন্ত্ৰণ কৰিব। ছোৱালীৰ অভিভাৱকে গৈ দৰা আৰু ঘৰখন চাব। যদি দৰা আৰু ঘৰ পছন্দ হয়, তেনেহলে সেইদিনাই বা তাৰ পাচত আঙঠি পিন্ধোৱাৰ দিন এটা ঠিক কৰিব। আঙঠি পিন্ধোৱা এটা অনুষ্ঠুপীয়া উৎসৱৰ দৰেই হয়। মঙ্গলদৈত এই কাৰ্য্য দৰাই নকৰে। দৰাৰ বৌৱেক, ভনীয়েক আৰু দুই চাৰিজন মতা মানুহে তেল, সেন্দুৰ, কাপোৰ, আঙঠি আদি লৈ গৈ, কন্যাঘৰৰ খেলৰ মানুহৰ সাক্ষাতত ছোৱালীৰ কপালত ফোট আৰু আঙুলিত আঙঠি পিন্ধাই এই কাৰ্য্য সমাধা কৰে। সেইদিনাই সম্ভৱ হলে দৰাৰ ঘৰৰ মানুহে বিয়াৰ তাৰিখ কৰিব (মঙ্গলদৈত ইয়াক খাতিৰ কৰা বোলে)। বিয়াৰ কেইদিনমান আগতে ছোৱালীক অলঙ্কাৰ পিন্ধোৱা হয়। মঙ্গলদৈত ইয়াক জোৰণ নোবোলে; ভাৰ খুওৱা বোলে। সেইদিনা, অলঙ্কাৰৰ লগতে গাখীৰ, চুৰা (গুৰ), বোকা চাউল (কোমল চাউল), তামোল-পাণ আদি দৰাঘৰীয়া লোকে ভাৰ বান্ধি কন্যাঘৰলৈ লৈ যায়। এই অলঙ্কাৰ পিন্ধোৱাৰ দিনৰ পৰাই বিবাহ উৎসৱৰ আৰম্ভ হয় আৰু কন্যাপক্ষৰ আয়তী সকলবো গাত সেই দিনাৰ পৰাই তৎ নোহোৱা হয়। বিবাহৰ বিভিন্ন অনুষ্ঠানৰ লগত সম্পৰ্ক থকা দুই-চাৰিটা গীত তেওঁলোকৰ সেই দিনাই কণ্ঠৰ পৰা ওলাবলৈ আৰম্ভ কৰে। মঙ্গলদৈত এই বিয়াগীতবোৰক গীত নোবোলে; পদ বা নামহে বোলে। ই সম্পূৰ্ণৰূপে বৈষ্ণৱ প্ৰভাৱ। দৰা-কন্যাকো তেওঁলোকে সিইদিনাৰ পৰা ৰাম, কৃষ্ণ, সীতা, ৰুক্মিণী আদি বুলিহে জ্ঞান কৰে।

বিবাহৰ আগনিশা তেলৰ ভাৰ দৰা পক্ষই কন্যাৰ ঘৰত দিব লাগে। তেলৰ ভাৰত মিঠাতেল, গোন্ধতেল, সেন্দুৰ, তামোল-পাণ, কন্যাই ন-পুৰুষৰ শ্ৰাদ্ধৰ সময়ত পিন্ধিবলৈ এখন শাৰী (তেলৰ কাপোৰ), বিয়াৰ সময়ত ৰাতি পিন্ধিবলৈ এযোৰা পাটৰ কাপোৰ দিব লাগে। আগতে কন্যাৰ ঘৰৰ মানুহক খুৱাবলৈ দৰাপক্ষই খাহী ছাগলী, চাউল, দালি আদি দিয়াবো নিয়ম আছিল। তেলৰ ভাৰৰ মেনাসকলে সেইবোৰ দৰাপক্ষৰ পৰা চমজি লয়। এইবোৰত কন্যাৰ মাক-বাপেকতকৈও, খেলৰ মেনা (মুৰব্বী) সকলৰহে প্ৰাধান্য বেছি। তেলৰ ভাৰৰ দিনাই দৰা কন্যাই অধিবাস কৰিব লাগে। বিয়াৰ প্ৰত্যেক কাৰ্য্যৰ লগতে গীত আছে। অধিবাসৰ সময়ত আয়তীসকলে গোৱা গীত হ'ল—

হৰিহে গা চাই গামোচা
হৰিহে আনা গৈ লগৰী
হৰিহে কঁকাল চাই আনাগৈ
চুৰীয়া হে ৰাম ৰাম। ইত্যাদি।

পিচদিনা বিয়া। পুৱাই ব্ৰাহ্মণে নপুৰুষৰ শ্ৰাদ্ধ আৰম্ভ কৰি সকলোকে বিয়া ব্যস্ত কৰে। খোৱা-লোৱা, হাঁহি তামাচাৰ অন্ত নাই। ব্ৰাহ্মণে শ্ৰাদ্ধত বহাৰ লগে লগে আয়তী সকলে পানী তোলাৰ আয়োজন কৰে। পানী তুলিবলৈ

সাধাৰণতে দূৰৈৰ পুখুৰী নাইবা নৈ লৈ যায়। ই এক আকৰ্ষণীয় শোভাযাত্ৰা। পানী তুলিবলৈ যাওঁতে আয়তী সকলে গায়--

ওলাই আহা দৈৱকীএ যমুনালৈ যাওঁ।
কৃষ্ণক ধুৱাব জল দিব গঙ্গা মাও ॥
ওলাই আহা দৈৱকীয়ে বজাৰ মহালৈ।
শুভক্ষণে যাত্ৰা কৰি জল আনোগৈ ॥ ইত্যাদি।

পানী তুলি ঘৰলৈ লৈ আহোঁতেও তেওঁলোকে বিভিন্ন পদ গায়। মাটিৰ এঁৰা পায়ত অনা সেই পানীক তেওঁলোকে পবিত্ৰ গঙ্গাৰ জল বুলি জ্ঞান কৰে।

জয়ে গঙ্গাত জলমাগি
জয়ে কি মায়া দেখিলি
জয়ে বসুদেৱে সোধে
জয়ে জল ভৰাই যশোদা
জয়ে পিছলৈ নাচাবা
জয়ে যমুনা আহিব ভাঙ্গি হে ৰাম ॥ ইত্যাদি।

সন্ধ্যাৰ লগে লগে দৰাৰ ঘৰত দৰা নোওৰাৰ আয়োজন হয়। মঙ্গলদৈ নোওৰাৰ পৰিবৰ্তে ধুওৱা বোলে। মাক বা মাতৃতুল্য এগৰাকী নাৰীয়ে এই ধুওৱা কাম কৰে। এটা কলপুলি পুতি তাৰ তলত বেদী এখন সজা হয়। এই বেদীত দৰা বা কন্যাক বহুৱাই মাহ হালধি ঘঁহি দিনত তুলি অনা পানীৰে ধুওৱা কাম সম্পন্ন কৰে। ধুওৱাৰ সময়ত গোৱাও বিভিন্ন গীত আছে। ধুওৱাত অলপ পলম হলেই আয়তীসকলে মাকক লক্ষ্য কৰি গাব--

কাৰ ঘৰৰ পাছে কলত ধনি আছে
ঐ ৰাম ধুৱাব ধুৱাব বুলিছে।
তোৰে মায়েৰে গেল চাতি মাৰি
ঐ ৰাম তেল ফপি আনিব বুলিছে। ইত্যাদি

ধুওৱাৰ পাছতে প্ৰশ্ন হ'ল কাপোৰ পিন্ধাৰ--

গা ধুই উঠিয়ে মাকক সুধিলে
কি কাপোৰ পিন্ধিব পাই
হাতে শুকোৰা মুঠিতে লুকুৰা
সেই কাপোৰ পিন্ধিব পাই ॥ ইত্যাদি

দৰাঘৰীয়াই নিৰ্দিষ্ট সময়ত কালীয়া, ঢুলীয়া আদি লগত লৈ কন্যাঘৰলৈ যাত্ৰা কৰে। বৰ দুখীয়া নহলে দৰা খোজ কাঢ়ি নেযায়। আগৰ দিনত হাতী, ঘোঁৰা, দোলা

আনিত যোৱা নিয়ম আছিল। বৰ্ত্তমান ৰাস্তা-পদুলিৰ সুবিধা হোৱাত মটৰত অহা-যোৱা কৰে। দৰা দৈ কন্যাঘৰৰ যাত্ৰা কলপুলিৰ তল পোৱাৰ লগে লগে দুয়ো পক্ষৰে ঢুলীয়াৰ ঢোল, কালীয়াৰ কালী, পুৰুষ সকলৰ হৰিধ্বনি আৰু আয়তী সকলৰ জোকাৰে গোটেই পৰিবেশটোকে মঙ্গলময় কৰি তোলে। ঢুলীয়া কালীয়াৰ মাত শুনাৰ লগে লগে কন্যাৰ কাষত থকা আয়তীসকলে গাবলৈ ধৰে--

হাতী আহি পাইলৰে ঘোঁৰা আহি পাইলৰে
বৰুৱাৰ লেখ জোখ নাই।
অত ৰাতি হৈলৰে দৰা আহি পাইলৰে
আমাৰ ঘৰত সোন্দৰ কন্যা নাই ॥

তাৰ পাচত দৰাক গাখীৰেৰে ভৰি ধুৱাই আগবঢ়াই নি, বড়াৰ তলিৰ নিৰ্দিষ্ট আসনত বহুৱা হয় আৰু তাৰ পাচতে বৈদিক নিয়মেৰে বিবাহ কাৰ্য্য আৰম্ভ হয়। পঞ্চ দেৱতাৰ পূজা আৰম্ভ কৰাৰ লগে লগে; ইফালে আয়তী সকলেও গায়--


বাসুদেৱ গোঁসাই পূজে হৰি হে ৰাম
আমাৰ বাপুই গোঁসাই পূজে হাতে ফুল লৈয়ে কি ৰাম। ইত্যাদি

তাৰ পাচতে কন্যা হোমৰ গুৰিলৈ আনিবৰ হয়। দৰা পক্ষৰ কেইগৰাকীমান তিৰোতাই শৰাই এখনত তামোল-পাণ, তেল, সেন্দুৰ লৈ কন্যা থকা ঘৰটিৰ দুৱাৰমুখত উপস্থিত হৈ কন্যা উলিয়াই দিবলৈ খাটে। কন্যাপক্ষৰ আয়তী সকলে তেতিয়া গীতেৰেই উত্তৰ দিয়ে--


খাটনিৰ তামোল পাণ দিয়ৰে
তোম্বৰ কন্যা নিয়ৰে
খাটনিৰে তামোল পাণ নকৰিবি খাটি
তোম্বৰ কন্যা নথও ৰাখি।

তাৰ পাছত কন্যাপক্ষৰ আয়তী সকলে খাটনীৰ তামোল পাণ লৈ কন্যা উলিয়াই দিয়ে। কন্যাক কন্যাৰ মোমায়েক বা খুৰাকে আনিয়ে কোলাত লৈ আনি প্ৰথমে দৰাৰ বাওঁফালে বহুৱায়। তাৰ পাচতে হোমৰ গুৰিত প্ৰথমে সম্প্ৰদান কাৰ্য্য আৰু আনফালে আয়তী সকলে সেই ব্ৰাহ্মণক লক্ষ্য কৰি জোৰা নাম দিয়াবো আৰম্ভ কৰে।

বৰ দলৰ মকুৱা বামুণটো খখুৱা
ঐ ৰাম কৰেই খাওঁ কৰেই খাওঁ কৰেহে।
বামুণৰ বামুণী কৰেই দিবা নবৈ
ঐৰাম বামুণটো খখাতে মৰৈহে ।



॥ অধ্যক্ষৰ বাস ভৱন ॥



॥ ছাত্ৰী নিবাসৰ একাংশ ॥



শ্ৰীঅমিয় ভূষণ দাসগুপ্ত
কলেজ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাতা
সভাপতি (১৯৫১-১৯৫২)



শ্ৰীবাগেশ্বৰ শৰ্মা, বি, এল,
কলেজ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাতা
সম্পাদক (১৯৫১-১৯৬০)



শ্ৰীদণ্ডীৰাম দত্ত
প্ৰাক্তন সভাপতি।
(১৯৬৬-১৯৭৫)

নামতী সকলে অকল যে বামুণক বাক্যবাণ হানে এনে নহয়, উভয় পক্ষৰ নামতী সকলে দৰা-কইনাৰ মাক, বাপেক, মোমায়েক, খুৰাক আদিকো নিন্দা কৰে। মঙলদৈত এই জোৰা নামবোৰক নিন্দাপদ বোলে। এই নিন্দা পদবোৰ সাধাৰণতে হাঁহি কৌতুকৰ বাবেই গোৱা হয়।

সাধাৰণতে আমাৰ ইয়াত সূৰ্য্যোদয়ৰ আগে আগে বিবাহ কাৰ্য্য সম্পন্ন কৰি কইনা উলিয়াই দিয়াৰ নিয়ম। পাচনিশা এই কন্যা উলিয়াই দিয়া দৃশ্যটো অতি করুণ। এই সময়তো অনেক করুণ ৰসাত্মক গীত গোৱাৰ নিয়ম আছে। যদি অকস্মাৎ দাৰিদ্ৰতাৰ কাৰণে দৰা কইনা খোজ কাঢ়ি যাবলগীয়া হয়, তেন্তে সেই কথা উল্লেখ কৰি আয়তী সকলে যি নাম গায় তাক শুনি মানুহ নকন্দাকৈ থকা টান। তেনেসময়ত গোৱা একাকি গীত হ'ল—

বিয়াও ভাঙিলে বাতিও পুৱালে।
দেউতা মোক উলিয়াই দিয়া॥
আই মই দুখীয়া নাই মোৰ দুলীয়া।
জোৱাইৰ আগে আগে যোৱা॥

ওপৰত কেৱল আগ বিয়াৰহে এটা পৰিচয় দিয়া হ'ল। উপৰোক্ত গীত আৰু নিয়ম নীতিবোৰ আজিকালি বহুতো অপ্ৰচলিত হৈছে আৰু ফলস্বৰূপে মঙলদৈ অঞ্চলৰ বিবাহৰ নীতি নিয়ম আৰু গীত-পদ বোৰৰ বৈশিষ্টাও লোপ পাইছে। কিন্তু মঙলদৈ অঞ্চলৰ এই বিয়াগীতবোৰ একেবাৰে লোপ পাবলৈ নিদি, কেনেবাকৈ সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰিলে আমাৰ জাতীয় সংস্কৃতিৰ সমৃদ্ধি বহুখিনি বাঢ়িলহেঁতেন।

বিঃ দ্ৰঃ বিয়াৰ গীতবোৰ মঙলদৈ অঞ্চলত যেনেভাবে শুনা যায়, তেনেভাবেই দিয়া গৈছে।

# মঙ্গলদৈ কলেজ সাহিত্য চ'ৰা ঃ এটি জিলিকনি

শ্ৰীমতী নাহাৰুণ নেছা, এম, এ,
প্ৰাক্তন ছাত্ৰী।

সাহিত্য বৰ্তমান সুসভ্য জগতৰ এক অপৰিহাৰ্য্য অঙ্গ। সাহিত্য শব্দৰ উৎপত্তি 'সহিত' শব্দৰ পৰা (সহিত + ষ্য = সাহিত্য)। গতিকে সাহিত্যৰ কাম সহিতত্ব স্থাপন কৰা; মিলন ঘটোৱা। সাহিত্যৰ এই সহিতত্ব, এই মিলন কেৱল ভাৱৰ লগত ভাষাৰেই নহয়, ব্যাকৰণৰ লগত ছন্দেৰে নহয়; অতীতৰ লগত বৰ্তমানৰ, দূৰৰ লগত ওচৰৰ, মানুহৰ লগত মানুহৰ, ব্যক্তিগত জীৱনৰ লগত সমাজ জীৱনৰ--জগৎ জীৱনৰ। সাহিত্যৰ এই মিলনতে সৃষ্টি হয় সৌন্দৰ্য্য আৰু আনন্দৰ। সাহিত্য হৈছে আমাৰ একমাত্ৰ মাধ্যম, যাৰ সহায়ত আমি কোনো এখন দেশৰ কোনো এটা জাতিৰ সাহিত্য, সংস্কৃতি ইতিহাস, পৰম্পৰা ঐতিহ্যৰ বিষয়ে জানিব পাৰোঁ। ভাষা, সাহিত্য, সংস্কৃতিয়ে হৈছে এটা জাতিৰ প্ৰাণ স্বৰূপ। কোনো এটা জাতিয়ে দেশৰ সাহিত্য সংস্কৃতিৰ লগত খোজ মিলাই সভ্যতাৰ খোপনিত লোপত দোপে আগবাঢ়ি যাবলৈ হলে সাহিত্য সভাৰ দৰে অনুষ্ঠানৰ একান্তই প্ৰয়োজন। এই উদ্দেশ্যকে লৈয়ে ১৯১৭ চনত জন্ম হৈছিল অসম সাহিত্য সভাৰ। অসম সাহিত্য সভা অসমৰ জাতীয় অনুষ্ঠান। অসমৰ জনসাধাৰণৰ মনত জাতীয় চৈতন্য জাগ্ৰত কৰি, অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ ইতিহাস নকৈ ৰচনা কৰি, এই মহান অনুষ্ঠানটিয়ে জাতিটোক এক নতুন পোহৰৰ সন্ধান দিয়ে।

জন সাধাৰণৰ মনত অসম সাহিত্য সভাৰ গৌৰৱ আৰু প্ৰভাৱ বিয়পাই সভাখনক এক বলিষ্ঠ জাতীয় অনুষ্ঠানত পৰিণত কৰিবলৈ শাখা সভা বিলাকৰ আৱশ্যকতা অপৰিহাৰ্য্য। বৰগছৰ শাখা প্ৰশাখাবোৰে গছ জোপাৰ শোভা বৰ্দ্ধন কৰাৰ উপৰিও, যেনেকৈ গছ জোপাৰ জীৱন ধাৰণতো সহায় কৰে, তেনেদৰে শাখা সভাবোৰে অসমৰ চুকে কোণে সাহিত্য সভাৰ মাহাত্ম্য প্ৰচাৰ কৰাৰ উপৰিও, এই মহান জাতীয় অনুষ্ঠানটি সবল, সুস্থ হৈ উঠাত সহায় কৰিছে।

মঙ্গলদৈ কলেজ সাহিত্য চ'ৰাও অসম সাহিত্য সভাৰ স্বীকৃতি প্ৰাপ্ত এখন শাখা সাহিত্য সভা। মঙ্গলদৈ কলেজৰ শিক্ষক শিক্ষয়িত্ৰী সকলৰ উদ্যোগত ১৯৭০ চনৰ ৪ আগষ্ট তাৰিখে এই সাহিত্য চ'ৰাটি প্ৰতিষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰী সকলৰ

উপৰত যাতে আথিক হেচা নপৰে, সেইবাবে চ'ৰাৰ সদস্যপদ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী সকলৰ ভিতৰতে আৱদ্ধ ৰখা হৈছে। অৱশ্যে ছাত্ৰ-ছাত্ৰী সকলকো ইয়াত অংশ গ্ৰহণ কৰিবলৈ সুযোগ দিয়া হয়। সম্প্ৰতি চ'ৰাৰ সদস্য সংখ্যা সাতিজন। শিক্ষক সদস্যসকলে মাহিলি এটকাকৈ ৰৰঙনি দি ইয়াৰ পুঁজি টনকিয়াল কৰিছে।

যাইকৈ সদস্য আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাহিত্য চৰ্চাৰ ক্ষেত্ৰ সৃষ্টি কৰিবলৈ এই চ'ৰা প্ৰতিষ্ঠিত হয়। চ'ৰাৰ চাহিদাত স্বৰচিত গল্প, কবিতা, প্ৰবন্ধ আদি পাঠ কৰাৰ সুবিধা দি সহানুভূতিশীল গঠনমূলক সমালোচনাৰে পৰস্পৰক সাহিত্য চৰ্চাৰ উৎসাহ উদ্দীপনা যোগোৱা ইয়াৰ অন্যতম লক্ষ্য। মুকলি সভা পাতি স্থানীয় সাহিত্যিক সকলক আমন্ত্ৰণ কৰি সম্বৰ্দ্ধনা জনোৱাও চ'ৰাৰ অন্য এটা কাম।

চ'ৰাৰ স্থায়ী সভাপতি হৈছে অধ্যক্ষ শ্ৰীপ্ৰবোধচন্দ্ৰ গোস্বামী মহোদয়। ইয়াৰ প্ৰথম সম্পাদক আছিল অধ্যাপক শ্ৰীবসন্ত কুমাৰ গোস্বামীদেৱ। তেখেতৰ দিনতে ১৯৭১ চনত এই চ'ৰাই অসম সাহিত্য সভাৰ স্বীকৃতি লাভ কৰে। তেতিয়াৰ পৰা ই অসম সাহিত্য সভাৰ নিৰ্দেশ অনুসৰি কাম কৰি আহিছে। অসমীয়া ভাষা সাহিত্যৰ যশস্বী সাহিত্যিক সকলৰ জন্ম শতবাৰ্ষিকী পালন, কৃতী সাহিত্যিক সকলক আদৰ-অভ্যৰ্থনা জনোৱা আদি কাম প্ৰতিবছৰে চলি আছে। এতিয়ালৈকে ছাব্বিশখন বিশেষ অধিবেশনত নানা বিষয়ৰ আলোচনা আৰু সদস্য-সকলৰ প্ৰবন্ধ, কবিতা আদি পাঠ কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মা আৰু শ্ৰীহেম বৰুৱাদেৱক এই চ'ৰাৰ পক্ষৰ পৰা সম্বৰ্দ্ধনা জনোৱা হৈছে।

১৯৭২ চনত সম্পাদক শ্ৰীবসন্তকুমাৰ গোস্বামীদেৱ নলবাৰী কলেজলৈ স্থানান্তৰিত হোৱাত, অধ্যাপক শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মাদেৱক এই চ'ৰাৰ সম্পাদক আৰু অধ্যাপক শ্ৰীশৰৎচন্দ্ৰ শৰ্মাদেৱক সহকাৰী সম্পাদকৰ ভাৰ দিয়া হয়। এই দুবাকী নিষ্ঠাবান সম্পাদকৰ হাততহে চ'ৰা নিশকটীয়া অৱস্থাৰ পৰা ক্ৰমে সবল হৈ উঠে। এখেতৰ চেষ্টাতে অধ্যক্ষ শ্ৰীগোস্বামীদেৱক কেন্দ্ৰ অধীক্ষক হিচাপে লৈ, অসম সাহিত্য সভাৰ অসমীয়া ভাষা জ্ঞান পৰীক্ষাৰ কেন্দ্ৰ এটি ১৯৭৩ চনৰ পৰা এই মহাবিদ্যালয়ত প্ৰবৰ্তন হয়। এতিয়ালৈকে অনাঅসমীয়া কেইবাগৰাকীও ভদ্ৰলোকে প্ৰাগ্‌জ্যোতী পৰ্য্যায়লৈকে পৰীক্ষা সমূহত অৱতীৰ্ণ হৈ কৃতকাৰ্য্য হৈছে।

প্ৰতিবছৰে চ'ৰাৰ বাৰ্ষিক অধিবেশন পতা হয়। ১৯৭৫ খৃষ্টীয় বছৰৰ ১৩ আৰু ১৪ ফেব্ৰুৱাৰী তাৰিখে জাকজমকেৰে চ'ৰাৰ চতুৰ্থ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। ১৩ তাৰিখে আবেলি স্থায়ী সভাপতি শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীৰ সভাপতিত্বত কবি সন্মিলন বহে। ১৪ তাৰিখে স্থায়ী সভাপতিৰ সভাপতিত্বত বহা মূল সভাত স্থানীয় সু-সাহিত্যিক শ্ৰীতপেশ্বৰ শৰ্মাদেৱক চ'ৰাৰ তৰফৰ পৰা মান পত্ৰ প্ৰদান কৰা হয়। বিশিষ্ট অতিথি শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু

শ্ৰীনৰকান্ত বৰুৱাকো সম্বৰ্দ্ধনা জনোৱা হয়। সন্ধিয়াৰ সাংস্কৃতিক সভাত মধুছন্দাৰ সঙ্গীত গোষ্ঠীৰ অনুষ্ঠান, পুতলা ভাওনা, সুকনান্নী ওজাৰ গীত আৰু বিয়াহৰ ওজাৰ গীত পৰিবেশন কৰা হয়। নতুন বছৰৰ বাবে শ্ৰীপ্ৰভাতচন্দ্ৰ শৰ্মাক সম্পাদক আৰু শ্ৰীজীৱনচন্দ্ৰ শৰ্মাক সহকাৰী সম্পাদক নিৰ্বাচন কৰাৰ পাচত সেইবছৰৰ মুকলি অধিবেশনৰ সমাপ্তি ঘটে।

১৯৭৬ খৃষ্টাব্দৰ আগষ্ট মাহৰ ২৮ আৰু ২৯ তাৰিখে চ'ৰাৰ পঞ্চম বাৰ্ষিক অধিবেশন সম্পন্ন হয়। প্ৰথম দিনা স্থায়ী সভাপতিৰ সভাপতিত্বত আলোচনা চক্ৰ বহে। আলোচনা চক্ৰত শ্ৰীজীৱন চন্দ্ৰ শৰ্মা, শ্ৰীমতী নাহাৰুন নেছা, শ্ৰীৰমেন্দ্ৰ ৰয় আৰু শ্ৰীগিনুহাৰ আলি মণ্ডলে অংশ গ্ৰহণ কৰে। দ্বিতীয় দিনাৰ মুল সভাৰ সভাপতি আচাৰ্য্য শ্ৰীমনোৰঞ্জন শাস্ত্ৰীদেৱক মান পত্ৰ অৰ্পণ কৰা হয়। বিশিষ্ট অতিথি শ্ৰীৰজনী কান্ত দেৱশৰ্মা আৰু শ্ৰীমুনীন বৰকটকীদেৱকো সম্বৰ্দ্ধনা জনোৱা হয়। সন্ধিয়াৰ সাংস্কৃতিক সমাৰোহত ঢেপাচুলীয়া, খেৰাই নৃত্য, ঝুমুৰ নৃত্যৰ পৰিবেশন হয়। সেই দিনাখন বহা চ'ৰাৰ বিশেষ সভাই নতুন বছৰৰ বাবে শ্ৰীজীৱনচন্দ্ৰ শৰ্মাক সম্পাদক আৰু এই জিলিকনি লিখিকাক সহকাৰী সম্পাদিকাৰ দায়িত্ব দিয়ে। এইগৰাকী সুদক্ষ সম্পাদকৰ যত্নত চ'ৰাৰ গৌৰৱ বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

অতি পুৰণি কালৰেপৰা গীত-মাতত মঙ্গলদৈয়ে এখনি বিশিষ্ট আসন লাভ কৰি আহিছে। অসমীয়া লোক সংস্কৃতিৰ মেটমৰা ভঁৰালৰ কিমান বিধ লখিমীয়েই যে এই মঙ্গলদৈত বাহ লৈ থকা নাই ? ওজাপালি, খুলীয়া ভাওনাৰ গীত, মহখেদা গীত, নিচুকণি গীত, বিয়ানাম, ঢেক, আইনাম, ধাইনাম, ঢেপাচুলীয়া, বৰ ঢুলীয়াৰ গীত, চাহ বাগিছাৰ বনুৱাৰ গীত, ফকৰা যোজনা আদি অনেক ৰকম গীত-মাতেৰে মঙ্গলদৈৰ লোক-সাহিত্য সমৃদ্ধশালী। অসম সাহিত্য সভাই লোৱা লোকগীত সংগ্ৰহ আঁচনিক সাৰ্থক কৰিবৰ বাবে মঙ্গলদৈ কলেজ সাহিত্য চ'ৰাই সম্প্ৰতি এই গাঁৱে ভুঁৱে সিচঁৰতি হৈ থকা গীত-মাতবোৰ সংগ্ৰহ কৰাৰ চেষ্টা চলাইছে আৰু ইতিমধ্যে ভালেখিনি গীত-মাত সংগ্ৰহ হৈছে। এইখিনিতে, আমাৰ এই চেষ্টাক সাফল্যমণ্ডিত কৰিবলৈ মঙ্গলদৈৰ সমূহ শিক্ষিত সমাজৰ সহায়, সহানুভূতি আমি কামনা কৰিছোঁ। তেখেতসকলে জনা বা দৃষ্টি গোচৰলৈ অহা জন-গীত-মাত সমূহ আমালৈ লিখি পঠালে আমি পৰম কৃতাৰ্থ হম।

এই বছৰ আমাৰ কলেজৰ ৰূপালী জয়ন্তী বছৰ। অতি ধুমধামেৰে এই ৰূপালী জয়ন্তী পালনৰ আয়োজন চলিছে। এই উপলক্ষে এখনি 'স্মৃতি গ্ৰন্থ' প্ৰকাশ কৰাৰো সংকল্প লোৱা হৈছে। এই 'স্মৃতি গ্ৰন্থ'খনৰ সম্পাদনাৰ দায়িত্ব আমাৰ চ'ৰাৰ সম্পাদকৰ ওপৰতে অৰ্পিত হৈছে। তেখেতৰ সুযোগ্য পৰিচালনাত স্মৃতিগ্ৰন্থখনি সকলো ফালৰপৰা আটকধুনীয়া হ'ব বুলি আমি আশা ৰাখিছোঁ।

# খেলা-ধূলাত মঙ্গলদৈ কলেজ

শ্ৰীমুকুট আলি, এম, এ।

ব্যক্তিত্বৰ সামগ্ৰিক বিকাশৰ বাবে খেল-ধেমালিৰ প্ৰয়োজনীয়তা যুগে যুগে সকলোৱে স্বীকাৰ কৰি আহিছে। বিভিন্ন খেল-ধেমালিৰ যোগেদি জাতিৰ শাৰীৰিক উৎকৰ্ষ সাধন কৰাৰ লগে লগেই জাতিৰ মানসিক, নৈতিক আৰু শাৰীৰিক শক্তিৰ সমিল-মিলেৰে জাতি এটাৰ ভেটি গঢ়ি তোলাৰ চেষ্টা বুৰঞ্জীৰ পাতত অলেখ পোৱা যায়। এটা জাতিৰ সভ্যতাৰ মানদণ্ডৰ জোখ-মাপ হ'ল খেল-পথাৰ। বন্ধুত্ব আৰু ভ্ৰাতৃত্বৰ ভাব বজাই ৰাখি নিজৰ শক্তি-সামৰ্থৰ পৰিচয় দিবলৈ সেয়ে বিশ্বত সৃষ্টি হৈছে বিভিন্ন ক্ৰীড়ানুষ্ঠান। খেল-ধেমালিৰ যোগেদি একো একোটা জাতি কালজয়ী হৈ বয়। এনেবোৰ কথাকে লক্ষ্য কৰি ভাৰত তথা অসমৰ সকলো শিক্ষানুষ্ঠানতে খেল-ধেমালিৰ ব্যৱস্থা ৰখা হৈছে।

মঙ্গলদৈ কলেজতো ইয়াৰ প্ৰতিজন প্ৰতিজনী ছাত্ৰ-ছাত্ৰীকে এটি সুস্থ সবল মন আৰু দেহৰ অধিকাৰী কৰিবলৈ চেষ্টা আৰু ব্যৱস্থা ৰখা হৈছে। কলেজত ফুটবল, হকী, বাস্কেট বল, ভলীবল, লন টেনিচ, টেবুল টেনিচ, বেড মিণ্টন আদি বৰ্তমান যুগৰ প্ৰায় সকলো বিধ খেল-ধেমালিৰে ব্যৱস্থা আছে। এনে ব্যৱস্থা অসমৰ খুব কম কলেজতহে আছে। ল'ৰা আৰু ছোৱালী হোষ্টেল দুখনৰ মাজত আৰু কলেজৰ চৌহদৰ ভিতৰতে অৱস্থিত কলেজৰ ফুটবল, হকী, বাস্কেট বল, ভলীবল আৰু ল'ন টেনিচৰ খেল-পথাৰসমূহ। ছাত্ৰ ছাত্ৰীক খেলা-ধূলাত অনুপ্ৰেৰণা দিয়াৰ অৰ্থে কলেজৰ অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা সকলোৱে কলেজৰ সকলো খেলা-ধূলাতে ছাত্ৰ-ছাত্ৰীৰ লগত যোগদান কৰে।

খেল-ধেমালিত বিশেষকৈ ফুটবলত মঙ্গলদৈৰ গৌৰৱপূৰ্ণ ঐতিহ্য আছে। এইখিনিতে মঙ্গলদৈৰ কৃতি ফুটবল খেলুৱৈ সৰ্বশ্ৰী আব্দুল জেলিল, ফণীধৰ ডেকা, ৰমা হাজৰিকা, অৱনীকুমাৰ দত্ত, উমেশ চহৰীয়া, আদিৰ নাম উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। উল্লেখযোগ্য যে শ্ৰীআব্দুল জেলিলত বাহিৰে আটাই কেইজনে মঙ্গলদৈ কলেজৰ প্ৰাক্তন ছাত্ৰ।

১৯৫২ চনত পোন প্ৰথম বাৰৰ বাবে মঙ্গলদৈ কলেজে যোৰহাটত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাত যোগদান কৰে। এই প্ৰথম যোগদানতে মঙ্গলদৈ কলেজে সেই সময়ৰ শক্তিশালী নগাওঁ কলেজ আৰু দৰং কলেজক পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰি

এটি শক্তিশালী দল হিচাবে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছিল আৰু মঙ্গলদৈ কলেজৰ খেলুৱৈ শ্ৰীফণীধৰ ডেকাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফুটবল দলত স্থান লাভ কৰিছিল।

১৯৬৯ চনতো আমাৰ কলেজে কোকৰাঝাৰত অনুষ্ঠিত আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ চেমি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছিল। চেমি ফাইনেলত শক্তিশালী আৰু আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ কেইবাবাৰো চূড়ান্ত বিজয়ী মণিপুৰৰ ইম্ফল কলেজৰ লগত ২-১ গ'লত পৰাজিত হয়। এইখিনিতে উল্লেখযোগ্য যে সেইবাৰৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফুটবল দলত আমাৰ কলেজৰ কৃতী খেলুৱৈ শ্ৰীঅৰুণী কুমাৰ দত্তই স্থান পাইছিল। শ্ৰীদত্ত সেইবাৰ মঙ্গলদৈ জিলা ফুটবল দলৰ অধিনায়কো আছিল।

১৯৭২ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ ফুটবল প্ৰতিযোগিতা মঙ্গলদৈ কলেজৰ জড়িয়তে মঙ্গলদৈ কলেজ খেলপথাৰত ১ চেপ্তেম্বৰৰ পৰা ২২ চেপ্তেম্বৰলৈ অনুষ্ঠিত হৈছিল। তেতিয়াৰ অসম ফুটবল এচোচিয়েচনৰ চেক্ৰেটৰী শ্ৰীনুৰুল আমিনে পতাকা উত্তোলন কৰি প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰিছিল আৰু উপাচাৰ্য্য শ্ৰীসুৰেশচন্দ্ৰ ৰাজখোৱাদেৱে শ্ৰেষ্ঠ প্ৰতিযোগী দলটোক পুৰস্কৃত কৰি এই প্ৰতিযোগিতাৰ সামৰণি মাৰিছিল। মঙ্গলদৈ তথা কলেজৰ ইতিহাসত ই এটি স্মৰণীয় ঘটনা। এই প্ৰতিযোগিতাত অসম, মেঘালয়, অৰুণাচল আৰু মণিপুৰৰ ৩১ খন কলেজে যোগদান কৰিছিল। এই প্ৰতিযোগিতাই মঙ্গলদৈ মহকুমাৰ ক্ৰীড়ামোদী ৰাইজৰ মাজত এক আনন্দমুখৰ পৰিবেশ সৃষ্টি কৰিছিল। এই প্ৰতিযোগিতাৰ যোগেদি ৰাহি হোৱা ধনেৰে প্ৰায় ১৭ হেজাৰ টকাৰে কলেজৰ প্ৰেক্ষা প্ৰকোষ্ঠটি নিৰ্মাণ কৰা হৈছিল। তাৰ উপৰি শিক্ষক সকলৰ জিৰণি কোঠাত এটি ৰেডিঅ'ৰ যোগান ধৰা হৈছিল আৰু কলেজৰ কেন্টিন ঘৰটোৰ উন্নতি সাধন কৰা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত এনে উদাহৰণ অতি বিৰল।

১৯৭২ আৰু ১৯৭৩ চনতো ক্ৰমে শ্ৰীশিৱ দৈমাৰী আৰু শ্ৰীইছাহক খাখলাৰীক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফুটবল দলৰ বাবে নিৰ্বাচন কৰা হৈছিল। কিন্তু ব্যক্তিগত অসুবিধাৰ বাবে তেওঁলোক বিশ্ববিদ্যালয় ফুটবল দলত যোগদান কৰিব নোৱাৰিলে।

আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ লগে আন্তঃ কলেজ ক্ৰিকেট প্ৰতিযোগিতা আৰু আন্তঃ কলেজ ক্ৰীড়া মহোৎসৱতো মঙ্গলদৈ কলেজে প্ৰায়ে যোগদান কৰি আহিছে। ইয়াৰ উপৰিও কলেজত প্ৰতি বছৰে বাৰ্ষিক ক্ৰীড়া উৎসৱৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাঁতোৰ প্ৰতিযোগিতাকে আদি কৰি বৰ্তমান যুগৰ প্ৰায়বোৰ খেল-ধেমালিৰ প্ৰতিযোগিতা পতা হয়। আন্তঃ শ্ৰেণী ফুটবল, ভলীবল, ক্ৰিকেট আদি প্ৰতিযোগিতাৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীৰ খেল-ধেমালিৰ প্ৰতি অনুৰাগ বঢ়াবলৈ যত্ন কৰি অহা হৈছে। আমাৰ মাজত বহুতো প্ৰতিভা

সম্পন্ন খেলুৱৈ আছে। আন্তঃ জিলা ফুটবল, ক্রিকেট আদিৰ দলৰ প্ৰতিযোগিতা-খোৰৰ বাবে মঙ্গলদৈ জিলা দল সমূহত অধিকাংশ আমাৰ কলেজৰ খেলুৱৈ সকলে প্ৰতিনিধিত্ব কৰি আহিছে। আমি আশা ৰাখিছোঁ মঙ্গলদৈ কলেজৰ ক্ৰীড়ামোদী ছাত্ৰ-ছাত্ৰীসকলৰ চেষ্টাত ভাৰতৰ ক্ৰীড়া জগতত মঙ্গলদৈৰ তথা মঙ্গলদৈ কলেজৰ গৌৰৱময় ঐতিহ্য স্থাপন হ'ব।

১৯৫২ চনত আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ বাবে যোৰহাটলৈ খেলিবলৈ যোৱা মঙ্গলদৈ কলেজৰ প্ৰথম ফুটবল টীমটো—

শ্ৰীঅশোক চন্দ্ৰ ডেকা, শ্ৰীকবিৰাম শইকীয়া, শ্ৰীমহেন্দ্ৰ ডেকা, শ্ৰীৰত্ন কোঁৱৰ, শ্ৰীমহিবুল হক (কেপ্টেইন), শ্ৰীশৰৎ চন্দ্ৰ শৰ্মা, শ্ৰীফণিধৰ ডেকা, শ্ৰীআব্দুল মালেক, শ্ৰীশিৱ শাজখোৱা, শ্ৰীনগেন চৌধুৰী, ৺ললিত বৰুৱা, শ্ৰীজহৰ আলি।

তত্বাৱধায়ক অধ্যাপক শ্ৰীকৰুণাকান্ত শৰ্মা এম, এ,। কলেজৰ এই প্ৰথম ফুটবল টীমটোৱে নগাওঁ কলেজ আৰু দৰং কলেজক হৰুৱাই কোৱাৰ্টাৰ ফাইনেল পাইছিল।

# নতুন দিনত পুৰণিৰ সোঁৱৰণ

কানন বৰদলৈ, এম, এ, বি, টি।



৺নাগেন্দ্ৰ চন্দ্ৰ বৰুৱা

কোনো কোনো সময়ত কোনো কোনো মানুহৰ মহান কাৰ্য্যাৱলীয়ে আমাৰ মনত ভুমুকি মাৰে। অতীত সদায় অতীত যদিও কিছুমান সৰু অথচ পাহৰিব নোৱাৰা স্মৃতি বিজড়িত কাৰ্য্যই বিকশিত হোৱাৰ প্ৰয়াস পায়।

সেইটো আছিল ইং ১৯৫২ চন। মঙ্গলদৈত যেতিয়া এখন কলেজ পতাৰ কথা বাইজে এক চিত্তে স্বীকাৰ কৰিলে, তেতিয়া কলেজখনিৰ স্থান নিৰ্বাচন সম্পৰ্কে যি অস্থিৰতাই দেখা দিছিল, সেই সময়ত এজন ব্যক্তিয়ে সেই অস্থিৰতা আঁতৰ কৰি এখন স্থান দেখুৱাই দিলে, যিখন স্থানত আজি মঙ্গলদৈ কলেজ থিয় দি সকলোকে আকৃষ্ট কৰিবলৈ সমৰ্থ হৈছে।

ই এটি ক্ষুদ্ৰ স্মৃতি। ইয়াৰ বাহিৰেও এইজনা ব্যক্তিয়ে কলেজখনিৰ চালুকীয়া অৱস্থাত ইয়াৰ উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল। তেখেত কেইবাবছৰো ইয়াৰ 'গভৰ্ণিং বডি'ৰ সদস্য আছিল।

এই শিক্ষানুৰাগী লোক গৰাকীয়ে নিজে নানান আলে আহুকালৰ মাজেদি শিক্ষা লাভ কৰা গতিকে, আনকো শিক্ষালাভ কৰাৰ ক্ষেত্ৰত উৎসাহ-উদ্দীপনা আৰু সাধ্যানুসাৰে সহায় আগ বঢ়াইছিল। থকা ঠাইৰ অভাৱত শিক্ষালাভ কৰিব নোৱাৰা গাঁৱৰ দুখীয়া ছাত্ৰ কিছুমানক তেখেতৰ নিজৰ ঘৰত ৰাখি পঢ়াৰ সুবিধা কৰি দিছিল।

তেখেতে বলদেৱপাৰা প্ৰাইমাৰী স্কুলৰ পৰা বৃত্তি লাভ কৰি, মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ, "কটন কলেজৰ" পৰা বি, এ আৰু শেষত 'আৰ্ল-ল' কলেজৰ পৰা 'ল' পাচ কৰি মঙ্গলদৈত ইং ১৯৩৩ চনৰ পৰা ওকালতি আৰম্ভ কৰে। তেখেত মঙ্গলদৈ 'বাৰ এচোচিয়েচনৰ" চেক্ৰে-

চাবী আছিল। ওকালতি কৰাৰ প্ৰায় তিনিবছৰ মানৰ পাচত বিখ্যাত মজিন্দাৰ বৰুৱাৰ (উত্তৰ গুৱাহাটীৰ) ঘৰৰ জীয়ৰী হেমলতা বৰুৱাক বিয়া কৰায়।

তেখেত আছিল একান্ত সমাজসেৱী। এই মহান ব্যক্তিগৰাকীয়ে ওচৰ চুবুৰীয়াৰ বিপদ আপদত সহায় পৰামৰ্শ আগবঢ়াইছিল। তেখেতে এই পিচপৰা ঠাইখনিৰ উন্নতিৰ হকে চিন্তা নকৰাকৈ থকা নাছিল। তাৰ নিদৰ্শন হিচাবে এবাৰ গভৰ্ণৰ কাৰ্স চাহাব মঙ্গলদৈলৈ আহোতে তেখেতে এখনি ইংৰাজী প্ৰতিবেদন পাঠ কৰি মঙ্গলদৈবাসীৰ অভাৱ অভিযোগবোৰ এনে শুৱলাভাৱে প্ৰকাশ কৰিছিল, যাৰ বাবে গভৰ্ণৰ চাহাবে ভূয়সী প্ৰশংসা কৰিছিল। ইয়াৰ বাহিৰেও মঙ্গলদৈৰ উল্লেখনীয় শিল্প প্ৰধান সম্পদ বঙলাগড়ত গঢ়ি উঠা ৰেচম ফাৰ্মখনি প্ৰতিষ্ঠা হোৱাৰ গুৰিতেও আছিল এইজনা ব্যক্তি।

ইং ১৯৩৪ চনত মঙ্গলদৈত হোৱা সাহিত্য সভাৰ অধিবেশনত তেখেতে পৃষ্ঠপোষক হিচাবে অসমীয়া বাইজৰ আগত মঙ্গলদৈৰ পুৰণি কৃষ্টি-সভ্যতাৰ নিদৰ্শন দেওধনী নৃত্য, ওজাপালি আদি দৃষ্টিগোচৰ কৰাত আগভাগ লৈছিল।


তেখেতে সহজ সৰল কৰ্মব্যস্ত জীৱন যাপন কৰিছিল। ওকালতি ব্যৱসায় কৰিলেও, সুন্দৰ সেউজীয়া ধাননি পথাৰখন তেখেতৰ মনৰ মাজত সদায় সুন্দৰভাৱে প্ৰতিভাত হৈ আছিল। ওকালতিৰ অৱসৰৰ সময়খিনিত, শস্য-শ্যামলা পথাৰখনিত, তামোল-পাণ, নানান মূল্যবান ফলমূলেৰে উপচি পৰা বাগিছাখনিত মন নিয়োজিত কৰি ৰাখিছিল। কেইবাজনো বিশিষ্ট ব্যক্তিয়ে পৈ তেখেতৰ এইবোৰ দেখি তেখেতক 'Educated Farmer" নামেৰে অভিহিত কৰিছিল।

জীৱনৰ প্ৰকৃত মূল্যবোধ উপলব্ধি কৰিব পৰা এইজনা ব্যক্তিয়ে অকল যে এইবোৰতে আৱদ্ধ আছিল এনে নহয়। তেখেত আছিল এজন উচ্চ মানৰ ফুটবল খেলুৱৈ আৰু ভাল অভিনেতা। তেখেতৰ আন এটি প্ৰধান 'চখ' আছিল 'চিকাৰ'ত। তেখেতে চিকাৰ কৰা পছুৰ মাংসৰ সোৱাদ এতিয়াও বহুতে পাহৰা নাই। ইয়াৰ মাজতো তেখেত আছিল—অধ্যয়নশীল, শৃঙ্খলাবদ্ধ, সমাজ সচেতন, ধৰ্মপ্ৰাণ, স্বাধীনচিতীয়া আৰু আত্মনিৰ্ভৰশীল। তেখেতৰ কাৰ্য্যতালিকা ইমান কমপৰিসৰতে কব নোৱাৰি। এয়া মাথো মঙ্গলদৈ কলেজৰ ৰূপালী জয়ন্তী শুভ সন্ধিক্ষণত কলেজৰ এজন প্ৰতিষ্ঠাপক হিচাবে আমি মাত্ৰ সুঁৱৰিছোঁ।

এইজনা ব্যক্তিয়েই আছিল—মোৰ পিতৃদেৱ বাসৱচন্দ্ৰ বৰুৱা। যাৰ জন্ম ১৮৯৮ চনত মঙ্গলদৈ চহৰৰ পৰা ১০ মাইল দূৰৈত ছিপাঝাৰত, যাক হেৰুৱালোঁ ১৯৬০ চনৰ ২০ আগষ্টত তেখেতৰ নিজা ভাসভৱন বঙলাগড়ত। তেখেত আজি আমাৰ মাজত নাই সঁচা। কিন্তু তেখেতৰ আদৰ্শ আৰু কৰ্মপ্ৰেৰণাই আমাক সদায় উৎসাহিত কৰি থাকিব।—তেখেতৰ আত্মাই পৰম শান্তি লাভ কৰক।০

[ ৺বাসৱচন্দ্ৰ বৰুৱাৰ স্মৃতিত তেখেতৰ পুত্ৰ আৰু কন্যাসকলে মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে পাঁচশ টকা দান দিয়ে। —সম্পাদক ]

# মোৰ জীৱন সোঁৱৰণ



শ্ৰীজনাৰাম বৰুৱা ।

মঙলদৈ মহকুমাৰ ছিপাঝাৰ মৌজাৰ মাৰৈ গাঁৱত মোৰ জন্ম ১৮০৩ শকৰ কাতি মাহত (ইং ১৮৮১ চনৰ অক্টোবৰ মাহত)। মোৰ পিতৃ আছিল মঙলদৈত দাৰোগাৰ ঘৰ বুলি জনাজাত মণিৰাম বৰদাৰোগাৰ ভাতৃ ৺পদোৰাম বৰুৱা, মই ৯ বছৰ মান বয়সত ছিপাঝাৰ উচ্চ প্ৰাইমাৰী স্কুলত পঢ়ি পৰীক্ষাত উত্তীৰ্ণ হৈ ইংৰাজী শিক্ষা লবলৈ মঙলদৈৰ মাইনৰ স্কুলৰ ৬ষ্ঠ শ্ৰেণীত ভৰ্তি হওঁ। তাত কিছুদিন পঢ়ি থাকোতে মোক মেলেৰিয়া জ্বৰে ধৰে আৰু এই জ্বৰ ভোগাৰ কাৰণেই শিক্ষাৰ ব্যাঘাত ঘটাত কেইবাবছৰো মোৰ নষ্ট হৈছিল। দেউতাৰ শুশ্ৰূষা আৰু চিকিৎসাৰ গুণতে মই ৰক্ষা পৰিছিলোঁ আৰু শেষত আৰোগ্য হোৱাত আমাৰ গাঁৱৰে এজন ল'ৰাৰ লগত গৈ গুৱাহাটীত চৰকাৰী হাইস্কুলৰ ৬ষ্ঠ শ্ৰেণীত নাম লগাই পঢ়িবলৈ লৈছিলোঁ। মোৰ ইংৰাজী শিক্ষালৈ বৰ ধাউতি থকাৰ বাবে এনে ব্যৱস্থা মই নিজেই কৰি লৈছিলোঁ। সেই স্কুলত পঢ়ি থাকোতেই মঙলদৈত হাই-স্কুল স্থাপিত হোৱাত মই ঘূৰি আহি তাত পঢ়ি তেতিয়াৰ এণ্ট্ৰেন্স পৰীক্ষা দি উত্তীৰ্ণ হৈছিলোঁ। ইয়াৰ পিচত আৰু পঢ়াৰ সামৰ্থ নথকাত মঙলদৈৰ কাছাৰীত আনে ছুটি লোৱা ঠাইত কেৰাণীৰ কামত সোমাইছিলোঁ। এইদৰে কাম কৰি থাকি পিচত গৈ ৰেভিনিউ নাজিৰৰ কাম পাই তাতে সোমাই কাম কৰি আছিলোঁ। কিন্তু মোৰ কেৰাণীৰ কাম ভাল নালাগিছিল সেয়ে চিভিল পুলিচৰ কামৰ বাবে দৰখাস্ত কৰি পুলিচৰ চাব-ইন্সপেক্টৰ কামত নিযুক্ত হৈ ১৯০৯ চনৰ ২ জানু-ৱাৰীত তেতিয়াৰ ঢাকাত থকা পুলিচ ট্ৰেইনিং কলেজ পাইছিলোঁগৈ। সেই সময়ত

ইষ্টবেঙ্গল আৰু অসমক একে লগে বাথি শাসন চলাইছিল। আমি সেই ট্ৰেইনিং কলেজত আইন আৰু পুলিচ কোডৰ পৰীক্ষাত উত্তীৰ্ণ হব লাগিছিল। সেই ট্ৰেইনিং শেষ হোৱাৰ পিচত মোক শিৱসাগৰ জিলাত পোষ্টিং দি শিৱসাগৰ সদৰ থানাতে কামত যোগ দিবলৈ কোৱা হৈছিল। তেতিয়া শিৱসাগৰে জিলাৰ সদৰ আছিল। মই ১৯০৯ চনৰ ২৯ ডিচেম্বৰত প্ৰথম কামত যোগ দিছিলোঁ। ১৯১২ চনত মোক শিৱসাগৰৰ পৰা নগাহিল জিলাৰ ডিমাপুৰ থানালৈ বদলি কৰাত তাতে ছমাহ কমি কৰিছিলোঁ। তাৰ পিছত কহিমাৰ হেড কোৱাৰ্টাৰলৈ বদলি কৰি দিছিল। তেতিয়া কহিমাৰ চিভিল পুলিচ ডেপুটি কমিছনাৰ অধীনত আছিল। মই কহিমাত ১৯১৬ চনলৈকে কাম কৰি থকাৰ পিচত তেতিয়াৰ পুলিচ কমি-ছনাৰ বাৰ্নছ চাহাবক অনুৰোধ কৰি ইন্সপেক্টৰ জেনেৰেলক কোৱাই লক্ষীমপুৰ জিলালৈ বদলি হৈ আহিছিলোঁ। এইদৰে পুলিচ বিভাগত অসমত নানা ঠাইত ঘুৰি কাম কৰি ১৯৪০ চনত অৱসৰ লৈছিলোঁ। কিন্তু সেই সময়ত দ্বিতীয় মহা সমৰ চলি থকাৰ বাবে মোক পুনৰ কামত লগাই আৰু কামৰূপৰ ডেপুটি কমি-চনাৰৰ তলত পুলিচ ইন্সপেক্টৰ হিচাপে আৰু দুবছৰ কাল কাম কৰিবলগীয়া হৈছিল। মই কামত থকা কালতে ১৯৩২ চনত গুৱাহাটীত এডোখৰ মাটি লৈছিলোঁ তাতে ঘৰ কৰি বৰ্তমান আছোঁ। মোৰ দেউতাৰ মৃত্যু হয় ১৯৪২ চনত আৰু মোৰ ভাতৃ অধিবক্তা ৺বাসৱ চন্দ্ৰ বৰুৱাৰ ১৯৬০ চনত।

মোৰ প্ৰথম পত্নী ১৯১৭ চনতে দুটি সন্তান এৰি মৃত্যুমুখত পৰে। মই ১৯১৮ চনত শিৱসাগৰৰ মেতেকাৰ পৰা দ্বিতীয় বিবাহ কৰিছিলোঁ। এওঁ দুটি ছোৱালী আৰু দুটি ল'ৰা এৰি ১৯৪৫ চনত কৰ্কট ৰোগত মৃত্যুমুখত পৰে। অতীতৰ বহুত কথায়ে মনত পৰে আৰু এই জীৱনত কিমান যে পৰিবৰ্তন দেখিলোঁ তাকেহে ভাবোঁ। এই অনুষ্ঠানলৈ মোৰ শুভেচ্ছা থাকিল।

---

(মঙ্গলদৈত দানশীল বুলি পৰিচিত শ্ৰীবৰুৱাই ছিপাঝাৰ মাতৃ ভৱনলৈ ৫০,০০০'০০ টকা, মঙ্গলদৈ কলেজ ৰূপালী জয়ন্তী উপলক্ষে ১০০০'০০ টকা আৰু অন্যান্য বহুতো অনুষ্ঠানলৈ দান আগবঢ়াইছে।)

# মঙ্গলদৈ কলেজ গঢ়োতা ব্যক্তি সকলৰ কেইজনমানৰ চমু পৰিচয়

## শ্ৰীঅমিয় ভূষণ দাস গুপ্ত আই. এ. এছ.

(মঙ্গলদৈ কলেজৰ অন্যতম প্ৰতিষ্ঠাতা শ্ৰীঅমিয় ভূষণ দাসগুপ্তদেৱৰ জীৱন বৃত্তান্ত আমি যত্ন কৰিও সংগ্ৰহ কৰিব নোৱাৰিলোঁ। অৱশেষত আমাৰ প্ৰাক্তন ছাত্ৰ শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীয়ে দিয়া তেখেতৰ কথা অলপমানকে ইয়াত দাঙি ধৰিলোঁ।—সম্পাদক)

মঙ্গলদৈ কলেজৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাতা সভাপতি শ্ৰীঅমিয় ভূষণ দাসগুপ্তদেৱৰ জন্ম কাছাৰ জিলাত। তেখেতে ইং ১৯৫০ চনত মঙ্গলদৈ মহকুমাৰ মহকুমাধিপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে আৰু ইং ১৯৫২ চনত ইয়াৰ পৰা বদলি হৈ যায়। এই প্ৰায় দুবছৰৰ ভিতৰতে তেখেতে মহকুমাটোৰ আইন শৃঙ্খলা ৰক্ষা কৰাৰ উপৰিও, যিখিনি জনহিতকৰ কাম কৰিলে, সেয়ে তেখেতক ইয়াত অবিস্মৰণীয় কৰি ৰাখিছে। তেখেতে এইছোৱা সময়ৰ ভিতৰতে নিজে আগ ভাগ লৈ মঙ্গলদৈ কলেজ স্থাপন কৰে, চহৰৰ শিশুমন্দিৰটোৰ চাৰিওফালে ইটাৰ বেৰ দিয়াই উন্নতি সাধন কৰে আৰু মহকুমাৰ বহুতো পুৰণি পুথি তেখেতৰ দিনতে উদ্ধাৰ পায়। তেখেতে মহকুমাটোৰ চুকে কোণে ঘূৰি, যি পৰিকল্পনাৰে কলেজৰ পুঁজি টনকিয়াল কৰিলে সি অতি প্ৰশংসনীয়। তেখেতৰ এই কাৰ্য্যই তেখেতক এগৰাকী শিক্ষাপ্ৰেমী আৰু সমাজসেৱী লোক হিচাপে প্ৰতিষ্ঠিত কৰিছে। শ্ৰীদাসগুপ্ত বৰ্তমান সপৰিয়ালে চিলঙৰ নিজা ঘৰত বাস কৰে।

## শ্ৰীৰামেশ্বৰ শৰ্ম্মা, বি. এল.

অধিবক্তা শ্ৰীৰামেশ্বৰ শৰ্মাৰ মঙ্গলদৈ মহকুমাৰ দাঁহী মৌজাৰ নগাওঁত ১৯০২ খৃঃৰ ১ ফেব্ৰুৱাৰীত জন্ম হয়। তেখেতৰ পিতৃ ৺দেৱানন্দ শৰ্মা আৰু মাতৃ ৺জয়মতী দেৱী। শ্ৰীশৰ্মাৰ তিনি বছৰ বয়সতে পিতৃ বিয়োগ হোৱাত মাতৃ জয়মতীয়ে তেখেতক লৈ বামুণপাৰাৰ বুঢ়ীমাকৰ ঘৰলৈ আহে আৰু তেতিয়াৰ পৰা ইয়াত নিগাজীকৈ থাকিবলৈ লয়। তেখেতে ১৯১৯ খৃঃত মঙ্গলদৈ চৰকাৰী

হাইস্কুলৰপৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে আৰু জলপানী লাভ কৰি গুৱা-হাটীৰ কটন কলেজত নাম ভৰ্তি কৰে ; ১৯২১ খৃঃৰ অসহযোগ আন্দোলনত যোগ দিয়াৰ ফলত তেখেতে কলেজ এৰিব লগা হয়। পিচৰ বছৰত পুনৰ কলেজত ভৰ্তি হৈ ইং ১৯২৪ চনত অৰ্থনীতিত সন্মানসহ বি, এ, আৰু ইং ১৯২৮ খৃঃত বি, এল, ডিগ্ৰী লাভ কৰে। বি, এল, ডিগ্ৰী লোৱাৰ আগতে তেখেতে উত্তৰ গুৱা-হাটীৰ কমললদেৱ হাইস্কুল, মঙ্গলদৈ চৰকাৰী হাইস্কুল, নলবাৰী গৰ্ডন হাইস্কুল আদিত শিক্ষকতা কৰে। ল পাছ কৰাৰ পাছত মঙ্গলদৈলৈ আহি ইয়াত স্থায়ীভাৱে ওকালতি কৰিবলৈ লয়। আইন ব্যৱসায়ী হিচাপে শ্ৰীশৰ্মাৰ যিদৰে সুনাম আছে, সমাজকৰ্মী হিচাপেও তেনেদৰে ভাল খ্যাতি আছে। মঙ্গলদৈ কলেজ তেখেতৰ সামাজিক জীৱনত কৰা কৰ্মৰাজিৰ এক উৎকৃষ্ট নিদৰ্শন। তেখেতে ইং ১৯৫১ চনৰপৰা প্ৰায় দহ বছৰ কাল ইয়াৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাতা সম্পাদক হিচাপে দায়িত্ব লৈ অনুষ্ঠানটিক গঢ় দিয়াত উল্লেখযোগ্য বৰঙনি আগবঢ়ায়। শ্ৰীশৰ্মা ১৯৩৪ খৃঃত মঙ্গলদৈত বহা অসম সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক আছিল আৰু বৰ্তমান মঙ্গলদৈ শাখা সাহিত্য সভাৰ সভাপতি।

## শ্ৰীপুৰন্দৰ শৰ্মা, এম, এ, বি, এল,

প্ৰাক্তন প্ৰতিষ্ঠাতা অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মাৰ ১৯০৩ খৃঃৰ ১ জুন তাৰিখে মঙ্গলদৈ মহকুমাৰ বামুণপাৰাত জন্ম হয়। তেখেতৰ দেউতাক ৺দেৱভূষণ শৰ্মাই চিৰস্তাদাৰ কাম কৰিছিল আৰু অঞ্চলটিৰ এজন গণ্যমান্য লোক আছিল। এই উপযুক্ত পিতৃসবাকীৰ তত্ত্বাৱধানত শ্ৰীশৰ্মাই স্কুলীয়া শিক্ষা সাং কৰি ১৯২৩ খৃঃত গুৱাহাটীৰ কটন কলেজৰ পৰা অৰ্থনীতিত সন্মান সহ বি, এ, ১৯২৭ খৃঃত কলি-কতা বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি এম, এ, আৰু ১৯২৮ খৃঃত বি, এল, ডিগ্ৰী লাভ কৰে। তেখেতে অধ্যয়ন শেষ কৰি, কিছুদিন মঙ্গলদৈত আইন ব্যৱসায় কৰে ; কিন্তু অলপদিন পাছতে কংগ্ৰেছত যোগদান কৰি সক্ৰিয় ৰাজনীতিত অৱতীৰ্ণ হয়। তেখেত ১৯৩৭ খৃঃৰ পৰা ১৯৫৬ খৃঃলৈ অসম বিধান সভাৰ বিধায়ক আছিল। তেখেত ১৯৫১ খৃঃত কিছুদিনৰ বাবে অসম বিধান সভাৰ অধ্যক্ষও আছিল। শ্ৰীশৰ্মা ১৯৩৫ খৃঃৰ পৰা ১৯৪০ খৃঃলৈ আৰু ১৯৫০ খৃঃৰ পৰা ১৯৫৬ খৃঃলৈ মঙ্গলদৈ লোকেল বোৰ্ডৰ চেয়াৰমেন আছিল। তেখেত শ্ৰেষ্ঠ বুলি বিবেচিত অসমৰ লোকেলবোৰ্ড সমূহৰ চেয়াৰমেন সকলৰ ভিতৰত এজন। মঙ্গলদৈত জনস্বাস্থ্য আৰু জনশিক্ষাৰ উন্নতিৰ কাম তেখেতৰ দিনতে বহুখিনি হয়। তেখেতে বিশেষ আঁচনি গ্ৰহণ কৰি প্ৰায় প্ৰতি গাওঁতে একোটাকৈ পুখুৰী, সম্ভৱপৰ অঞ্চলত অন্ততঃ এমাইল ব্যাসাৰ্দ্ধত একো-খনকৈ প্ৰাথমিক স্কুল আৰু কুকুৰা, বৰবৰি, ভেৰগাওঁ হৰিশিঙা, খুটীনগৰ, মাজ-বাট, ৰঙামাটি আদি ভিতৰুৱা ঠাইত নিজে আগভাগ লৈ একোখন দাতব্য চিকিৎসা-

লয় পাতি দিয়াৰ ব্যৱস্থা কৰিছিল। তাৰ উপৰি তেখেতে দুনী, বুঢ়া, দেওমৰনৈ, পশ্চিম বঙামাটি, খেৰাবাৰী, ভেৰগাঁও, ভুমুনীচকী আদি হাইস্কুলৰ এসময়ত পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব লৈ, সেইবোৰ অনুষ্ঠান গঢ়ি উঠাত সহায় কৰিছিল। তেখেত অসম কলেজ শিক্ষক সন্থাৰো সভাপতি আছিল।

শ্ৰীশৰ্মাই মঙ্গলদৈ কলেজৰ প্ৰথম অধ্যক্ষ হিচাপে ১৯৫১ খৃঃত দায়িত্ব লৈ ১৯৬৬ খৃঃৰ চেপ্তেম্বৰত এই দায়িত্বৰ পৰা অৱসৰ লয়। তেখেতে ১৯৫১ খৃঃৰ পৰা ১৯৬০ খৃঃলৈকে অবৈতনিক অধ্যক্ষ হিচাপে কাম কৰি এই চালুকীয়া অনুষ্ঠানটিলৈ যি মহৎ বৰঙনি আগবঢ়ালে, সি মঙ্গলদৈবাসীৰ চিৰদিনৰ বাবে অবিস্মৰণীয় হৈ ৰব। তেখেতৰ দিনতে অনুষ্ঠানটিয়ে এটি সুনিৰ্দিষ্ট গঢ় লৈ, ক্ৰমবিকাশৰ পথত অগ্ৰসৰ হয়। শ্ৰীশৰ্মা সত্তৰৰ দেওনা পাৰ হলেও, এতিয়াও বহু সামাজিক কামৰ লগত জৰিত হৈ আছে।

## অধ্যক্ষ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী এম.এ.বি.টি।

অধ্যক্ষ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীৰ আজিৰপৰা প্ৰায় তিনি কুৰি বছৰ আগতে প্ৰসিদ্ধ নলবাৰীৰ সত্ৰত জন্ম হয়। তেখেতৰ পিতৃ পণ্ডিত ৺প্ৰতাপ চন্দ্ৰ গোস্বামী আৰু খুড়াক সুসাহিত্যিক ৺শৰৎচন্দ্ৰ গোস্বামী। তেখেতে ১৯৩৩ খৃঃত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা অঙ্ক, ভূগোল, আৰু সংস্কৃতত লেটাৰসহ প্ৰথম বিভাগত মেট্ৰিক, ১৯৩৭ খৃঃত কটন কলেজৰ পৰা ইংৰাজীত সন্মানসহ বি, এ, ১৯৩৯ খৃঃত ঢাকা বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিষয়ত এম, এ, ১৯৫০ খৃঃত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান (সেইবাৰ প্ৰথমশ্ৰেণী নাছিল) অধিকাৰ কৰি এম, এ, আৰু ১৯৪১ খৃঃত বি, টি পাছ কৰে। শ্ৰীগোস্বামী ১৯৪৭-৪৮ খৃঃত ডঃ জাকিৰ হুছেইনৰ জামিয়া মিলিয়া ইচলামিয়াৰ ছাত্ৰ আছিল। তেখেতে ১৯৪৯ খৃঃৰ পৰা ১৯৬৬ খৃঃলৈকে নলবাৰী কলেজৰ অৰ্থনীতি বিষয়ৰ মুৰব্বী আছিল আৰু তাৰ আগতে যোৰহাট কৃষি কলেজ আৰু চেন্ট এডমান্স কলেজৰ বি, টি শ্ৰেণীত অধ্যাপনা কৰিছিল। তেখেত ১৯৬৬ খৃঃৰ চেপ্তেম্বৰত মঙ্গলদৈ কলেজলৈ অধ্যক্ষ হৈ আহে।

শিক্ষাবিদ গোস্বামীদেৱে অসমীয়া আৰু ইংৰাজীত শিক্ষা, ৰাজনীতি আৰু অৰ্থনীতি বিষয়ক বহু তত্ত্ব গধুৰ প্ৰবন্ধ বিভিন্ন সাময়িকী সমূহত লিখাৰ উপৰিও, 'সমবায় সমিতি', 'গাওঁবাসীৰ ধাৰ', 'যুদ্ধোত্তৰ পৰিকল্পনা আৰু অসম', 'শিক্ষা পুনৰ গঠনৰ মূলনীতি' আদি পুথি ৰচনা কৰে। গোস্বামীৰ শ্ৰেষ্ঠ পুথি হ'ল, 'বকুল যেতিয়া সৰে'। তেখেতে বিভিন্ন সময়ত লিখা গল্পৰ ই এটি গল্প সংকলন। এই খন পুথিয়ে তেখেতক এজন কথা সাহিত্যিক হিচাপে প্ৰতিষ্ঠিত কৰিছে। দলীয় ৰাজনীতিৰ পৰা আঁতৰত থকা শ্ৰীগোস্বামীয়ে অধ্যাপনা আৰু অধ্যক্ষতা কৰাৰ উপৰিও শিক্ষা বিষয়ক অনেক গঠনমূলক কামৰ লগতো জৰিত। তেখেত বৰ্তমান

গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদ আৰু অসম ৰাজ্যিক শিক্ষা উপদেষ্টা বৰ্ডৰ সভ্য। তেখেত ১৯৭৪ খৃঃৰ পৰা ১৯৭৬ খৃঃলৈ অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি আছিল।

অধ্যক্ষ গোস্বামী মঙ্গলদৈ কলেজলৈ আহিবৰ আজি প্ৰায় দহবছৰ হ'ল আৰু এই দহ বছৰে তেখেতে কলেজখন অকল গছ-গছনি, বাগিছা আদিৰেহে যে আশ্ৰম সদৃশ কৰিছে এনে নহয়, ইয়াৰ শিক্ষাগত দিশটোৰো বহুখিনি উন্নতি সাধন কৰে। শ্ৰীগোস্বামীয়ে ১৯৫২ খৃঃত কৃষি বিষয়ক প্ৰতিযোগিতা এটিত কৃতকাৰ্য্য লাভ কৰি চৰকাৰৰ পৰা 'কৃষি-পণ্ডিত' উপাধি লাভ কৰে আৰু মঙ্গলদৈ কলেজৰ অধ্যক্ষ হৈ ইয়াৰ কৃষি পামৰ যোগেদি তেখেতে সেই উপাধিৰ সাৰ্থকতা প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হয়। সুস্বাস্থ্যৰ অধিকাৰী অধ্যক্ষ গোস্বামী আধুনিক প্ৰায় সকলো খেলাতেই পাৰ্গত আৰু সকলো খেলাতে অংশ গ্ৰহণ কৰিব পৰাকৈ কলেজত ছাত্ৰসকলকো সুবিধা দিছে। শ্ৰীগোস্বামী আৰু কিছুদিন পিচতে অৱসৰ গ্ৰহণ কৰি এই কলেজৰ পৰা বিদায় লব, কিন্তু তেখেতৰ আদৰ্শ আৰু কাৰ্য্যাৱলীয়ে তেখেতক চিৰদিন এই কলেজত অবিস্মৰণীয় কৰি ৰাখিব। তেখেত কলেজ প্ৰতিষ্ঠাপক নহলেও, কলেজ গঢ়োঁতা সকলৰ ভিতৰত নিসন্দেহে এজন।

শ্ৰীগিৰীশ চন্দ্ৰ গোস্বামী, এম, এ, বি,টি

# মহাবিদ্যালয়ৰ প্ৰতীকৰ তাৎপৰ্য্য

নিহিত সম্ভাৱনাৰ বিকাশেই জীৱন। এই বিকাশৰ মূলকথা ঘাত প্ৰতিঘাতৰ মাজত খেলুৱৈৰ মনোভাৱেৰে আৰু নিৰ্লিপ্ত চিত্তেৰে স্থূলৰপৰা সূক্ষ্মলৈ, ক্ষুদ্ৰৰপৰা বৃহত্তলৈ, স্বাৰ্থপৰতাৰপৰা নিঃস্বাৰ্থভাৱলৈ, ব্যক্তিকেন্দ্ৰিকতাৰপৰা সমাজিকতালৈ,---মুঠতে অন্ধকাৰৰপৰা পোহৰলৈ গতি।

এনে বিকাশৰ অৰ্থে প্ৰথমতে প্ৰয়োজন বিশেষ চাৰিত্ৰিক গুণৰ, বিশেষ দক্ষতাৰ, গভীৰ অভিজ্ঞতাৰ, অফুৰন্ত উদ্যম আৰু কৰ্মৰ। দ্বিতীয়তে প্ৰয়োজন সেইবোৰৰ সমাজমুখী, বিস্তাৰমুখী, ত্যাগমুখী আৰু মঙ্গলকামী গতি।

শিক্ষাৰ এই মূল অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয় প্ৰতীকত সেয়ে মূলকথা হিচাপে দিয়া হৈছে ভাৰতীয় সভ্যতাৰ মূল ভেটি উপনিষদৰ মহতী বাণী--- তমসো মা জ্যোতিৰ্গময়।

পৰিসীমাৰ চালৰাপে সূচাইছে খেলুৱৈৰ মনোভাৱ আৰু নিৰ্লিপ্তচিত্ত। মাজৰ যোগচিহ্নই সূচনা কৰিছে অভিজ্ঞতা, দক্ষতা, চাৰিত্ৰিক গুণ, আৰু উদ্যমৰ লগত প্ৰাণৰ সংযোগ। ৰেখাবোৰৰ ৰঙা ৰঙে সূচাইছে শক্তি আৰু প্ৰাণ, পশ্চাদভূমিৰ নীলা ৰঙে সংযম আৰু অভিজ্ঞতালব্ধ জ্ঞান, কেন্দ্ৰৰ বগা ৰঙে শুভ্ৰতা আৰু পবিত্ৰতা।

জ্ঞানেই আনন্দ, জীৱনৰ সাৰ্থকতা আৰু সমৃদ্ধি। সোণালী শস্যৰ ঠোক দুটাৰ মাজত স্পষ্ট হৈ পৰিছে জীৱনৰ এই আনন্দভিত্তিক সমৃদ্ধি আৰু প্ৰাপ্তি।

এই প্ৰাপ্তি কিন্তু স্বাৰ্থপৰ নহয়। ই সীমিত নহয়। ই স্থিতিশীল নহয়। ই গতিশীল, সমাজমুখী, মঙ্গলকামী আৰু অসীম। পূৰণ চিহ্নৰ মাজত আছে বিস্তাৰৰ প্ৰেৰণা আৰু চতুৰ্দিকে বিস্ফুৰিত জ্যোতিকণাৰ মাজত আছে প্ৰাণময় জীৱনৰ মঙ্গলময় বিকাশ আৰু তাৰ গতি।



শ্ৰীকলিমুদ্দিন আহমদ
৺কৰিম বক্সৰ পুত্ৰ শ্ৰী আহমদে তেওঁৰ পিতৃৰ স্মৃতিত প্ৰায় সাত হেজাৰ টকা খৰচ কৰি কলেজৰ প্ৰধান তোৰণটি নিৰ্মাণ কৰি দিছে। তোৰণটিৰ ছবি বেটুপাতত দিয়া হৈছে।
জন্ম ঃ ১৩৫৫ চনৰ ১ লা মাঘ।



৺ফণী ভূষণ বসু
টংলাৰ শ্ৰী বসুৱে কলেজ প্ৰতিষ্ঠাৰ সময়ত এহেজাৰ এটকা দান আগবঢ়ায়।
জন্ম ঃ ইং ১৮৮৩ চন।
মৃত্যু ঃ ইং ১৯৭৬ চন, ১৮ জানুৱাৰী।



**শ্ৰীভোগীৰাম ডেকা**

শ্ৰীডেকাৰ মঙ্গলদৈ মহকুমাৰ মাজিকুছি মৌজাৰ অন্তৰ্গত মহলীয়া পাৰাত ১৯১১ চনৰ ২১ জুনত জন্ম হয়। তেওঁৰ পিতৃ ৺ধনীৰাম ডেকা। অক্লান্ত পৰিশ্ৰমেৰে নিজক প্ৰতিষ্ঠিত কৰা শ্ৰী ডেকা বৰ্তমান মাজিকুছি মৌজাৰ মৌজাদাৰ। তেওঁ মঙ্গলদৈ কলেজলৈ প্ৰথম অৱস্থাত এহেজাৰ এটকা আৰু বৰ্তমান কাপালী জয়ন্তী উপলক্ষে পাঁচ হেজাৰ টকা দান আগ বঢ়ায়। তেওঁ এই কলেজত অনুষ্ঠিত হোৱা আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ বাবে গঠিত অভ্যৰ্থনা সমিতিৰ পৃষ্ঠপোষকো হয়।



**৺কৰিম বক্স।**

এওঁ কলেজ প্ৰতিষ্ঠাৰ সময়ত কলেজৰ পুঁজিলৈ বাৰশ পঞ্চাশ টকা দান আগ বঢ়ায়।

জন্ম ঃ ১২৯৭ চন।

মৃত্যু ঃ ১৩৬০ চনৰ ১৭ আহিন।

# সম্পাদকীয়

বৃটিছৰ আগলৈকে মঙ্গলদৈ এখন ঐতিহ্যপূৰ্ণ আৰু সমৃদ্ধিশালী ঠাই আছিল, কিন্তু বৃটিছৰ আমোলত ই নানা কাৰণত ৰাজ্যৰ অন্যান্য অঞ্চলতকৈ পিছ পৰি থাকিব লগা হয়। বিশেষকৈ যাতায়তৰ অভাৱ, শিক্ষা আৰু জন স্বাস্থ্যৰ প্ৰতি বৃটিছ চৰকাৰৰ আওকণীয়া মনোভাৱ আদিয়েই ইয়াৰ মূল কাৰণ। বৃটিছৰ অধীনত ৰাজ্যৰ বাকী অংশই চৰকাৰী সাহায্যৰে শিক্ষা, যাতায়ত, জন স্বাস্থ্য আদিৰ ক্ষেত্ৰত যিদৰে আগবাঢ়ি গ'ল, মঙ্গলদৈয়ে সেই সাহায্য লাভ কৰিব নোৱাৰাৰ ফলত সেইবোৰ ক্ষেত্ৰত পিছ পৰি থাকিল। মঙ্গলদৈৰ পৰা গুৱাহাটী প্ৰায় ৬৩ কিলোমিটাৰ দূৰ হলেও, ৫০।৬০ বছৰ আগতে মঙ্গলদৈৰ পৰা এজন মানুহ খাকপেটীয়াৰ ঘাটত জাহাজত উঠি গুৱাহাটী পাওঁতে ২।৩ দিন লাগিছিল। এনে ক্ষেত্ৰত উচ্চ শিক্ষাৰ স্থলী গুৱাহাটীত গৈ এজন দুখীয়া ছাত্ৰই শিক্ষা লাভ কৰা সহজ কথা নাছিল। ফল স্বৰূপে গোটেই অঞ্চলটোৱে উচ্চ শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত আছিল। ইং ১৯৫১ চনৰ আগলৈকে মহকুমাৰ প্ৰায় ৬ লাখ মানুহৰ মাজত হাইস্কুল ১০।১২ খনৰ বেছি নাছিল। প্ৰাথমিক স্কুলো ২।৩ খন গাঁৱৰ মাজত এখনকৈহে আছিল। জন স্বাস্থ্যৰ ক্ষেত্ৰতো অতি দুখলগা অৱস্থা। হাইজা, বসন্ত, মেলেৰীয়া আদিত প্ৰতি বছৰে একোখন গাঁও পৰ্য্যন্ত উচ্ছন্ন হৈ গৈছিল। ইয়াৰ পৰিণতি স্বৰূপে মহকুমাটিত শিক্ষিত মানুহৰ সংখ্যা কমি গৈছিল। ১৯৫১ খৃঃত ইয়াৰ শিক্ষিত লোকৰ শতকৰা হাৰ ১৭।১৮ মানহে আছিল। সেয়ে শিক্ষাৰ ক্ষেত্ৰত অহা অনগ্ৰসৰতাক আঁতৰ কৰি, উচ্চ শিক্ষাৰ পোহৰ বিলোৱাৰ উদ্দেশ্যে ১৯৫১ খৃঃত মহকুমাৰ কেইবাজনো বিদ্যোৎসাহী ব্যক্তিয়ে লগ হৈ মঙ্গলদৈ কলেজ স্থাপনৰ সিদ্ধান্ত লৈছিল। তেতিয়াৰ পৰা এই একুৰি পাঁচটা বছৰত ই নানা পৰিবৰ্তনৰ মাজেদি আগবাঢ়ি গৈ বৰ্তমান অৱস্থা পাইছেহি। পৰ্য্যাপ্ত পৰিমাণে সুবিধা দিব পৰা ছাত্ৰাবাস, অধ্যয়নাগাৰ আদিৰ অভাৱৰ বাবে আৰু বিজ্ঞান শাখাত অধিক বিষয় আৰু অনাৰ্চ পাঠ্যক্ৰম খুলিব নোৱাৰাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ কিছু অসুবিধা হৈছে যদিও, আমাৰ আশা সেই অসুবিধা তেওঁলোকৰ বেছিদিন নাথাকিব।

যি সকল ব্যক্তিয়ে আজি পঁচিশ বছৰ আগতে অন্ধকাৰাচ্ছন্ন এই মহকুমাটিত পোহৰ বিলোৱাৰ উদ্দেশ্যে এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিলে, যি সকলৰ আশাশুধীয়া প্ৰচেষ্টা আৰু শ্ৰমে এই অনুষ্ঠানটিক এটি পূৰ্ণ পৰ্য্যায়ৰ অনুষ্ঠান ৰূপে গঢ় দিয়াত সহায় কৰিলে, আজিৰ এই শুভ মুহূৰ্তত তেওঁলোকৰ ওচৰত আমাৰ অকৃত্ৰিম শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিছোঁ।

এই পঁচিশটা বছৰত আমাৰ অনেক ছাত্ৰ-ছাত্ৰীয়ে এই মহাবিদ্যালয়ত শিক্ষা লাভ কৰি নিজে ধন্য হোৱাৰ উপৰিও, এই অনুষ্ঠানটিক আৰু ইয়াৰ লগত জড়িত লোক সকলকো ধন্য কৰিছে। আজি সেইসকল গুণী জ্ঞানী ছাত্ৰ-ছাত্ৰী সকললৈ আমাৰ মৰম আৰু শ্ৰদ্ধা আগবঢ়াইছোঁ।

এই স্মৃতি গ্ৰন্থখন প্ৰকাশ কৰাত, স্মৃতি গ্ৰন্থ সম্পাদনা সমিতিৰ সদস্যবৃন্দৰ বাহিৰেও যি সকল অধ্যাপক আৰু সদাশয় লোকে অকৃত্ৰিম সহায়, সহযোগ আগবঢ়ালে—বিশেষকৈ মহামান্য ৰাষ্ট্ৰপতি প্ৰমুখ্যে যিসকল বৰেণ্য লোকৰ পৰা শুভেচ্ছা বাণী আৰু প্ৰবন্ধ-পাতি পালোঁ—তেখেত সকললৈ আমাৰ আন্তৰিক শলাগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেজপুৰৰ জনতা প্ৰেছৰ স্বত্বাধিকাৰ আৰু কৰ্মীবৃন্দই সময় মতে স্মৃতি গ্ৰন্থখনি ছপা কৰি দিয়া বাবে আমাৰ শলাগৰ পাত্ৰ।

আমাৰ পক্ষৰপৰা স্মৃতিগ্ৰন্থখনি নিখুঁত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। কিন্তু প্ৰতি বছৰে বিকাশৰ পথত আগবঢ়া অনুষ্ঠান এটাৰ ৰূপালী জয়ন্তী উৎসৱ কালৰ স্মৃতি গ্ৰন্থ এখনি একেবাৰে নিখুঁত কৰা সম্ভৱ নহয়। ইয়াৰ সকলো বিলাক তথ্য (records) পাবলৈ টান আৰু আমাৰ হাতত সময় অতি কম থকাত কলেজত ৰখাখিনিৰ বাহিৰে অন্য ঠাইৰ পৰা সেই বিলাক বিচাৰি উলিওৱাও সম্ভৱপৰ নহ'ল। তাৰ ফলত উল্লেখ কৰিবলগীয়া কোনো নাম বা ঘটনা বাদ পৰাও সম্ভৱপৰ।

এটা সীমিত পৰিসৰৰ মাজত স্মৃতি গ্ৰন্থখন প্ৰকাশ কৰিব লগা হোৱাত পিছত অহা কেইবাটাও ভাল প্ৰবন্ধ আমি প্ৰকাশ কৰিব নোৱাৰিলোঁ। আমি সেই সদাশয় প্ৰবন্ধ লিখক সকলৰ ওচৰত আমাৰ অক্ষমতাৰ বাবে ক্ষমা মাগিছোঁ।

ৰূপালী জয়ন্তী উৎসৱ পোনতে নবেম্বৰ মাহত অনুষ্ঠিত কৰাৰ কথা ভবা হৈছিল আৰু সেই হিচাপে আমি বহু ব্যক্তিলৈ নবেম্বৰত উৎসৱ হ'ব বুলি জনাই চিঠি-পত্ৰও দিছিলোঁ; কিন্তু বহু অসুবিধা আহি পৰাত উৎসৱৰ দিন ডিচেম্বৰলৈ পিছুৱাই দিব লগা হ'ল। তাৰ বাবে সংশ্লিষ্ট ব্যক্তিসকলৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ। শেষত স্মৃতি গ্ৰন্থখনিত হোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাগি আমাৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

মঙ্গলদৈ মহাবিদ্যালয়,
ডিচেম্বৰ, ১৯৭৬।

শ্ৰীজীৱন চন্দ্ৰ শৰ্মা।

# মঙ্গলদৈ মহাবিদ্যালয় সঙ্গীত

শ্ৰীপ্ৰভাত চৌধুৰী।

মহা জীৱনৰ / মহাসাধনাৰ
আশাৰ পজালি তুমি,
জ্ঞান গৰিমাৰ / ধ্যান ধাৰণাৰ
মহান পুণ্য ভূমি ॥১॥

অজ্ঞানতাৰ / তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ / শিখাৰে বিলালা
সুধা / সঞ্জীৱনী।
বিকশিত আজি / শত শতদল
তোমাৰ চৰণ চুমি ॥২॥

বিয়পি পৰিছে / চৌদিশে আজি
তোমাৰ জ্যোতিৰ বান
শত প্ৰদীপৰ / জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান ॥
তোমাৰ আভাত / হওঁক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ॥৩॥